www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

জাবৰ সাৰিলে ঠাই যি দৰে পৰিস্কাৰ হয় তেনেকৈ নিজৰ ভুল স্বীকাৰ কৰিলে মন শুদ্ধ হয়। — হেম বৰুৱা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑ ষষ্ঠ বছৰ ❑ সংখ্যা - ১৯০ ❑ মঙ্গলবাৰ ❑ ৯ ছেপ্তেম্বৰ, ২০২৫ চন ❑ ২৩ ভাদ, ১৯৪৭ শক ❑ VOL - 6 ❑ NO.- 190 ❑ Tuesday ❑ 9th September, 2025 ❑ মূল্য ঃ ১০.০০ টকা ❑ মুঠ পৃষ্ঠা ঃ ৮

### কাঠমাণ্ডুত ভয়ংকৰ পৰিস্থিতি; হিংসাত্মক বিক্ষোভত নিহত ২১জন প্ৰতিবাদকাৰী

# 'জেন জি বিপ্লৱ'ত উত্তাল নেপাল

**▪ ২৬টা সামাজিক মাধ্যমৰ প্লেটফৰ্ম নিষিদ্ধৰ পিছতেই প্ৰতিবাদৰ ঢৌ ▪**



### আৰক্ষী-প্ৰতিবাদকাৰীৰ সংঘৰ্ষত আহত সহস্ৰাধিক

**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** নেপালত শেহতীয়াকৈ ২৬টা সামাজিক মাধ্যমৰ প্লেটফৰ্ম নিষিদ্ধ পিছতেই সোমবাৰে ব্যাপক প্ৰতিবাদৰ ঢৌ উঠে। এই প্ৰতিবাদৰ নেতৃত্ব দিয়ে জেন জি (Gen Z)য়ে। সংসদৰ সমীপত আৰক্ষীৰ সৈতে বিক্ষোভকাৰীৰ সংঘৰ্ষ হয়। নিৰাপত্তা বাহিনীয়ে গুলীচালনা কৰাৰ ফলত ▸▸৬ পৃষ্ঠাত



## আলফা শান্তি চুক্তিৰ পিছতো নিৰ্যাতিত আৰু শ্বহীদ পৰিয়ালৰ প্ৰতি উপেক্ষা

**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** অসমৰ দীৰ্ঘদিনীয়া সশস্ত্ৰ সংগ্ৰামৰ অন্যতম প্ৰধান সংগঠন সংযুক্ত মুক্তি বাহিনী অসম (আলফা)ৰ সৈতে শান্তি প্ৰক্ৰিয়াৰ অংশ ▸▸৬ পৃষ্ঠাত

## অসমৰ পৰা ১৮জন বাংলাদেশী অনুপ্ৰৱেশকাৰীক বিতাড়ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৮ ছেপ্টেম্বৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সোমবাৰে ঘোষণা কৰিছে যে ১৮জন বাংলাদেশী অবৈধ অনুপ্ৰৱেশকাৰীক ৰাজ্যৰ পৰা বিতাড়িত কৰা হৈছে। তেওঁ স্পষ্ট কৰি কয় যে অবৈধ ▸▸৬ পৃষ্ঠাত

## আত্মসমৰ্পণ! ছ'চিয়েল মিডিয়াৰ নিষেধাজ্ঞা প্ৰত্যাহাৰ নেপাল চৰকাৰৰ



**ইণ্টাৰনেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** হিংসাত্মক প্ৰতিবাদৰ মাজতে অৱশেষত নেপাল চৰকাৰে ছ'চিয়েল মিডিয়াৰ নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰাৰ কথা ঘোষণা কৰিছে। এই নিষেধাজ্ঞা উঠাই লোৱাৰ কথা ঘোষণা কৰে প্ৰধানমন্ত্ৰী ▸▸৬ পৃষ্ঠাত

## নৈতিক দায়িত্ব স্বীকাৰ! নেপালৰ গৃহমন্ত্ৰীৰ পদত্যাগ

**ইণ্টাৰনেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** নেপালত Gen-Z ৰ বা নৱপ্ৰজন্মৰ যুৱক-যুৱতীৰ প্ৰতিবাদৰ পিছত ভাবুকিৰ সন্মুখীন হৈছে কে পি শৰ্মা অলি চৰকাৰ। প্ৰতিবাদত হতাহতিৰ পিছত নেপালৰ গৃহমন্ত্ৰী ৰমেশ লেখকে পদত্যাগ কৰা খবৰ প্ৰকাশ পাইছে। খবৰ অনুসৰি, প্ৰতিবাদৰ অন্তত নেপালী কংগ্ৰেছৰ সভাপতি শ্বেৰ বাহাদুৰ দেউবাই নিজৰ বাসগৃহত এক উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত কৰে। য'ত গৃহমন্ত্ৰীৰ ▸▸৬ পৃষ্ঠাত



## অৰুণাচলত আত্মসমৰ্পণ এনএছ চি এন (আই এম) মেজৰৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** চুবুৰীয়া অৰুণাচলত আত্মসমৰ্পণ এনএছচিএন আইএম গোটৰ মেজৰৰ। আত্মসমৰ্পণ কৰা বিদ্ৰোহী নেতাজনৰ নাম ফুলেশ্বৰ গগৈ ওৰফে নং এছ টাংচাৰ। তেওঁ ঘৰ তিনিচুকীয়া জিলাৰ পেঙেৰীৰ মাইচাং পানীত। অৰুণাচল প্ৰদেশৰ নংদিং জিলাৰ আৰক্ষী ▸▸৬ পৃষ্ঠাত

### সুধাকণ্ঠৰ জন্মদিনত যোগদান কৰি নতুন অসমৰ সংকল্প নেতাকেইজনৰ

## হাতী, পদুম এৰি সম্প্ৰীতিৰে হাতলৈ তিনি প্ৰাক্তন বিধায়ক




অসম বাৰ্তা, নতুন দিল্লী, ৮ **ছেপ্টেম্বৰ ঃ** পদুম, হাতী এৰি হাতত ধৰিলগৈ তিনি সদ্য পদত্যাগী বিধায়কে। ▸▸৬ পৃষ্ঠাত

## আজি উপ ৰাষ্ট্ৰপতি পদৰ বাবে নিৰ্বাচন



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** মঙ্গলবাৰে ভাৰতৰ উপ-ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচন অনুষ্ঠিত হ'ব, য'ত সকলো প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ হৈ পৰিছে। এই গুৰুত্বপূৰ্ণ নিৰ্বাচনত ভোটগ্ৰহণ আৰু ▸▸৬ পৃষ্ঠাত

## প্ৰধানমন্ত্ৰী মোদীৰ অসম ভ্ৰমণৰ পূৰ্বে হাতী কৰিড'ৰত বেৰিকেডৰ বিৰুদ্ধে স্থানীয় ৰাইজৰ প্ৰতিবাদ

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১৩ ছেপ্টেম্বৰত অসমৰ নুমলীগড় শোধনাগাৰ লিমিটেড (এনআৰএল)-ত বায়ো-ইথানল প্লাণ্ট উদ্বোধনৰ জন্য উত্তৰ- ▸▸৬ পৃষ্ঠাত



### চিকিৎসক আনিছুৰ ৰহমানক গ্ৰেপ্তাৰ

## হোমিঅ'পেথিক ডিগ্ৰী লৈ ৰূপ ল'লে এমবিবিএছ চিকিৎসকৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ৮ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ চহৰৰ তিতাগুৰি অঞ্চলৰ পৰা কোকৰাঝাৰ জিলা আৰক্ষীয়ে এজন ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰিছে, যিয়ে হোমিঅ'পেথিক চিকিৎসকৰ ▸▸৬ পৃষ্ঠাত

### গুৱাহাটী, তেজপুৰ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ভূপেন হাজৰিকাৰ নামত এখনকৈ আসন দাবী আছুৰ

## শদিয়াৰ পৰা ধুবুৰীলৈ জন্ম শতবাৰ্ষিকীত সুধাকণ্ঠক স্মৰণ



**▪ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰা আৰম্ভ কৰি বিৰোধী দলপতি ৰাহুল গান্ধীলৈকে সকলোৱে সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ ▪**

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** অসমৰ গৌৰৱময় সাংস্কৃতিক প্ৰতীক তথা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী দিনটোত সমগ্ৰ অসমত গুঞ্জৰিত হৈছে তেওঁৰ অমৰ সৃষ্টিৰ গুণগান। অসমীয়া সমাজ আৰু সংস্কৃতিৰ অগ্ৰদূত এই মহান গণশিল্পীৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা জনাইছে ▸▸৬ পৃষ্ঠাত

### আৰক্ষীৰ প্ৰমাণৰ অভাৱ আৰু অযুক্তিকৰ ধাৰা সন্নিবিষ্টকৰণ

## হিট এন্ ৰান গোচৰত অভিনেত্ৰী নন্দিনী কাশ্যপৰ জামিন মঞ্জুৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** কামৰূপ সত্ৰ ন্যায়াধিক আদালতে অভিনেত্ৰী নন্দিনী কাশ্যপক এক হিট এণ্ড ৰান গোচৰত জামিন প্ৰদান কৰিছে। যোৱা ১ আগষ্টৰ পৰা কাৰাবন্দী হৈ থকা নন্দিনীৰ জামিনৰ আবেদনৰ শুনানিৰ পিছত ▸▸৬ পৃষ্ঠাত





## পুখুৰীত গা ধুবলৈ গৈ কৰুণ মৃত্যুক সাবটিলে পিতা-পুত্ৰই

**অসম বাৰ্তা, ছিপাঝাৰ, ৮ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰ-ৰ সেনাপতিপাৰাত সংঘটিত হ'ল এক অঘটন। পুখুৰীত গা ধুবলৈ গৈ কৰুণ মৃত্যুৰ আঁকোৱালি ল'লে পিতা-পুত্ৰই। দেওবাৰে দুপৰীয়া পিতৃৰ সৈতে পুখুৰীত গা ধুবলৈ গৈছিল পাঁচ বছৰীয়া পুত্ৰ কৃষ্টিমান চহৰীয়া। কৃষ্টিমান চহৰীয়া নামৰ পাঁচ বছৰীয়া সন্তানটোৰ ▸▸৬ পৃষ্ঠাত

### ১ লাখ কোটিৰ মেগা চুক্তিৰে নৌসেনাৰ জন্য কেইখনো চাবমেৰিন

## ভাৰত মহাসাগৰত ভাৰতৰ নৌশক্তিৰ শক্তিশালী প্ৰদৰ্শন!



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৮ ছেপ্টেম্বৰ ঃ** ভাৰতীয় নৌসেনাৰ ক্ষমতা বৃদ্ধিৰ দিশত এক নতুন অধ্যায়ৰ সূচনা হ'বলৈ গৈ আছে। সূত্ৰৰ খবৰ অনুসৰি, ভাৰত শীঘ্ৰেই প্ৰায় ১ লাখ কোটি টকাৰও অধিক মূল্যৰ দুটি বৃহৎ চুক্তি চূড়ান্ত কৰিবলৈ সাজু হৈছে। এই চুক্তিৰ জৰিয়তে ভাৰতীয় নৌসেনাই একাধিক অত্যাধুনিক চাবমেৰিন লাভ কৰিব, যাৰ ফলত দেশৰ পানীৰ তলৰ ▸▸৬ পৃষ্ঠাত






# শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ শিক্ষা শাখা সমিতিৰ ৬৪ সংখ্যক কেন্দ্ৰীয় শিক্ষক দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ টংলা, ৮ চেপ্তেম্বৰ ঃ** এজন ছাত্ৰক ভৱিষ্যতে সুনাগৰিক কৰি গঢ়ি তোলাই এজন শিক্ষকৰ লক্ষ্য আৰু উদ্দেশ্য হোৱা উচিত। গুৰুজনাক বিশ্ব মানৱৰ শিক্ষাগুৰু বুলি অভিহিত কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ শিক্ষা শাখা সমিতিৰ উদ্যোগত আৰু ভেৰগাঁও জিলা শাখাৰ আতিথ্যত ডাকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৫ ছেপ্টেম্বৰত অনুষ্ঠিত ৬৪ সংখ্যক কেন্দ্ৰীয় শিক্ষক দিৱসৰ মুকলি সভা উদ্বোধন কৰি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই এইদৰে কয়। মহান দাৰ্শনিক, শিক্ষাবিদ, চিন্তাবিদ, ভাৰতবৰ্ষৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ গুণানুকীৰ্তন কৰাৰ লগতে শিক্ষক দিৱসৰ আদৰণী সমিতিয়ে প্ৰকাশ কৰা আৰু নৰ কুমাৰ তামোলী সম্পাদিত স্মৃতিগ্ৰন্থ জ্ঞানাৰুণ উন্মোচন কৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° বুদ্ধিন হাজৰিকাই কয় শিক্ষক সকলে সমাজখনক আগুৱাই নিব লাগিব। শিক্ষকসকল সমাজৰ ওচৰত উত্তৰদায়ী। মুখ্য অতিথি হিচাপে আসন অলংকৃত কৰি পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাই কয় শ্ৰম, সাধনা, সততা থাকিলে জীৱনৰ উত্তৰণত কোনো বাধাই ক্ৰিয়া কৰিব নোৱাৰে। তেওঁৰ লক্ষ বিচ্যুতও নহয়। চকু, কাণ আৰু নাক থাকিলে মানুহ নহয়। তেওঁৰ মানৱীয় দৃষ্টিভঙ্গী থাকিব লাগিব। অসম ৰাজ্যিক শিক্ষা পৰিষদৰ উপাধ্যক্ষ ৰুক্ম গোহাঁই বৰুৱাই কয় অভিভাৱকসকলে ঘৰত আধ্যাত্মিক শিক্ষা জাগৰিত কৰক। ভক্ত প্ৰহ্লাদৰ ভগৱন্তৰ প্ৰতি থকা গুণৰ কথা উল্লেখ কৰি কয় শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক শক্তিশালী কৰিবলৈ জ্ঞান লাগিব। প্ৰজ্ঞাৰ দ্বাৰা জ্ঞান পৰিচালিত হ'লেহে সমাজৰ উৎকৰ্ষ হ'ব। উত্তৰ পূব ভাৰতৰ ধৰ্মীয়, সামাজিক, সাংস্কৃতিক জাতীয় অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ শিক্ষা শাখা সমিতিৰ উদ্যোগত ভেৰগাঁও জিলা শাখাৰ আতিথ্যত ওদালগুৰি জিলাৰ ডাকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত মহান শিক্ষাবিদ, দাৰ্শনিক আৰু ভাৰতৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ ওপজা দিন উপলক্ষে আয়োজন কৰা ৬৪ সংখ্যক কেন্দ্ৰীয় শিক্ষক দিৱসৰ মুকলি সভাত সভাপতিত্ব কৰে শিক্ষা সমিতিৰ সভাপতি বিমল চন্দ্ৰ বুঢ়াগোহাঁইয়ে। ভেৰগাঁও জিলা শাখাৰ শিল্পীবৃন্দই আৰম্ভণী বৰগীত পৰিৱেশন কৰা মুকলি সভাত গেৰুৱা ফুটকীবাৰী প্ৰাথমিক বিদ্যালয়ৰ ৮৪ গৰাকী শিক্ষাৰ্থীয়ে পৰিৱেশন কৰা লোকগীতে ভক্ত প্ৰাণ ৰাইজক আপ্লুত কৰে। পুৱাৰ ভাগত জিলা সেৱা বাহিনীৰ দ্বাৰা পৰিৱেশ নিকাকৰণ, নামঘৰীয়া বিচিত্ৰ ডেকাৰ প্ৰাত প্ৰসংগ, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সুনন্দ নাৰ্জাৰী আৰু পুৰন্দিয়া সাহিত্য সভাৰ সভাপতি ৰজনী কান্ত ডেকাই গছপুলি ৰোপণ কৰে। ডাকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত কুমাৰ বড়োই মূল তোৰণ উন্মোচন কৰা পিছতে ৯ বজাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাই পতাকা উত্তোলন কৰে। মুকলি সভাত সঙ্ঘৰ যুটীয়া সম্পাদক দেবাঞ্জন বৰা, তোযেশ্বৰ বৰা, ভেৰগাঁও জিলা শাখাৰ মুখ্য উপদেষ্টা মাধৱ ৰাভা, ভেৰগাঁও জিলা শাখাৰ সভাপতি মাধৱ বৰুৱা, সেৱা বাহিনীৰ মুখ্য অধিনায়ক সঞ্জীৱ বৰা, শিশু আই মাতৃ কল্যাণ সমিতিৰ সভানেত্ৰী লক্ষিপ্ৰিয়া চহৰীয়া মূলৰ সদস্য সন্তো হাজৰিকা, ডাকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড''ৰ জয়ন্ত বড়ো প্ৰমুখ্যে বিভিন্ন অনুষ্ঠান -প্ৰতিষ্ঠানৰ বিষয়ববীয়াই উপস্থিত থাকে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ শিক্ষা শাখা সমিতিৰ সম্পাদক চন্দ্ৰকান্ত ভূঞা, ভেৰগাঁও জিলা শাখাৰ সম্পাদক নবীন ডেকা আৰু আদৰণী সমিতিৰ সভাপতি কুলেন্দ্ৰ নাথ, উপ সভাপতি টিকেন্দ্ৰ নাথ চহৰীয়া, উপ সভাপতি কুঞ্জলতা ডেকা, সম্পাদক হেমেন শইকীয়াই ৬৪ সংখ্যক কেন্দ্ৰীয় শিক্ষক দিৱসটি সৰ্বাঙ্গসুন্দৰ আৰু সফল ৰূপায়ণ কৰি তোলা বাবে ভক্তপ্ৰাণ ৰাইজক ভক্তিভৰা সেৱা জনায়।

# মৰিগাঁৱত ইদুকিদ মিডব্ৰেইন একটিভেশ্যন পাঠ্যক্ৰম প্ৰতিষ্ঠানৰ নতুন শাখা মুকলি

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৮ চেপ্তেম্বৰ ঃ** ইদুকিদ মিডব্ৰেইন এক্টিভেশ্যন পাঠ্যক্ৰম পৰিচালনা কৰা পিচলা নেচনেল একাডেমীৰ এটা নতুন শাখা আজি মৰিগাঁৱত আনুষ্ঠানিক ভাবে মুকলি কৰা হয়। মৰিগাঁও চহৰৰ গোহাঁই গাঁও শংকৰদেৱ নগৰত প্ৰতিষ্ঠা কৰা উক্ত প্ৰতিষ্ঠানটোৰ ফিতা কাটি দ্বাৰ মুকলি কৰে সাপ্তাহিক বৰঅসম কাকতৰ পৰিচালন সম্পাদক বিৰিঞ্চি কুমাৰ শৰ্মাই। উদ্বোধনী অনুষ্ঠানটোত সাহিত্যিক তথা অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক ভূজেন ডেকা, অৱসৰপ্ৰাপ্ত স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডাঃ পদ্মচিং বৰদলৈ, বিশিষ্ট সমাজকৰ্মী কৃষ্ণানন্দ নাথ, নিৰোদ বৰা, হেমন্ত কুমাৰ বৰা, পিংকু দাস প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁত ধৰে অধ্যক্ষ কমল বৰাই। উল্লেখ্য যে মিডব্ৰেইন এ''ভেশ্যন হৈছে এটা তিনিমাহীয়া পাঠ্যক্ৰম। আৰম্ভণিৰ প্ৰথম দুদিন পুৱাৰ পৰা গধূলিলৈকে এখন কৰ্মশালা অনুষ্ঠিত কৰা হয়। কৰ্মশালাৰ পাছত সপ্তাহত এদিনকৈ তিনিমাহৰ বাবে পাঠদান কৰা হয়। এই পাঠ্যক্ৰম গ্ৰহণ কৰিলে ছাত্ৰ-ছাত্ৰীৰ স্মৃতি শক্তি বৃদ্ধি হোৱাৰ লগতে পঢ়া-শুনাত মন বহিব, ধৈৰ্যশীল হ'ব, খং-ৰাগ নাইকিয়া হ'ব আৰু অপ্ৰয়োজনত ম'বাইল ফোন ব্যৱহাৰ নকৰা হ'ব। আনহাতে সম্পূৰ্ণ প্ৰশিক্ষণ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীয়ে চকু বন্ধ কৰিও যিকোনো কাম কৰিব পৰা হয়। ইদুকিদ মিডব্ৰেইন এ''ভেশ্যন কেন্দ্ৰৰ তত্ত্বাৱধানত অসমত বৰ্তমানলৈকে ২৭টা কেন্দ্ৰ স্থাপন হৈছে। ইয়াৰে ৫টা শাখা ইদুকিদ মিডব্ৰেইন এ''ভেশ্যন কেন্দ্ৰৰ প্ৰতক্ষ শাখা। মৰিগাঁৱৰ ইদুকিদ মিডব্ৰেইন এক্টিভেশ্যন কেন্দ্ৰটো হৈছে ইয়াৰ ৬ নম্বৰ শাখা। এই শাখাটোত প্ৰতি দেওবাৰে পাঠদান কৰা হ'ব। ইয়াৰ প্ৰতিটো কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰিব অসমত মিদব্ৰেইন এ''ভেশ্যনক নতুন মাত্ৰা প্ৰদান কৰা মুখ্য প্ৰশিক্ষক কমল বৰাই।

# তিনিচুকীয়াত পৰজা জনজাতিৰ লোকসকলৰ 'হুপাঁ পাৰবু' উদ্‌যাপন



**অসম বাৰ্তা, লীলাবাৰী, ৮ ছেপ্টেম্বৰ ঃ** 'অসম পৰজা সমাজ' তিনিচুকীয়া জিলা সমিতিৰ অন্তৰ্গত আঞ্চলিক সমিতি সমূহৰ উদ্যোগত চান্দমাৰী চাহ বাগিচাত আদিবাসী জনগোষ্ঠীৰ পৰজা জনজাতিৰ 'হুপাঁ পাৰবু' অৰ্থাৎ 'ন-খোৱা উৎসৱ' এদিনীয়াকৈ অনুষ্ঠিত হৈ যায়। বৰগুৰি গুইজান, গতং, বাৰেকুৰি, কৰ্দৈগুৰি আঞ্চলিক সমিতিৰ উদ্যোগত অনুষ্ঠিত 'ন-খোৱা উৎসৱ'টিত সাংস্কৃতিক শোভাযাত্ৰাৰে আৰম্ভণি হয় আৰু অনুষ্ঠানটিত অসমৰ বিভিন্ন জিলাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে, উৎসৱটিত পৰজাসকলৰ পৰজাৰ জনজাতিৰ খাদ্যাভাস, লোক-সংস্কৃতি, পিন্ধন-উৰণ, চিকাৰ সঁজুলি আদি নৱপ্ৰজন্মক চিনাকি কৰাই দিয়াৰ প্ৰয়াস আৰু লোক-কথা, কাহিনী, কলা, নৃত্য-গীতৰ উপৰিও বিশেষকৈ বিভিন্ন টোটেমৰ মাজত পৃথক পৃথককৈ প্ৰচলিত নীতি-নিয়ম পৰম্পৰাৰ বিজ্ঞানসন্মত নৃতাত্বিক ব্যাখ্যা সম্পৰ্কে আলোচনা হয়। আলোচনা চক্ৰত বিশিষ্ট লোক-গৱেষক তথা সাংবাদিক মিণ্টু মিঞ্জুৰ, অসম পৰজা সমাজৰ কেন্দ্ৰীয় সাংস্কৃতিক সম্পাদকদ্বয় শোভন মাণ্ডিং, কৃষ্ণ অটেকা উপ-সভাপতি জগমোহন হাৰেকা, কোষাধ্যক্ষ যাকোৱ মিড়িয়াকা, লখিমপুৰ জিলা পৰজা সমাজৰ সভাপতি চামেল টুঁড়কাই আলোচক হিচাপে অংশগ্ৰহণ কৰে। ন-খোৱা পৰবটিত তিনিচুকীয়া জিলাৰ পৰজা জনজাতিৰ ৰাইজৰ লগতে ডিব্ৰুগড়, লখিমপুৰ, বিশ্বনাথ জিলাৰ প্ৰায় দুহেজাৰ সাংস্কৃতিকপ্ৰেমী ৰাইজে অংশগ্ৰহণ কৰে।

# ৰাজ্যিক ভিত্তিত প্ৰতিভাসন্ধানী প্ৰতিযোগিতামূলক বৃত্তি পৰীক্ষাৰ সামৰণি

**অসম বাৰ্তা, বঙাইগাঁও, ৮ ছেপ্টেম্বৰ ঃ** মানৱ সম্পদ উন্নয়ন প্ৰতিষ্ঠান Human Resource Development Institute ( For NE Region) ৰ উদ্যোগত নামনি অসমৰ বিভিন্ন ঠাইৰ লগতে বঙাইগাঁও, চিৰাং আৰু কোকৰাঝাৰ জিলাৰ অন্তৰ্গত শতাধিক বিদ্যালয়ৰ পৰীক্ষাকেন্দ্ৰ সমূহত আজি ৰাজ্যিক ভিত্তিত প্ৰতিভাসন্ধানী বৃত্তি পৰীক্ষা সুকলমে অনুষ্ঠিত কৰা হয়। উল্লেখযোগ্য যে প্ৰতিবছৰে প্ৰতিভাসন্ধানী বৃত্তি পৰীক্ষাত অসমৰ প্ৰায়ভাগ বিদ্যালয়ৰ দ্বিতীয় শ্ৰেনীৰ পৰা দশম শ্ৰেনীৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অসমীয়া, বড়ো আৰু ইংৰাজী মাধ্যমত লৈ এই পৰীক্ষা অনুষ্ঠিত কৰা হয়। উক্ত পৰীক্ষাত প্ৰায় ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হয়। বিদ্যালয়সমূহৰ শিক্ষাগুৰু সকলৰ সহযোগত ছাত্ৰ-ছাত্ৰী সকলক উৎসাহ উদ্দীপনাৰে এই পৰীক্ষাত অৱতীৰ্ণ কৰাৰ লগতে আজি এই পৰীক্ষাৰ বাবে পৰিচালনা কৰাত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে সন্মানীয় শিক্ষাগুৰুসকলৰ লগতে অভিভাৱক সকলোলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে এইচ আৰ ডি আইৰ জ্যেষ্ঠ জিলা সমন্বয়ক তপন কুমাৰ ৰায়ে। বিশেষকৈ আমাৰ শিক্ষিত যুৱক-যুৱতী সকলে HRDI ৰ দৰে বৃহৎ প্ৰতিষ্ঠানটোৰ সৈতে জড়িত হৈ আজিৰ দিনটোত প্ৰতিখন বিদ্যালয়ৰ শিক্ষাগুৰু সকলৰ সৈতে সুচাৰুৰূপে পৰীক্ষা সফল কৰাৰ বাবে মানৱ সম্পদ উন্নয়ন প্ৰতিষ্ঠানৰ সঞ্চালক মৃদুল ঠাকুৰীয়াই চেণ্টাৰ কো-অৰ্ডিনেটৰ লগতে অভিভাৱক সকলৰ শলাগ লয়।

# ৰঙাচাহীত কেইবা শতাধিক আবৃত্তিকাৰে আবৃত্তি কৰিলে মৃত্যু জিনাৰ গান

# মাজুলীত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ উদ্যোগত ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী শুভাৰম্ভ

**অসম বাৰ্তা, উজনী মাজুলী, ৮ ছেপ্টেম্বৰ ঃ** অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ মাজুলী জিলা সমিতিৰ উদ্যোগত আজি সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে আজি মাজুলীৰ ৰঙাচাহী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ আৰম্ভণি অনুষ্ঠানত কেইবা শতাধিক আবৃত্তিকাৰে ড° অমৰজ্যোতি চৌধুৰীৰ জনপ্ৰিয় কবিতা "মৃত্যু জিনাৰ গান" আবৃত্তি কৰে। অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ মাজুলী জিলা সমিতিৰ সম্পাদক যতীন্দ্ৰ নাথ মূদৈয়ে আজি উক্ত কাৰ্যসূচী পৰিচালনা কৰে। উক্ত, অনুষ্ঠান উপলক্ষে আজি পুৱা অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ পতাকা উত্তোলন কৰে মাজুলী জিলা সমিতিৰ উপদেষ্টা ড° অৰূপ কুমাৰ বৰাই। তাৰপিছত ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু স্মৃতি তৰ্পণ কৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ৰাজ্যিক সম্পাদক ড° মণ্টু কুমাৰ বৰাই। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰ কুমাৰ গামে। দুপৰীয়া বাৰ বজাত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ উদ্যোগত মাজুলীৰ আবৃত্তিকাৰসকলে ড° অমৰজ্যোতি চৌধুৰীৰ বহু জনপ্ৰিয় কবিতা " মৃত্যু জিনাৰ গান" আবৃত্তি কৰে। কবিতা আবৃত্তিৰ প্ৰশিক্ষক মৃণালিনী দেৱী, জ্যোৎস্না ভূঞা, পাৰুল বৰা মিলিৰ পৰিচালনাৰে মাজুলীৰ বিভিন্ন বিদ্যালয় মহাবিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে উক্ত যুগজয়ী কবিতাটো আবৃত্তি কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। তাৰপিছত ৰঙাচাহী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত মুকলি সভা অনুষ্ঠিত হয়। সম্পাদক যতীন্দ্ৰ নাথ মূদৈয়ে আঁত ধৰা উক্ত, মুকলি সভাত সভাপতিত্ব কৰে মাজুলী জিলা আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ সভাপতি দিগন্ত শইকীয়াই। সভাত মুখ্য অতিথিৰ তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে ড° মণ্টু কুমাৰ বৰাই। ড° বৰাই আবৃত্তিক এক মহান কলা বুলি উল্লেখ কৰি বিদ্যালয় মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত আবৃত্তিক অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনায়। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° বিদিশা বুঢ়াগোঁহাইয়ে। উক্ত, মুকলি সভাত বিশিষ্ট অতিথি হিচাপে মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা, মাজুলী জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা আৰু মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী মণিকা মহন্ত, সাংবাদিক যদু কলিতাই অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে সম্পাদক যতীন্দ্ৰ নাথ মূদৈয়ে।

# ধমধমাত আছুৰ অভিনন্দন অনুষ্ঠান



**অসম বাৰ্তা, ধমধমা, ৮ ছেপ্টেম্বৰ ঃ** ধমধমা আঞ্চলিক ছাত্ৰ সন্থাই আজি অঞ্চলটোৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনায়। এই উদ্দেশ্যে ধমধমা আঞ্চলিক কলেজত ধমধমা আঞ্চলিক ছাত্ৰ সন্থাৰ অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত প্ৰায় ১২০ গৰাকী কীৰ্তিমানক অভিনন্দন জনোৱা হয়। অনুষ্ঠানটোত সদৌ অসম ছাত্ৰ সন্থাৰ উপসভাপতি ভৱজিৎ বেজবৰুৱা, সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ৰিয়াজউদ্দিন আহমেদ, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজুদ্দিন আহমেদ, সাধাৰণ সম্পাদক অমৰজ্যোতি মহন্ত, নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা অক্ষয় ডেকা, গুণজ্যোতি পাঠকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক মুস্তাক হুছেইন আৰু অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰী, অভিভাৱক, ছাত্ৰকৰ্মী আৰু শিক্ষককে ধৰি তিনি শতাধিক লোক উপস্থিত থাকে।

# তিনিটাকৈ অনুষ্ঠানৰ শিক্ষয়িত্ৰী পূৰ্ণিমা কলিতাক সম্বৰ্ধনা

**অসম বাৰ্তা, দিচাংমুখ, ৮ ছেপ্টেম্বৰ ঃ** দিচাংমুখ চিত্ৰকলা কেন্দ্ৰৰ উদ্যোগত আৰু জ্যোতিপ্ৰকাশ চিত্ৰ কেন্দ্ৰৰ সহযোগত আৰু "প্ৰয়াস এক যাত্ৰা"ৰ সম্পৃক্তত, শিক্ষক দিৱসৰ লগত সংগতি ৰাখি ৪০৪ নং দিলিহি ধাই আলি আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়ত্ৰী পূৰ্ণিমা কলিতাক এক সম্বৰ্ধনা সভাৰ আয়োজন কৰা হয়। তৰুণজ্যোতি পুথিভঁৰাল প্ৰাঙ্গণত অনুষ্ঠিত এই সম্বৰ্ধনা সভাত ছাত্ৰ-ছাত্ৰী, অভিভাৱক, গাঁওবাসী আৰু বহুতো গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সভাত সম্বৰ্ধনা স্বৰূপে পূৰ্ণিমা কলিতাক সম্বৰ্ধনা পত্ৰ, জাপি, গ্ৰন্থ, চেলেং, গামোচা আৰু কেইবাটাও মূল্যবান সামগ্ৰী আগবঢ়োৱা হয়। উক্ত সভাত আইন বিষয়া তথা বিশিষ্ট সমাজকৰ্মী ৰজিত ফুকন, সমাজকৰ্মী হেমন্ত চাংমাই, শিক্ষক পৰেশ মল্ল চেতিয়া আৰু শিক্ষয়ত্ৰী অঞ্জনা গগৈ চাংমাই আদিকে ধৰি আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি সকলোৰে পূৰ্ণিমা কলিতাৰ শিক্ষাক্ষেত্ৰত দীৰ্ঘদিনীয়া অৱদানক স্মৰণ কৰি বিশদ বক্তব্য ৰাখে আৰু শিক্ষয়িত্ৰীগৰাকীৰ অধ্যৱসায়ক প্ৰশংসা কৰে। অনুষ্ঠানত সভাপতিত্ব কৰে নিৰোদ গগৈ আৰু আঁত ধৰে ধিৰেন মিলিয়ে। দিচাংমুখ চিত্ৰকলা কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানত নিৰোদ গগৈ, দিলিপ মিলি, ধিৰেন মিলি, ৰবিন পাংগিং আদিকে ধৰি সকলোৰে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। লগতে "প্ৰয়াস এক যাত্ৰা"ৰ পৰা প্ৰশান্ত গগৈয়ো অনুষ্ঠানখনত উপস্থিত থাকে লগতে তৰুণজ্যোতি পুথিভঁৰালৰ সম্পাদক চৌখামুন বুঢ়াগোহাঁই সভাত বিশেষ উপস্থিতি জনায়। সকলো বক্তাই পূৰ্ণিমা কলিতাৰ দৰে অধ্যৱসায়ী শিক্ষয়িত্ৰী সমাজৰ অনুকৰণীয় দিশ বুলি উল্লেখ কৰি শিক্ষাক্ষেত্ৰত তেওঁৰ অৱদানক স্মৰণীয় কৰি ৰাখে। অনুষ্ঠানত অংশগ্ৰহণকাৰী সকলৰ মাজত এক উজ্জ্বল উদ্দীপনা সৃষ্টিৰ লগতে স্থানীয় সমাজ জীৱনত এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰে।

# টংলাৰ কছাৰীতল খেলপথাৰত আন্তঃজিলা খেলো ইণ্ডিয়া অস্মিতা ৰাগবী লীগ প্ৰতিযোগিতা

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৮ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ টংলাৰ নিকটৱৰ্তী কছাৰীতল খেল পথাৰত এদিনীয়া দিনজোৰা কাৰ্যসূচীৰে আজি অনুষ্ঠিত হয় আন্ত জিলা খেলো ইণ্ডিয়া অস্মিতা ৰাগবী লীগ প্ৰতিযোগিতা। বিশিষ্ট সমাজকৰ্মী তৰুণ চহৰীয়াই উদ্বোধন কৰা বাক্সা, তামোলপুৰ, শোণিতপুৰ, ওদালগুৰি চিৰাং জিলাৰ তিনিশৰো অধিক ৰাগবী খেলুৱৈয়ে অংশগ্ৰহণ কৰা খেলখনত অসম ৰাগবী সন্থাৰ সম্পাদক অজিৎ কলিতাই খেলো ইণ্ডিয়া আৰু ৰাগবী ইণ্ডিয়াই মহিলা খেলুৱৈক বিশেষ ভাৱে প্ৰাধান্য দিয়া বুলি জানিবলৈ দিয়ে। খেলখনত যুটীয়া সম্পাদক পূৰ্ণ ডেকা, জুলী ডেকা তথা বিভিন্ন জিলাৰ বিষয় ববীয়া উপস্থিত থাকে। তিনিটা শাখাত অনুষ্ঠিত প্ৰতিযোগিতাৰ চাব-জুনিয়ৰ শাখাত ক্ৰমে ওদালগুৰি, তামোলপুৰ আৰু গোৰেশ্বৰ দলে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। একেদৰে জুনিয়ৰ শাখাত ক্ৰমে তামোলপুৰ, ওদালগুৰি আৰু কছাৰীতল ৰাগবী ক্লাবে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। চিনিয়ৰ শাখাত ক্ৰমে তামোলপুৰ, গোৰেশ্বৰ আৰু ওদালগুৰি দলে প্ৰথম. দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। খেলৰ অন্তত বিজয়ী, বিজিত দলক ট্ৰফী, মেডেল প্ৰদান কৰে। ওদালগুৰি জিলা ৰাগবী এছ'চিয়েচনৰ উপ সভাপতি খৰ্গেশ্বৰ বৰা, সম্পাদক নিপম ৰাভাই দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত খেলত অংশগ্ৰহণ কৰা সকলোকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

# টংলাৰ সুজিত নাৰ্জাৰী সোঁৱৰণী প্ৰেক্ষাগৃহত সংগীত পৰিৱেশন অনুষ্ঠান

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৮ ছেপ্টেম্বৰ ঃ** অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ওদালগুৰি জিলা সমিতিৰ উদ্যোগত টংলাৰ শ্বহীদ সুজিত নাৰ্জাৰী প্ৰেক্ষাগৃহত ড° অমৰজ্যোতি চৌধুৰীদেৱ বিৰচিত "মৃত্যু জিনাৰ গান, এটা গান শেষ হ'ল" দুই শতাধিকতকৈ অধিক জিলাখনৰ বিভিন্ন প্ৰান্তৰ আবৃত্তিকাৰে পৰিৱেশন কৰে। ওদালগুৰি জিলা সমিতিৰ মুখপাত্ৰ কল্যাণ ৰাভাই আঁত ধৰা আজিৰ অনুষ্ঠান উপলক্ষে পুৱা ৯.৪৫ বজাত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ পতাকা উত্তোলন কৰে ওদালগুৰি জিলা সমিতিৰ সভাপতি তথা ওদালগুৰি মহা বিদ্যালয়ৰ সহকাৰী অধ্যাপক ৰাহুল চন্দ্ৰ ভড়ালীয়ে। পুৱা ১০.৩০ বজাত সুধাকণ্ঠ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী বিষয় শিক্ষক তথা জিলা সমিতিৰ উপ-সভাপতি জ্ঞানেন্দ্ৰ কুমাৰ বৰুৱাই। মাল্যাৰ্পণ কৰে ওদালগুৰি মহাবিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষ ড° দিলীপ দত্তই। ইয়াৰ পিছতেই দিনৰ ১১.৩১ বজাত অৱসৰী উপাচাৰ্য ড° অমৰ জ্যোতি চৌধুৰীদেৱ ৰচিত কালজয়ী কবিতা "মৃত্যু জিনাৰ গান, এটা গান শেষ হ'ল" সমূহীয়াকৈ পৰিবেশন কৰা হয়। পৰিবেশনত অংশ গ্ৰহণ কৰে ওদালগুৰি, টংলা, ডিমাকুছি, কলাইগগাঁও, ওৰাং, পানেৰী, মাজবাট আদিৰ প্ৰায় দুই শতাধিক আবৃত্তিকাৰ সকলে। দিনৰ ১২ বজাত ওদালগুৰি জিলা সমিতিৰ সভাপতি ৰাতুল চন্দ্ৰ ভড়ালীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱাই। অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ৰাজ্যিক সমন্বয়ক পাৰ্থপ্ৰতিম পাঠকে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে বহলাই ব্যাখ্যা কৰে। আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য চিন্তমণি চক্ৰৱৰ্তীয়ে বক্তব্য ৰাখি আবৃত্তিৰ কৰ্মশালা অনুষ্ঠিত কৰিব বুলি উল্লেখ কৰে। আজিৰ এই সভাতেই অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ সংবিধানখন উন্মোচন কৰে কেন্দ্ৰীয় সমিতিৰ সমন্বয়ক পাৰ্থপ্ৰতিম পাঠকে আৰু ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ স্মৃতিত এটা "ওৱেব চাইট" মুকলি কৰে ওদালগুৰি জিলা সমিতিৰ সম্পাদক শংকৰ জ্যোতি দত্তই। উক্ত সভাত টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক নাৰায়ণ দাস, ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বৰা, ওদালগুৰি জিলা সমিতিৰ উপ সভাপতি গৌতম জ্যোতি তালুকদাৰ, টংলাৰ সমাজসেৱিকা গায়ত্ৰী তালুকদাৰ, টংলা কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা অণিমা ভূঞা বৰুৱা, অধ্যাপক মিণ্টু পাঠক, বড়োলেণ্ড সাংবাদিক সংস্থা, ওদালগুৰি জিলা সমিতিৰ সম্পাদক নাৰায়ণ ডেকা, টংলা প্ৰেছ ক্লাবৰ সভাপতি ফটিক ৰাভা, টংলা সাহিত্য সভাৰ পত্ৰিকা সম্পাদক জয়ন্ত দাস আদিকে ধৰি ভালেমান লোক উপস্থিত আছিল।

# গদাপাণি উচ্চ মাধ্যমিক বিদ্যালয়ত অভিভাৱক সভা

**অসম বাৰ্তা, গেলেকী, ৮ ছেপ্টেম্বৰ ঃ** আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰাক মুহূৰ্তত আৰু ছমহীয়া পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত নাজিৰা সমজিলাৰ অধীনত আৰু নাজিৰা শিক্ষা খণ্ডৰ অন্তৰ্গত গদাপাণি উচ্চ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ অভিভাৱক সভা অনুষ্ঠিত হয়। প্ৰায় ৮০ শতাংশ শতাংশ অভিভাৱক আৰু অভিভাৱিকা উপস্থিত থাকে উক্ত সভাখনত। সভাত বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰীৰ লগতে প্ৰতিটো বিষয়ৰ শিক্ষক - শিক্ষয়িত্ৰী উপস্থিত থাকে। সভাত আগন্তুক দশম শ্ৰেণীৰ ছমহীয়া পৰীক্ষাৰ সন্দৰ্ভত বিষদভাৱে আলোচনা কৰাৰ লগতে আগন্তুক সময়ত অনুষ্ঠিত হ্বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ প্ৰাক মুহূৰ্তত ছাত্ৰ ছাত্ৰী সকলক অভিভাৱক অভিভাৱিকা সকলে কেনেদৰে প্ৰস্তুত কৰিব লাগিব সেই সন্দৰ্ভত অধিক গুৰুত্ব প্ৰদান কৰাৰ কথা উল্লেখ কৰে। দশম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী সকলৰ বাবে অনুষ্ঠিত হ'বলগীয়া ছমহীয়া পৰীক্ষাৰ ফলাফলেই একমাত্ৰ নিৰ্ভৰ কৰিব হাই স্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ কৰিব পৰা হ'ব নে নহ'ব ছাত্ৰ-ছাত্ৰী সকলক এই বুলি মন্তব্য প্ৰদান কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীয়ে। তদোপৰি ছাত্ৰ-ছাত্ৰী সকলক শ্ৰেণী কোঠাত শিক্ষা প্ৰদান কৰা কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰেণীকোঠাৰ অমনোযোগিতাৰ কথাই শিক্ষক শিক্ষয়িত্ৰী সকলক বিশেষভাৱে চিন্তিত কৰি তুলিছে বুলি গভীৰ উদ্বেগ প্ৰকাশ কৰে। সেয়ে অভিভাৱক অভিভাৱিকা সকলক দৈনিক নিয়মিতভাৱে বিদ্যালয়ত উপস্থিত থাকিবৰ বাবে আৰু ঘৰত দৈনিক সাত আঠ ঘণ্টা অধ্যয়ন কৰিবলৈ যত্ন কৰাৰ বাবে আহ্বান জনায়। আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে প্ৰ-পত্ৰ পূৰণৰ বাবে দৰিদ্ৰ সীমাৰেখাৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰী সকলে জমা দিবলগীয়া নথি পত্ৰৰ বিষয়েও অভিভাৱক সকলক পৰামৰ্শ আগবঢ়ায়।

# যোৰহাটৰ ৰান্ধনীজানত সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৮ ছেপ্টেম্বৰ ঃ** যোৰহাট পুলিবৰ আৰক্ষী থানাৰ উদ্যোগত ৰান্ধনীজান ফাকুৱা দ'ল গাঁৱৰক্ষী বাহিনীয়ে মাদক দ্ৰব্য, ধঁপাত মুক্তৰ সম্পৰ্কত আৰু বাল্যবিবাহ প্ৰতিৰোধৰ উদ্দেশ্যে সজাগতা সভা ৰান্ধনীজান কমিউনিটি হলত ৭ ছেপ্টেম্বৰত সজাগতা সভা অনুষ্ঠিত কৰে। স্থানীয় গাঁওৰক্ষী সমিতিখনৰে জড়িত বুবুল দাসে আঁতধৰা সজাগতা সভাখন পৰিচালনা কৰে পুলিবৰ থানা গাঁওৰক্ষী বাহিনীসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ সভাপতি হৰেন ভূমিজে। নিৰ্দিষ্ট বিষয়ত গাঁৱৰক্ষী বাহিনীৰ উপ-উপদেষ্টা, যোৰহাটৰ পৱন পাঠক, স্থানীয় গাঁওপ্ৰধান পূৰ্ণিমা দত্ত, অৱসৰপ্ৰাপ্ত শিক্ষক পদ্মেশ্বৰ দাস, পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়াই সজাগ-সচেতন কৰে। স্থানীয় পুৰুষ-মহিলাসকলৰ লগতে কিশোৰ-কিশোৰী আৰু যুৱক-যুৱতীসকল উপস্থিত থাকি সজাগতা সভাখন সফল কৰি তোলে। উল্লেখ্য, পুলিবৰ আৰক্ষী থানাই এলেকাভুক্ত গাঁৱৰক্ষী বাহিনীসমূহৰ সহযোগত ভিন্ন স্থানত সজাগ সভা দীৰ্ঘদিনৰে পৰা অনুষ্ঠিত কৰি আহিছে। সভাসমূহ অনুষ্ঠিত কৰাত গাঁওৰক্ষী বাহিনীসমূহেও সহযোগিতা আগবঢ়াইছে।

## হালোৱাটিং আৰু জামুগুৰি দলে পৰৱৰ্তী ৰাউণ্ডলৈ

# আমগুৰিত বিপিন দত্ত-দুলাল বৰুৱা ফুটবল টুৰ্নামেণ্ট

**অসম বাৰ্তা, আমগুৰি, ৮ চেপ্তেম্বৰ ঃ** আমগুৰি ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত হৈ থকা সন্থাৰ প্ৰাক্তন সভাপতি আৰু সম্পাদক ক্ৰমে বিপিন দত্ত আৰু দুলাল বৰুৱাৰ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাত আজিৰ খেলত হালোৱাটিং চাহ বাগিচা দলে আমগুৰি বৰুৱা চাহ বাগিচা দলক ২-০ গ'লত পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ উত্তীৰ্ণ হয়। দ্বিতীয়খন খেলত টাইব্ৰেকাৰ পদ্ধতিৰ সহায়ত জামুগুৰি ফুটবল দলে আমগুৰি চাহ বাগিচা দলক ২-০ গ'লত পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ উন্নীত হয়। খেলকেইখন শিৱসাগৰ জিলা ৰেফাৰী সন্থাৰ নিৰ্মল নন্দী, বিশ্বজিত গগৈ, অংশুমান কোঁৱৰ আৰু ক্ৰান্তি কন্দলীয়ে পৰিচালনা কৰে।

# ভুৱা লটাৰী টিকটৰ বিৰুদ্ধে কচুৱা আৰক্ষীৰ অভিযান, আটক দুজন

**অসম বাৰ্তা, কচুৱা, ৮ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ কচুৱা আৰক্ষীৰ বৃহৎ সফলতা। দীৰ্ঘদিন ধৰি কচুৱা অঞ্চলত গোপনে ভুৱা লটাৰীৰ সাম্ৰাজ্য গঢ়ি তুলা দুজন লোকক যোৱা নিশা ১২ বজাত কচুৱা আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। এক গোপন সূত্ৰৰ ভিত্তিত কচুৱা থানাৰ অন্তৰ্গত কান্দাপাৰৰ জিয়াবুৰ ৰহমানৰ ঘৰত আৰক্ষীয়ে অভিযান চলাই। অভিযানত জিয়াবুৰ ৰহমানৰ ঘৰৰ পৰা ভুৱা লটাৰী টিকট, নগদ ৪৫০০ টকা, দুটা মোবাইল ফোন আৰু অৰূপ বৰি ষ্টুৰৰ নামত থকা এটা কিউ কৰ্ড জব্দ কৰিবলৈ সক্ষম হয় বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে। দীৰ্ঘদিন ধৰি জিয়াবুৰ ৰহমান আৰু নজমুল হুছেইনে কচুৱা অঞ্চলত ভুৱা লটাৰীৰ টিকট বিক্ৰী কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছিল। বৰ্তমান কচুৱা আৰক্ষীয়ে ধৃত লোক দুজনক আটক কৰি তদন্ত অব্যাহত ৰাখিছে বুলি জনা গৈছে।

**হেৰাইছে**

মোৰ উচ্চতৰ মাধ্যমিকৰ মাৰ্কশ্বীটখন হেৰাইছে। হেৰুৱা মাৰ্কশ্বীটখনৰ ৰোল-০২৮৬আৰুনং- ১০১২৩।যদি কোনো সদাশয় ব্যক্তিয়ে মোৰমাৰ্কশ্বীটখন পাই ৭০৯৯৭২৫২৩৫৬নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনালোঁ।

নাম ঃ লাভলি দাস
পিতা ঃ জিতেন্দ্ৰ দাস
গাঁও ঃ কাৰিখানা বিল গাঁও
জিলা ঃ হোজাই, অসম

AB-132/2025

# ডিব্ৰুগড় জিলা সাঁতোৰ সন্থাৰ নতুন সমিতিৰ গঠন




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ ছেপ্টেম্বৰ ঃ** উপযুক্ত আৰু স্বচ্ছ পৰিবেশত সাঁতোৰ শিকিবলৈ আৰু নৱ প্ৰজন্মৰ সাঁতোৰ খেলুৱৈক উৎসাহিত কৰি অহা ডিব্ৰুগড় জিলা সাঁতোৰ সন্থাৰ সাধাৰণ সভাখনি ডিব্ৰুগড়ৰ হোটেল কেতেকীৰ সভাকক্ষত অনুষ্ঠিত হয়। সদৌ অসম কেন্দ্ৰীয় সাঁতোৰ সন্থাৰ বিষয়ববীয়াৰ লগতে ডিব্ৰুগড় জিলাখনৰ পৰা অহা প্ৰতিনিধি সভাই আগন্তুক কাৰ্য্যকালৰ বাবে সভাপতি যদুনাথ গগৈ, উপ-সভাপতি নৱ কুমাৰ গগৈ আৰু নিশিজোৎনা মহন, সাধাৰণ সম্পাদক জ্ঞানদীপ গগৈ, যুটীয়া সম্পাদক পঙ্কজ শইকীয়া আৰু দয়ানন্দ গগৈ, সহকাৰী সম্পাদক অভিজিত কোঁৱৰ আৰু অভিজিত সোণোৱাল আৰু বৃত্ত সম্পাদক হিচাপে প্ৰনৱ জ্যোতি মহন লগতে ধৰ্মেন্দ্ৰ দিহিঙ্গীয়া, পুতুল শইকীয়া, জৰ্জ মৰাণ, অজয় কুমাৰ মেচ, পলাশ বৰুৱা, পদ্মধৰ সোণোৱাল, মৃণাল গগৈ আৰু জীৱন ৰাজখোৱাক সদস্য হিচাপে লৈ ডিব্ৰুগড় জিলা সাঁতোৰ সমিতিখন গঠন কৰা হয়। সভাত সমিতিৰ বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে আৰু চলিত বৰ্ষতে ৰাজ্যিক পৰ্যায়ত এখনি সাঁতোৰ প্ৰতিযোগিতা নামৰূপত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

সাংবাদিকসকলে সমাজখনক তীক্ষ্ণ দৃষ্টিৰে লক্ষ্য কৰি থাকিব লাগিব, ড° পুষ্প গগৈ

# শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ অধিৱেশন সম্পন্ন, নতুন সমিতি গঠন

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৮ ছেপ্টেম্বৰ ঃ** "সাংবাদিকসকলে সমাজখনক তীক্ষ্ণ দৃষ্টিৰে লক্ষ্য কৰি থাকিব লাগিব। সাংবাদিকসকলে নিজৰ ঠাইখন, নিজৰ ৰাজ্য, দেশখনৰ লগতে ওচৰ চুবুৰীয়া দেশ বিলাকৰ বিষয়েও জানিব লাগে। এছিয়া মহাদেশত থকা বিভিন্ন জাতি জনগোষ্ঠী সমূহৰ বিষয়েও জানিব লাগে।" - শিৱসাগৰ জিলা সাংবাদিক সংস্থাই প্ৰদান কৰা "ছহিদ পিয়লি ফুকন সোঁৱৰণি ৰাজ্যিক বঁটা" গ্ৰহণ কৰি দিয়া ভাষণ প্ৰসংগত আজি এই মন্তব্য কৰে বিশিষ্ট সাহিত্যিক, গৱেষক, চিত্ৰ শিল্পী ড° পুষ্প গগৈয়ে। তেওঁ লগতে এই বঁটা দিয়া বাবে অতি আনন্দিত হোৱা বুলি উল্লেখ কৰি কয় "শিৱসাগৰ জিলা সাংবাদিক সংস্থাই ছহিদ পিয়লি ফুকনৰ সোঁৱৰণত এনে এটা বঁটা প্ৰবৰ্তন কৰাটো ইতিবাচক পদক্ষেপ। এটা সময়ত নাটকৰ সৈতে, সাংবাদিকতাৰ সৈতেও জড়িত আছিলো। বৰ্তমান সাংবাদিকতালৈ যথেষ্ট প্ৰত্যাহ্বান আহিছে। ম'বাইলতে সকলো উপলব্ধ হোৱাত বাতৰি কাকতলৈয়ো প্ৰত্যাহ্বান আহিছে।" ইয়াৰ উপৰিও অসম তথা উত্তৰ পূৰ্বাঞ্চলক বহুতে ভাৰতৰ নহয় বুলিয়েই ভাবি লয় বুলি আক্ষেপ প্ৰকাশ কৰি কয় "অসমৰ বুৰঞ্জীক ভাৰত বুৰঞ্জীত গুৰুত্ব দিব লাগে। ভাৰতৰ প্ৰেক্ষাপটত অসমক গুৰুত্ব দিয়া উচিত। ছহিদ পিয়লি ফুকনক ভাৰত বুৰঞ্জীত যিদৰে গুৰুত্ব দিব লাগিছিল গুৰুত্ব দিয়া নাই।" উল্লেখ্য যে শিৱসাগৰ জিলা সাংবাদিক সংস্থাই প্ৰথমবাৰৰ বাবে ব্ৰিটিছ বিৰোধী সংগ্ৰামত ভাৰতৰ প্ৰথম গৰাকী ছহিদ পিয়লি ফুকনৰ সোঁৱৰণত প্ৰৱৰ্তন কৰা এই বঁটা সংস্থাৰ পঞ্চদশ অধিৱেশনৰ মুকলি সভাত প্ৰদান কৰে। বঁটাত আছে নগদ ২৫ হেজাৰ টকা, গামোচা, চেলেং, টাৰকব, চেং, স্মাৰক, সম্বৰ্ধনা পত্ৰ, ফুলাম গামোচা, ফুলাম জাপি। সংগীত নাটক একাডেমী বঁটা প্ৰাপক বৰেণ্য শিল্পী মাখন বড়া, বিশিষ্ট সাংবাদিক মণজিৎ বৰা, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক, বুৰঞ্জীবিদ ড° প্ৰবীণ শৰ্মাৰ হাতেৰে ড° পুষ্প গগৈক প্ৰদান কৰা হয় বঁটাটো। সংস্থাৰ সাধাৰণ সম্পাদক জয় জ্যোতি গগৈয়ে আঁতধৰা মুকলি সভাতে প্ৰাক্তন সভাপতি, জেষ্ঠ্যে সাংবাদিক সুমেশ ডেকা আৰু জেষ্ঠ্যে সাংবাদিক, সু-লেখিকা, ঔপন্যাসিক জুৰি শইকীয়াক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে ভাষণ প্ৰদান কৰি "অসম আদিত্য" কাকতৰ সম্পাদক, বিশিষ্ট লেখক মনজিৎ বৰাই একালত শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ সৈতে জড়িত থকাৰ কথা ৰোমন্থন কৰাৰ লগতে ৰজাঘৰৰ পৰা অৱহেলিত ছহিদ পিয়লি ফুকনৰ নামত বঁটা প্ৰৱৰ্তন কৰাটো অতি ইতিবাচক পদক্ষেপ বুলি ব্যক্ত কৰে। ইয়াৰ উপৰিও তেওঁ কয় "সাংবাদিক সকল সমাজৰ সৈতে সংপৃক্ত হৈ থাকে। কেৱল বাতৰি পৰিৱেশন বা সংগ্ৰহৰ মাজতে সীমাবদ্ধ নাথাকি সমাজৰ কেতবোৰ আন দায়িত্বও পালন কৰি আহিছে সাংবাদিক সকলে। ইয়াৰ মাজতে কেতবোৰ প্ৰত্যাহ্বানৰো সন্মুখীন হৈ আহিছে সাংবাদিক সকল। বৰ্তমান সাংবাদিক, সংবাদ গোষ্ঠী সমূহলৈ যথেষ্ট প্ৰত্যাহ্বান আহিছে। বিশেষকৈ বাতৰি কাকত সমূহলৈ প্ৰত্যাহ্বান আহিছে। এই প্ৰত্যাহ্বান সমূহ নেওচি কেনেকৈ আগুৱাব লাগিব সেই বিষয়ে আলোচনা কৰিব লাগিব সাংবাদিক সংস্থা, সংগঠন সমূহে। আমি কেতিয়াবা আপোচ কৰিবলগীয়া যে হয় এয়াও এক প্ৰত্যাহ্বান। কৃত্ৰিম বুদ্ধিমতায়েও এতিয়া আন এক প্ৰত্যাহ্বান আনিছে। এই ক্ষেত্ৰত সাংবাদিক সকল অধিক সজাগ হোৱা উচিত। চচিয়েল মেডিয়াত অত্যধিক নেতিবাচক খবৰ বিয়পি থাকে। তাৰ কোন বিলাক সঁচা মিছা সাংবাদিক সকলে বিবেচনা কৰিহে বাতৰি পৰিৱেশন বা প্ৰচাৰ কৰা উচিত। শেহতীয়াকৈ ডিব্ৰুগড়ৰ এগৰাকী মহিলাক লৈ AI ৰ দ্বাৰা প্ৰস্তুত কৰা ভুৱা ফটো এখন সঁচা বুলি বাতৰি চেনেলত প্ৰচাৰ কৰাৰ ফলত অতিষ্ঠ হৈ মহিলা গৰাকী আৰক্ষীৰ কাষ চাপিবলগীয়া হৈছিল।" উক্ত সভাতে ভাষণ প্ৰদান কৰি অসম ৰাজ্যিক সাংবাদিক সংস্থাৰ সাধাৰণ সম্পাদক প্ৰদীপ চন্দ্ৰ ডেকাই সমাজ খনক সঠিক পথেৰে আগুৱাই নিয়া, সমস্যা সমূহ ৰজাঘৰৰ ওচৰত দাঙি ধৰাত সাংবাদিক সকলৰ যথেষ্ট দায়িত্ব আছে বুলি দোহাৰে। সংস্থাৰ সভাপতি অনিল গুপ্তাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত সম্বৰ্ধনা গ্ৰহণ কৰি শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ অতীত ৰোমন্থন কৰাৰ উপৰিও দৈনিক কাকত এখন প্ৰকাশ কৰি থকাটো বৰ্তমান যে অতি জটিল হৈ পৰিছে সেই বিষয়ে উল্লেখ কৰে। লগতে আগন্তুক দিনত জিলা সাংবাদিক সংস্থাৰ সৈতে জড়িত প্ৰতি গৰাকী সাংবাদিকে সততাৰে যাতে কাম কাজ পৰিচালনা কৰি আগুৱাই নিয়ে তাৰ বাবে পৰামৰ্শ দিয়ে। বৃষ্টিপ্ৰিয়া গগৈয়ে বৰগীত পৰিৱেশনেৰে শুভাৰম্ভ কৰা মুকলি সভাত শিৱসাগৰ পৌৰসভাৰ পৌৰনেত্ৰী মৃণালিনী কোঁৱৰ, জিলা ক্ৰীড়া সন্থাৰ সম্পাদক, সমাজকৰ্মী মনোজ ভাগৱতী আদিকে ধৰি বহু সংখ্যক গণ্য মান্য ব্যক্তি উপস্থিত থাকে। লক্ষণীয় যে মুকলি সভাৰ প্ৰকাক্ষণত শিৱসাগৰ জিলা সাংবাদিক সংস্থাৰ প্ৰতিনিধি তথা বিষয়বাছনি সভা অনুষ্ঠিত হয়। বিষয় বাছনি সভাতে সৰ্বসন্মতিক্ৰমে জেষ্ঠ্যে সাংবাদিক অভিজিৎ দুৱৰাক সভাপতি, অতনু বৰাক কাৰ্যকৰী সভাপতি, অনন্ত স্মীথক সাধাৰণ সম্পাদক হিচাপে লৈ এখন শক্তিশালী নতুন সমিতি গঠন কৰা হয়। উক্ত সভাতে জেষ্ঠ্যে সাংবাদিক জয় জ্যোতি গগৈয়ে তেওঁ সংস্থাৰ সাধাৰণ সম্পাদক হিচাপে দায়িত্বভাৰ লোৱা সময়ছোৱাত সংস্থাই কি কি কাম কৰিছিল, আয় ব্যয় আদিৰ খতিয়ান তথা প্ৰতিবেদন পাঠ কৰাৰ লগতে নতুন সমিতিখনে যাতে ছহিদ পিয়লি ফুকনৰ সোঁৱৰণত প্ৰৱৰ্তন কৰা বঁটা প্ৰদানৰ ধাৰা অব্যাহত ৰাখে তাৰ বাবে পৰামৰ্শ দিয়ে। ইয়াৰ উপৰিও গত সময়ছোৱাত সভাপতি হিচাপে জেষ্ঠ্যে সাংবাদিক ভৈৰৱ মুণ্ডাসহ সতীৰ্থ সাংবাদিক সকলে যি সহযোগিতা আগবঢ়ালে তাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে জয় জ্যোতি গগৈয়ে। অধিবেশন উপলক্ষে পুৱা পতাকা উত্তোলন কৰে ভাৰপ্ৰাপ্ত সভাপতি অনিল গুপ্তাই আৰু স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰে জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক হৰেশ বৰুৱাই।

# চেলেংহাটত গণশিল্পী ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ বৰ্ষজোৰা জন্ম শতবাৰ্ষিকী সামৰণী অনুষ্ঠানৰ প্ৰস্তুতি সম্পন্ন

**অসম বাৰ্তা, আমগুৰি, ৮ ছেপ্টেম্বৰ ঃ** চেলংহাটৰ অগ্ৰণী সামাজিক সাংস্কৃতিক অনুষ্ঠান উৰ্ উৰ্ উৰ্ উৰ্ অভ্ৰভেদী উৰ্ ৰ উদ্যোগত বিশ্ব বিশ্ৰুত মহান গণশিল্পী ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্ যাপনৰ ব্যাপক প্ৰস্তুতি চলাই আছে। বৰ্ষজোৰা কাৰ্যসূচীৰে ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদ্‌যাপন উপলক্ষে গ্ৰহণ কৰিছে কেইবালানিও কাৰ্যসূচী। প্ৰথম কাৰ্যসূচী অনুসৰি অহা ৮ ছেপ্তেম্বৰ তাৰিখে বৰনগএগ্ৰা পুথিভঁৰাল প্ৰেক্ষাগৃহত বিয়লি ৩ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ বন্তি প্ৰজ্বলন আৰু ভূপেন্দ্ৰ সংগীতত নিম্ন শাখাত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাৰে জন্মশতবৰ্ষৰ কাৰ্যসূচী শুভাৰম্ভণি কৰা হ'ব। ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকী তথা আস্থাৰ দিন উদযাপন আৰু গ্ৰন্থমেলা (গ্ৰাম্য) আয়োজন। দ্বিতীয় বৰ্ষ ক্ৰীড়া আৰু শিক্ষাৰ্থী সন্মিলন। সদৌ অসম ভিত্তিত কুইজ, তৰ্ক আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা। ৮ চেপ্তেম্বৰ ২০২৬ তাৰিখে জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠান বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে উৰ্ উৰ্ উৰ্ উৰ্ অভ্ৰভেদী উৰ্ সামাজিক সাংস্কৃতিক অনুষ্ঠানে। এই ক্ষেত্ৰত ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে সভাপতি অচ্যুত প্ৰসাদ গগৈ (কাজু) আৰু সম্পাদক অনুপম গগৈয়ে।

# মুকালমুৱাত ইলোৰা বিজ্ঞান মঞ্চৰ শাখা সন্মিলন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৮ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ মুকালমুৱাত আজি ইলোৰা বিজ্ঞান মঞ্চৰ অন্তৰ্গত ২য় বৰক্ষেত্ৰী শাখা সন্মিলনখন মুকামুৱাস্থিত বৰক্ষেত্ৰী জাতীয় বিদ্যালয়ত অনুষ্ঠিত হয়। এই উপলক্ষত আয়োজিত অনুষ্ঠানটিত পুৱা ১০.৩০বজাত ইলোৰা বিজ্ঞান মঞ্চৰ পতাকা উত্তোলন কৰে শাখা সভাপতি মৰ্টুজ আলীয়ে। ইয়াৰ পিছতে ছহিদ বেদীত মাল্যদান কৰে শাখা সম্পাদক নগেন দাসে। ইয়াৰ পিছত মৰ্টুজ আলী আৰু ভুবনেশ্বৰ বৰ্মনে সভাপতি মণ্ডলীৰ আসন গ্ৰহণ কৰি সন্মিলনৰ কাৰ্যসূচী পৰিচালনা কৰে। সন্মিলনত উদ্বোধনী ভাষণ ৰাখে প্ৰগতিশীল লিখক তথা ইলোৰা বিজ্ঞান মঞ্চৰ সদস্য পৰীক্ষিত বৈশ্যই। ভাষণ প্ৰসঙ্গত বৈশ্যই কয় যে অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ পৰা মানুহক আঁতৰাই আনি বিজ্ঞান মনস্ক কৰিলেহে সমাজখনে আধুনিক ৰূপ ল'ব আৰু প্ৰগতিৰ পথত আগবাঢ়িব। অন্যথা মধ্যযুগীয় চিন্তা চৰ্চাতেই সমাজ ৰৈ থাকিব। ১৭জন সভ্যৰ উপস্থিতিত অনুষ্ঠিত সভাত সম্পাদকীয় প্ৰতিবেদন (খছৰা) উত্থাপন কৰে সম্পাদক নগেন দাসে। প্ৰতিবেদনৰ ওপৰত আলোচনা কৰি সংশোধনী আৰু সংযোজনী আনে ৬ জনকৈ সতীৰ্থই। সন্মিলনে অনাগত দিনত কাম কাজ চলাই নিয়াৰ বাবে মৰ্টুজ আলীক সভাপতি আৰু সুভাষ কাকতিক সম্পাদক হিচাবে লৈ এখন এঘাৰ জনীয়া কমিটি গঠন কৰে। লগতে সভাই অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে সভা অনুষ্ঠিত কৰি জনগনক সচেতন কৰাৰ ক্ষেত্ৰত প্ৰস্তাৱ গ্ৰহণ কৰে।

উৰিয়ামঘাটৰ সাম্প্ৰতিক পৰিস্থিতিৰ ওপৰত নাগৰিক সভা

# নগাৰ ভয়ে খেদিছে নেকি উৰিয়ামঘাটবাসী ৰাইজক ?

## আগ্ৰাসী নগাৰ ওপৰত কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে অসম চৰকাৰে ?

**অসম বাৰ্তা, ধনশিৰি, ৮ ছেপ্টেম্বৰ ঃ** আগ্ৰাসী নগাৰ ওপৰত কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে অসম চৰকাৰে? কিয় বাৰে বাৰে নতুন নতুন সমস্যা মুৰ পাতি লবলগীয়া হয় সীমান্তবাসী ৰাইজে? ৰেংমা সংৰক্ষিত বনাঞ্চল আৰু নামবৰ দক্ষিণ সংৰক্ষিত বনাঞ্চলত অসম চৰকাৰে চলোৱা উচ্ছেদ অভিযানত পূৰ্ণ সমৰ্থন আগবঢ়াইছিল উৰিয়ামঘাট সীমান্তৰ সকলো ৰাইজে। কিন্তু সেইসকল ৰাইজ কিমান সুৰক্ষিত? নগাৰ দাবী-ধমকি কিমান দিনলৈ সহ্য কৰিব লাগিব এইসকল ৰাইজে? অসম চৰকাৰে সীমান্তবাসী ৰাইজৰ সুৰক্ষাৰ স্বাৰ্থত কিবা পদক্ষেপ গ্ৰহণ কৰিবনে? ইত্যাদি নানান প্ৰশ্নই জুৰুলা কৰিছে উৰিয়ামঘাটবাসী ৰাইজক। সেয়েহে এইসমূহ সমস্যাৰ স্থায়ী সমাধান বিছাৰি দেওবাৰে এখন ৰাজহুৱা সভাত বহিল সকলো ৰাইজ। উৰিয়ামঘাট ৰাজহুৱা ভৱন প্ৰাঙ্গনত বিভিন্ন দল-সংগঠন আৰু স্থানীয় ৰাইজৰ উদ্যোগত উৰিয়ামঘাটত হৈ থকা সাম্প্ৰতিক পৰিস্থিতৰ ওপৰত এক বিশাল ৰাজহুৱা সভা অনুষ্ঠিত হল। উৰিয়ামঘাটৰ ৰেংমা আৰু নামবৰ সংৰক্ষিত বনাঞ্চল উচ্ছেদ কৰাৰ পিছত অঞ্চলটোত হোৱা সাম্প্ৰতিক পৰিস্থিতিৰ সন্দৰ্ভত সভাখনত ৰাইজৰ মাজত হয় বিতং আলোচনা। বিশেষকৈ সভাত উৰিয়ামঘাটত হৈ যোৱা উচ্ছেদ কৰা অঞ্চল সমূহ নগাই তেওঁলোকৰ বুলি দাবী কৰা, উৰিয়ামঘাটৰ বিভিন্ন সমস্যা সমূহৰ সন্দৰ্ভত আলোচনা কৰি কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। উচ্ছেদিত লোকসকলে যাতে কোনো কাৰণত পুনৰ সংস্থাপন নাপাই, উচ্ছেদ হৈ যোৱাৰ পিছতো যিসকল লোকে এতিয়াও সেই অঞ্চল ত্যাগ কৰা নাই বৰঞ্চ উৰিয়ামঘাটৰ আশেপাশে বাস কৰি আছে সেইসকল লোকক অতি শীঘ্ৰে সেই স্থানৰ পৰা আঁতৰ কৰিবলৈ অসম চৰকাৰক দাবী জনোৱাৰ লগতে অনাগত দিনত যদি নগালোকে অসমৰ মাটিত অবাঞ্ছিত মন্তব্য কৰে আৰু আগ্ৰাসী মনোভাৱ লৈ থাকে তেতিয়া নগালেণ্ডৰ বিৰুদ্ধে অৰ্থনৈতিক অৱৰোধ কৰিব বুলি বিভিন্ন গুৰুত্বমূলক প্ৰস্তাৱ গ্ৰহণেৰে সকিয়াই দিয়ে। ৰাজহুৱা সভাত ৰাইজৰ মূল প্ৰস্তাৱসমূহ হল অসম চৰকাৰে চলোৱা উচ্ছেদ কাৰ্যক সমৰ্থন জনায় নাগৰিক সভাই। উচ্ছেদ কাৰ্য চলোৱা অঞ্চল সমূহ কোনো কাৰণত অসমৰ মানচিত্ৰ পৰা হেৰাই নাযায় তাৰ ওপৰতো ব্যৱস্থা ল'বলৈ অসম চৰকাৰক অনুৰোধ জনায় ৰাজহুৱা সভাই। অনাগত দিনবোৰত যদি নগা ভাই সকলে আগ্ৰাহি মনোভাৱ গ্ৰহণ কৰি থাকে তেন্তে তেওঁলোকৰ ওপৰত অৰ্থনৈতিক অৱৰোধ গঢ়ি তোলা হ'ব বুলি কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰে। উচ্ছেদ কাৰ্য চলোৱা অঞ্চল সমূহত কোনো কাৰণত উচ্ছেদিত ব্যক্তি সকলক সংস্থাপিত লাভ কৰিব নোৱাৰে তাৰ ওপৰতো সিদ্ধান্ত গ্ৰহণ কৰা হয়। যি সমূহ গাঁৱত এতিয়াও উচ্ছেদ কাৰ্য চলোৱা নাই সেই সমূহ গাঁৱতো উচ্ছেদ কৰিবলৈ সভাই চৰকাৰক অনুৰোধ জনায়। উচ্ছেদ কাৰ্য চলোৱাৰ পিছতো এতিয়াও একাংশ পৰিয়াল বা ব্যক্তি সেই স্থান সমূহৰ পৰা যোৱা নাই তেওঁলোকক যোৱাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক দাবী জনায়। উচ্ছেদৰ পিছত সেই অঞ্চল সমূহত গছপুলি ৰূপন কৰি প্ৰাকৃতিক পৰিৱেশ গঢ়ি তুলিবলৈ সভাই চৰকাৰক অনুৰোধ জনায়। উচ্ছেদৰ সমান্তৰালভাৱে উৰিয়ামঘাট অঞ্চলত উন্নয়নৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ চৰকাৰক অনুৰোধ জনায় সভাই। উচ্ছেদৰ পিছত খিলঞ্জীয়া জাতি জনগোষ্ঠী লোক সকলে যাতে সংকামুক্ত হৈ বসবাস কৰিব পাৰে তাৰ ওপৰতো চৰকাৰক ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। এনেদৰে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰে নাগৰিক সভাখনে। সীমান্তবাসী ৰাইজৰ সুৰক্ষাৰ বাবে অতিশীঘ্ৰে উক্ত স্থানত বেটেলিয়ন কেম্প বহাবলৈ অসম চৰকাৰৰ ওচৰত দাবী জনাই। সভাত বিভিন্ন দল-সংগঠনৰ লগতে সীমান্তৰ গাওঁবুঢ়া সকল আৰু ৰাইজৰ সঁহাৰিয়ে অনাগত দিনবোৰত একেলগে কাম কৰি যাব পাৰিব বুলি আশা প্ৰকাশ কৰে। সভাখনত ৰাইজৰ ভাষ্যসমূহ মন কৰিলে তেওঁলোক যে এক গভীৰ শংকাত সেই স্থানত দিন কটাইছে সেইয়া খাটাং। এইসকল সৰ্বসাধাৰণ ৰাইজৰ কথা আৰু তেওঁলোকৰ সুৰক্ষাৰ বাবে অসম চৰকাৰে কিদৰে ব্যৱস্থা গ্ৰহণ কৰিব সেইয়া হ'ব লক্ষণীয়।

# নহিৰাত ৰাজহুৱা নন্দোৎসৱৰ প্ৰস্তুতি

**অসম বাৰ্তা, মিৰ্জা, ৮ ছেপ্টেম্বৰ ঃ** বিগত বছৰৰবোৰৰ দৰে এইবেলিও অহা ১৫ চেপ্তেম্বৰ তাৰিখ সোমবাৰে দক্ষিণ কামৰূপৰ সৰ্ববৃহৎ গাঁও নহিৰাত ৰাজহুৱা নন্দোৎসৱ দিনজোৰা কাৰ্যসূচীৰে পালন কৰা অৰ্থে ব্যাপক প্ৰস্তুতি চলা পৰিলক্ষিত হৈছে। আয়োজক সমিতিৰ সম্পাদক কৈলাস ঠাকুৰীয়াই জানিব দিয়া অনুসৰি নন্দোৎসৱৰ দিনা পুৱা ৯ বজাত প্ৰীতি মিলন ও ধৰ্মধ্বজা উত্তোলন কাৰ্যসূচী ৰূপায়ণ কৰা হব। ধ্বজা উত্তোলন কৰিব নহিৰা ৰাইজ গয়ৰহ সভাপতি প্ৰবীণ গোস্বামীয়ে। ইয়াৰ পিছতে নহিৰা ৰাইজ গয়ৰহ সম্পাদক উমেশ চন্দ্ৰ কলিতাৰ দ্বাৰা বৃক্ষৰোপণ কৰা হব। দিনৰ ১১ বজাত উলিওৱা হব এক বিশাল সাংস্কৃতিক শোভাযাত্ৰা। শোভাযাত্ৰা উদ্বোধন কৰিব নহিৰাৰ ১নং কলিতাপাৰাৰ প্ৰণৱ কলিতাই। দিনৰ ১২বাজি ৩০ মিনিটত শ্ৰীকৃষ্ণৰ মূৰ্ত্তী দাতা সাংবাদিক চক্ৰধৰ দাস ওৰফে মন সাগৰৰ বাসগৃহৰ পৰা শ্ৰীকৃষ্ণৰ মূৰ্ত্তিকা অনায়ন কাৰ্যসূচী ৰূপায়ণ কৰা হব। দিনৰ ২ বজাত আয়তীৰ নাম প্ৰসংগ আৰু ৩ বজাত সাংস্কৃতিক মঞ্চ উদ্বোধন কৰা হব। সাংস্কৃতিক মঞ্চ উদ্বোধন কৰিব যুৱ ব্যৱসায়ী তথা বিশিষ্ট সমাজকৰ্মী নয়ন মহন্তই। ইয়াৰ পিছতে শ্ৰীকৃষ্ণ গকুল গমন নাটিকা পৰিবেশন কৰা হব। নিশা ৭ বজাত কুকুৰমাৰাৰ সাগৰিকা দাসৰ নাগাৰা নাম পৰিবেশন কৰাৰ পিছত অনুষ্ঠানটোৰ সামৰণি অনুষ্ঠান ও সমিতিৰ সদস্য সকলৰ প্ৰীতি মিলন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

# খোৱাঙত যোগেন গগৈৰ সোঁৱৰণী সদৌ অসম মুকলি কুইজ প্ৰতিযোগিতা

**অসম বাৰ্তা, খোৱাং, ৮ ছেপ্টেম্বৰ ঃ** অৱসৰপ্ৰাপ্ত প্ৰয়াত প্ৰধান শিক্ষক যোগেন গগৈৰ পৱিত্ৰ স্মৃতিত আয়োজন কৰা সদৌ অসম ভিত্তিত মুকলি কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম যোৰহাট আৰু নলবাৰীৰ যুটী বিক্ৰম বৰা আৰু বিশ্বজিৎ শৰ্মাৰ। খোৱাং পিথুবৰ মহাবিদ্যালয়ত দ্বিতীয়বাৰ বাবে কালি অনুষ্ঠিত হোৱা দ্বিতীয় স্থান লাভ কৰে চৰাইদেউ আৰু ডিব্ৰুগড়ৰ যুটী ময়ূৰাক্ষ ভৰদ্বাজ আৰু বিশ্বজিৎ কছাৰী। তৃতীয়ত শিৱসাগৰ আৰু খোৱাঙৰ যুটী সাগৰ শৰ্মা আৰু চয়নিকা গগৈ। চতুৰ্থত লক্ষ্মীমপুৰ আৰু ধেমাজিৰ যুটী জিতুল কোঁচ আৰু আৰ্যকল্প ভট্টাচাৰ্য। পঞ্চমত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পূৰ্বাহ্ন বৰা আৰু আকাশ কলিতা। ষষ্ঠ স্থান লাভ কৰে গোলাঘাট আৰু ডিব্ৰুগড়ৰ যুটী চন্দোপল শইকীয়া আৰু ড° ভাস্বনজ্যোতি বুঢ়াগোহাঁই। ইফালে আন্তঃ বিদ্যালয়ৰ লিখিত কুইজ প্ৰতিযোগিতাত সোণাৰি জাতীয় বিদ্যালয়ৰ ছাত্ৰ বৰ্ণিল গগৈয়ে প্ৰথম। দ্বিতীয়তে পিথুবৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী গৌৰাংগী কোঁৱৰ আৰু ৰশ্মিৰেখা বৰা। তৃতীয় স্থান লাভ কৰে ৰাজলক্ষ্মী গগৈ খোৱাং জাতীয় বিদ্যালয়ৰ ছাত্ৰী ৰাজলক্ষ্মী গগৈয়ে। আন্তঃ বিদ্যালয়ৰ কুইজ প্ৰতিযোগিতা পৰিচালনা কৰে মৰাণ কুইজ ফ'ৰামৰ সম্পাদক ৰাজ্জাক আলী, চন্দন গগৈয়ে। মুকলি কুইজ প্ৰতিযোগিতা পৰিচালনা কৰে মৰাণ কুইজ ফ'ৰামৰ পাৰ্থ প্ৰতিম ফুকনে। সহযোগিতা আগবঢ়াই মাধুৰ্য পৱন দিহিঙীয়া, প্ৰদ্যুত কলিতাই। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ৩০টা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাৰ আৰম্ভণিতে প্ৰয়াত গগৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী অনুৰূপা বৰা শইকীয়াই। প্ৰতিযোগিতা শুভ উদ্বোধন কৰে জ্যেষ্ঠ চিকিৎসক ৰমেন কাকতিয়ে। প্ৰতিযোগিতাৰ অন্তত ধমন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰসন্ন দিহিঙীয়াৰ সভাপতিত্বত বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটিত শিক্ষক ফণী বৰগোহাঁইকে ধৰি ভালেকেইজন ব্যক্তিয়ে বক্তব্য আগবঢ়ায়।

# জগন্নাথ মন্দিৰৰ আৰ্হিত সোণালী জয়ন্তী গৰকা বশিষ্ঠ নগৰৰ পূজামণ্ডপ

**ষ্টাফ ৰিপৰ্টাৰ, বেলতলা, ৮ ছেপ্টেম্বৰ ঃ** সমগ্ৰ দেশৰ লগতে গুৱাহাটী মহানগৰীও দুৰ্গা পূজা উদযাপনৰ উদ্দেশ্যে ন ৰূপেৰে সাজু হৈছে। বশিষ্ঠ নগৰ দুৰ্গা পূজা কমিটিয়ে এই বছৰ উলহমালহেৰে সোণালী জয়ন্তী বৰ্ষ পালন কৰিবলৈ সাজু হৈছে। মহিমামণ্ডিত জগন্নাথ মন্দিৰৰ আৰ্হিত এই পূজামণ্ডপ সজাই তোলা হ'ব। মুঠ পোন্ধৰ লাখ টকাৰ বাজেটেৰে বৰ্তমান বশিষ্ঠ চাৰিআলিৰ বক্ৰাপাৰা কালিবাৰী ৰোডত পূজামণ্ডপৰ নিৰ্মাণ কাৰ্য ইতিমধ্যে আৰম্ভ হৈছে। মহাষষ্ঠীৰ দিনাৰ পৰাই ভক্তিপূৰ্ণ পৰিৱেশত দুৰ্গামাৰ পূজন কৰা হ'ব। সোণালী জয়ন্তী উপলক্ষে পূজা কমিটিয়ে মূল পথৰ লগতে উপপথসমূহো আল্পনা, পৰম্পৰাগত শিল্পকৰ্ম আৰু ৰঙীন কাৰিকৰী চমকেৰে বৃহৎ সংখ্যক ভক্তক আকৰ্ষিত কৰাৰ পৰিকল্পনা কৰিছে। এই বছৰৰ বশিষ্ঠনগৰ দুৰ্গাপূজাভাগ অতুলনীয় আৰু অবিস্মৰণীয় কৰি তোলাৰ বাবে উদ্যোক্তা কমিটি আৰু স্থানীয় ৰাইজে যৎপৰোনাস্তি পৰিশ্ৰম কৰিছে।

# সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে মৰিগাঁৱত দুই শতাধিক আবৃত্তিকাৰে গালে "মৃত্যু জিনাৰ গান"

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৮ ছেপ্টেম্বৰ ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে আজি অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ মৰিগাঁও জিলা সমিতিৰ উদ্যোগত মৰিগাঁও সদৰ বিহুতলীত দুই শতাধিক আবৃত্তিকাৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, কাব্যসিন্ধু ড° অমৰজ্যোতি চৌধুৰীৰ "মৃত্যু জিনাৰ গান" কবিতাটিৰ সমূহীয়া আবৃত্তিৰে জনতাৰ শিল্পী গৰাকীক শ্ৰদ্ধাঞ্জলি জনাই। অসমৰ ৩২খন জিলাৰ লগতে মৰিগাঁৱতো অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদে আজিৰ দিনটোত একে সময়তে দিনৰ ১১ঃ৩০ বজাত "এটা গান শেষ হ'ল" ধ্বনিৰে জনতাৰ শিল্পী গৰাকীক গভীৰ শ্ৰদ্ধাঞ্জলি জনাই। মৰিগাঁও সদৰ বিহুতলীত আয়োজন কৰা কাৰ্যসূচীৰ অংশ হিচাপে পুৱা পতাকা উত্তোলন কৰে মৰিগাঁও জিলা আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ সভাপতি ড° উৎপল নাথে। তাৰ পিছতেই মতিৰাম বৰা উদ্যানস্থিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ পূৰ্ণাংগ প্ৰতিমূৰ্তিত মাল্যৰ্পন কৰে বিশিষ্ট শিল্পী মুংচা নোমল চন্দ্ৰ বৰদলৈয়ে। বন্তি প্ৰজ্বলন কৰে মৰিগাঁও জিলা আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ মুখ্য উপদেষ্টা পিনাকী ভূষণ মহন্তই। শ্ৰদ্ধাঞ্জলি জনাই সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি প্ৰতাপ হাজৰিকা, মৰিগাঁও সাংবাদিক সন্থাৰ সভাপতি অজিত শৰ্মা, মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ উপাধ্যক্ষ কবিতা মেধি, ক্ৰীড়া সংগঠক মনোজ নাথ, ৰাজ্যিক মুখপাত্ৰ মৌচুমী ভট্টাচাৰ্য আৰু যুৱ মঞ্চ নতুনৰ জ্যোতি ৰাজ্যিক আহ্বায়ক জুহিতা কলিতা ডেকাই। ইয়াৰ পিছতে সদৰ বিহুতলীত জিলাখনৰ মুখ্য প্ৰশিক্ষক নৱ কুমাৰ ডেকাৰ পৰিচালনাত দুই শতাধিক আবৃত্তিকাৰে মৰিগাঁও সমাজ সাহিত্য আৰু সংস্কৃতি জগতৰ বৰেণ্য ব্যক্তি সকলৰ উপস্থিতিত সমস্বৰে মৃত্যু জিনাৰ গান শীৰ্ষক কবিতাটিৰ আবৃত্তি কৰি কাৰ্যসূচীৰ অনন্য মাত্ৰা প্ৰদান কৰে। সমূহীয়া আবৃত্তিৰ অনুষ্ঠান টি উদ্বোধন কৰে বিশিষ্ট কবি তথা মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হৰেন্দ্ৰ বৰাই। সভাপতি ড° উৎপল নাথৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু আদৰনি অনুষ্ঠানৰ আঁত ধৰে জিলা সমিতিৰ সম্পাদক নজৰুল ইছলামে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ ৰাখে ৰাজ্যিক মুখপাত্ৰ মৌচুমী ভট্টাচাৰ্যই। আজিৰ মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধা জনাই আৰু আবৃত্তি পৰিষদৰ প্ৰচেষ্টাৰ শলাগ জনাই বক্তব্য আগবঢ়াই যুৱ মঞ্চ নতুনৰ জ্যোতিৰ আহ্বায়ক জুহিতা কলিতা, মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, জিলাৰ অতিৰিক্ত আয়ুক্ত অনসুয়া শৰ্মা, মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি হৰমোহন কলিতা, মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক অশোক ডেকা, বৰ্তমানৰ সম্পাদক কুশল বৰা, মৰিগাঁও জিলা কবি সন্মিলনৰ সভাপতি অনিৰুদ্ধ ডেকা, শংকৰদেৱ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক বাবুল বৰা, মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বুবুমনি গোস্বামী, লোক সংস্কৃতিৰ গৱেষক লোকেন্দ্ৰ হাজৰিকা, মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ সভাপতি বিৰিঞ্চি শৰ্মা, মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত কলিতা, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মিহিৰ হাজৰীকা, মায়ং শাখা সাহিত্য সভাৰ সভাপতি মুকুত বিষয়া, শিল্পী ভদ্ৰেশ্বৰ ডেকা, আন্তৰ্জাতিক বহুভাষিক কবি ৰাজুমনি শইকীয়া, লেখক প্ৰদীপ পৰাশৰ, কবি আল আমান, জগদীশ নাথ, ৰিতুমনি মহন্ত, অৱসৰপ্ৰাপ্ত সেনা বিষয়া দিলীপ নাথ প্ৰমুখ্যে জিলা খনৰ যথেষ্ট সংখ্যক বিশিষ্ট নাগৰিকে সমূহীয়া আবৃত্তিৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

# চেঙাত চৰকাৰী চিকিৎসালয় অস্থায়ী স্বাস্থ্য-কৰ্মীৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত প্ৰতিবাদ

**অসম বাৰ্তা, শিমলীতোলা, ৮ ছেপ্টেম্বৰ ঃ** সদৌ অসম চৰকাৰী চিকিৎসালয় অস্থায়ী স্বাস্থ্য কৰ্মী সকলে গুৱাহাটী স্বচলত অনিৰ্দিষ্টকালিন ধৰ্ণা কাৰ্য্যসূচী ৰূপায়ণ কৰি থকাৰ সময়তে আজি বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বাঘমাৰা চৰ নৈ পৰীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চৰাঞ্চলত কৰ্মৰত অস্থায়ী স্বাস্থ্য কৰ্মী সকলে কলা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰে। গোটেই অসমত প্ৰায় ৪২৬৪জন অস্থায়ী স্বাস্থ্য কৰ্মচাৰী সকলে বিগত বহু বছৰ ধৰি দিন-ৰাতি সমান কৰি চৰকাৰী চিকিৎসালয়সমূহত নিজ নিজ দায়িত্ব পালন কৰি আহিছে যদিও এই কৰ্মীসকলে বিগত দিনত তেওঁলোকৰ কৰ্ম সংস্থাপন আৰু উচিত দৰমহা দিয়াৰ বাবে চৰকাৰে আজি পৰ্যন্ত কোনো ব্যৱস্থা নোলোৱাৰ অভিযোগ উত্থাপন কৰিছে। যাৰ ফলত যোৱা ৩ চেপ্তেম্বৰৰ পৰা গুৱাহাটী স্বচলত অসমৰ প্ৰতিখন জিলাই মিলি অনিৰ্দিষ্টকালিন ধৰ্ণা কাৰ্য্যসূচী পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইফালে যোৱা ২ জুলাই, ২০২৪ চনত স্বাস্থ্য বিভাগৰ তৰফৰ পৰা (Fix Pay) দিয়াৰ বাবে যি যাৱতীয় ব্যৱস্থা কৰাব বাবে অসম চৰকাৰক পঠিয়াইছিল সেয়া আজিও সম্পৰ্ণ ন'হল। লগতে প্ৰতি বছৰে গুৱাহাটী স্বাস্থ্য সঞ্চালকৰ কাৰ্য্যালয়ৰ পৰা অস্থায়ী স্বাস্থ্য কৰ্মচাৰীসকলৰ নথি পত্ৰ সংগ্ৰহ কৰে যদিও বৰ্তমানলৈ অস্থায়ী চিকিৎসা কৰ্মীসকলক দৰমহা কিমান দিব আৰু কেতিয়া দিব অসম চৰকাৰে কোনো ধৰণৰ সঠিক সিদ্ধান্ত লোৱা পৰিলক্ষিত নহয়। বুলি ভুক্তভোগী কৰ্মীসকলে অভিযোগ উত্থাপন কৰে। যাৰ ফলত অস্থায়ী স্বাস্থ্য কৰ্মীসকলে নিজৰ প্ৰাপ্য অধিকাৰ ৰক্ষাৰ কাৰণে সকলো ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰা দেখা যায়। অস্থায়ী স্বাস্থ্য কৰ্মীসকলে অতি সোনকালে সমস্যাসমূহ সমাধান কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী, স্বাস্থ্য মন্ত্ৰীৰ লগতে বিভাগীয় উৰ্ধতম কৰ্তৃপক্ষক কাতৰ আহ্বান জনাইছে।

# মেৰাপানী বৰডুবি পুৰণা নামঘৰত শ্ৰীশ্ৰী অখণ্ড ভাগৱতৰ ৰাজহুৱা সভা

**অসম বাৰ্তা, মেৰাপানী, ৮ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ মেৰাপানী পুৰণা নামঘৰত শ্ৰীশ্ৰী অখণ্ড ভাগৱত পাঠৰ সম্পৰ্কত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে বৰডুবি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ভদ্ৰেশ্বৰ বৰাই। দীন গগৈয়ে আঁত ধৰা সভাখনিত ভেলৌগুৰী, ন- নম্বৰ, চলংপথাৰ, আঠগাওঁ, মধ্য আমগুৰিচুক বৰডুবি, নৱগ্ৰাম আদি নামঘৰ সমূহৰ প্ৰায় এক শতাধিক ভক্তপ্ৰাণ ৰাইজ মেৰাপানী বৰডুবি পুৰণা নামঘৰত সমবেত হৈ আগন্তুক ফাগুন মাহৰ শেষৰফালে বৰডুবি পুৰণা নামঘৰ আৰু স্থানীয় খেলসমূহৰ সহযোগত দৈয়াং আঞ্চলিক ভিত্তিত অখণ্ড ভাগৱত পাঠৰ আয়োজনৰ সিদ্ধান্ত গ্ৰহণ কৰি ভদ্ৰেশ্বৰ বৰাক সভাপতি, মুনিন্দ্ৰ শইকীয়াৰ কাৰ্যকৰী, ভৰত দুৱৰাক আৰু দিলিপ কলিতাক উপ-সভাপতি, দীন গগৈ, চন্দ্ৰ বৰাক সম্পাদক, ৰত্নেশ্বৰ বৰা আৰু ডিম্বেশ্বৰ গগৈক ধন ভৰাঁলী হিচাপে লৈ অখণ্ড ভাগৱত পাঠ বাবে এখন আদৰণি সমিতি গঠন কৰা হয়। সভাত দৈয়াং গাঁওবুঢ়া সন্থাৰ সভাপতি মুনিন্দ্ৰ শইকীয়া, সমাজকৰ্মী ভৰত দুৱৰা, মেৰাপানী টাউন হাইস্কুলৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী দিলিপ কলিতা, নামাৰ্চাৰ্য্য গুনাৰাম গগৈ, তৰুণ গগৈ, স্কুল বৰা, দুৰ্লেশ্বৰ ফুকন, উপেন ঠেঙাল, আদি লগতে পাপু শৰ্মা, অনিল বৰা আদি গণ্যমান্য লোক সকলে অখণ্ড ভাগৱত পাঠৰ সম্পৰ্কত তত্ত্ব গধুৰ বক্তব্য দাঙি ধৰে।

## সম্পাদকীয়

### বেদখল সমস্যাৰ মূল সমাধান নহ'লে অসমৰ ভূমি ৰক্ষা হ'বনে?

অসমৰ বনাঞ্চল আৰু চৰকাৰী ভূমি বেদখলৰ সমস্যা এটা ডাঙৰ ৰূপ ধাৰণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই স্বীকাৰ কৰাৰ দৰে, এই সমস্যাৰ সমাধান কৰিবলৈ এটা মানৱ জীৱনকালো যথেষ্ট নহ'ব পাৰে। কেন্দ্ৰীয় বন মন্ত্ৰণালয়ৰ তথ্য অনুসৰি, বনাঞ্চল বেদখলৰ হাৰত অসমে গোটেই দেশৰ ভিতৰত দ্বিতীয় স্থান দখল কৰি আছে। প্ৰায় ৩৬২০ বৰ্গ কিলোমিটাৰ বনভূমি বেদখলকাৰীৰ দখলত থকা এই তথ্যই ৰাজ্যৰ বন আৱৰণৰ বিৱৰণী কেইবাটাও উদ্বেগজনক প্ৰশ্নৰ সন্মুখীন কৰিছে। চৰকাৰে ইতিমধ্যে ব্যাপক উচ্ছেদ অভিযান আৰম্ভ কৰি উল্লেখযোগ্য পৰিমাণে ভূমি উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। ২০২১ চনৰ পৰা এতিয়ালৈকে প্ৰায় ৪২, ০০০ একৰ ভূমি বেদখলমুক্ত কৰা হৈছে, যাৰ ফলত লাওখোৱাৰ দৰে অভয়াৰণ্যত বন্যপ্ৰাণীসকল ঘূৰি অহাৰ আশাও জাগ্ৰত হৈছে। কিন্তু মুখ্যমন্ত্ৰীৰেই উল্লেখ অনুসৰি, এতিয়াও প্ৰায় ২৫.৫ লাখ হে'ৰ ভূমি বেদখলদাৰীৰ কবলত আছে। ইয়াৰ অৰ্থ হ'ল, বৰ্তমানৰ গতিত কাম কৰি থাকিলে এই সমস্যাৰ স্থায়ী সমাধানলৈ যোৱাত বহু দশক পাৰ হ'ব। প্ৰশ্ন হ'ল, এই সমস্যাৰ গুৰি ক'ত? সাধাৰণ খেতিয়ক বা নিজা লোকৰ পৰা আৰম্ভ কৰি ৰাজনৈতিকভাৱে প্ৰভাৱশালী ব্যক্তি আৰু প্ৰশাসনিক বিষয়া আটাইৰে নাম ইয়াৰ সৈতে জড়িত বুলি অভিযোগ ওলাই থাকে। সাধাৰণ মানুহক উচ্ছেদ কৰাৰ সময়ত এই শক্তিশালী দখলদাৰীসকলৰ বিৰুদ্ধে একেখিনি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব নে? এয়া ৰাইজৰ মনত থকা প্ৰধান প্ৰশ্ন। উচ্ছেদকাৰীসকলৰ বিৰুদ্ধে কেৱল শক্তি প্ৰয়োগেই যথেষ্ট নহয়, বেদখলৰ প্ৰকৃত উদগতিদাতাসকলক চিনাক্ত কৰি কঠোৰ শাস্তিৰ ব্যৱস্থা নহ'লে এই অভিযান কেৱল চকুত ধৰা কাৰ্য্যকলাপ হৈয়েই থাকিব। আনহাতে, বনভূমি হ্ৰাস পোৱাৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে মানুহ আৰু বন্যপ্ৰাণীৰ মাজৰ সংঘাতত। বিগত পাঁচ বছৰত হাতীৰ আক্ৰমণত ৩৮৩জন মানুহৰ মৃত্যু হোৱাটোৱে এই সংঘাত কিমান ভয়াৱহ হৈ পৰিছে, সেয়া স্পষ্ট কৰে। উল্লেখযোগ্য যে, বনভূমি কমি অহাৰ বিপৰীতে কেৰালা আদি ৰাজ্যত ই বৃদ্ধি পাইছে। গতিকে, অসমত বনবিনাশৰ বাবে দায়ী কেৱল প্ৰাকৃতিক নহয়, বৰং মানৱসৃষ্ট কাৰকবোৰহে মুখ্য। সেয়েহে, ৰাইজৰ প্ৰশ্ন সমাধানহীন হৈ ৰৈছে: উচ্ছেদ অভিযান বেদখল সমস্যাৰ স্থায়ী সমাধান নে? ভূমি ৰেকৰ্ড আধুনিকীকৰণ, দৰিদ্ৰসকলক বিকল্প বসতিৰ ব্যৱস্থা, দুৰ্নীতি দমন আৰু ৰাজনৈতিক ইচ্ছাৰ সহিত প্ৰশাসনিক সক্ৰিয়তা নোহোৱাকৈ এই সমস্যাৰ পুনৰাবৃত্তি হ'বই। বৰ্তমান চৰকাৰে আগবঢ়োৱা পদক্ষেপসমূহ স্বাগতম, কিন্তু ইয়াৰ সমাধান হ'বলৈ হ'লে সমস্যাটোৰ মূৰত থকা কাৰকবোৰ চিনাক্ত কৰি তাৰ মুলোৎপাটন কৰিবলৈ হ'ব। নতুবা, অসমৰ সেউজীয়া সম্পদ ৰক্ষা কৰাৰ সলনি আমি কেৱল সংখ্যাৰ খেলাহে খেলি থাকিম।

*জন্ম শতবৰ্ষত আজি বহুতেই লিখিব তেখেতৰ অনন্ত প্ৰতিভা আৰু কৰ্ম ৰাজিৰ বিষয়ে। বাৰে বাৰে লিখিব। অতীততো লিখিছিল, বৰ্তমানেও লিখিছে! ভবিষ্যতেও লিখিব তেখেতৰ কথা। কিন্তু বাৰে বাৰে সলনি হ'ব, তেখেতৰ কথা- যিদৰে সলনি হয় সংস্কৃতি, যিদৰে সলনি হয় সভ্যতা, সেইদৰে সলনি হ' ব তেখেতৰ কথাবোৰ। কৰ'বাত কিছুমান কথা ৰৈ যাব, কৰ'বাত নতুন কথা সংযোজিত হ'ব। কিন্তু তাৰ মাজতেই ৰৈ যাব ভূপেন দাৰ সৃষ্টিবোৰ অমৰ হৈ। সেইবোৰ প্ৰতিজন অসমীয়াৰ হৃদয়ত লিপিবদ্ধ হৈ ৰ'ব।*

# চৰকাৰী বিদ্যালয় আৰু দৃষ্টিভংগী

**কমলেশ কাঞ্চন**

সাম্প্ৰতিক অসমৰ এটি অতি চৰ্চিত বিষয় হৈছে চৰকাৰী বিদ্যালয় বন্ধ। বছৰে বছৰে শ শ বিদ্যালয় এতিয়া বন্ধ হ'বলৈ লৈছে। জনসাধাৰণে প্ৰতিবাদ কৰিছে যদিও কোনো ফল ধৰা নাই। শিক্ষা বিভাগৰ অৰ্হতা সমূহ পূৰণ কৰিব নোৱাৰা বিদ্যালয় সমূহ এতিয়া চৰকাৰে বন্ধ কৰি দিছে। তদুপৰি যোৱা ২০১৭ বৰ্ষৰ পৰা অনুষ্ঠিত হৈ অহা গুণোৎসৱৰ জৰিয়তে এতিয়া সকলো তথ্য চৰকাৰৰ হাতত মজুত আছে। প্ৰায় এমাহ আগতে অসমৰ মুখ্যমন্ত্ৰীয়ে BTR ৰ এখন নিৰ্বাচনী সভাত কোৱাটোই যদি সত্য হয় আৰু ১০ বছৰৰ পিছত অসমত চৰকাৰী প্ৰাথমিক বিদ্যালয় নাথাকিব। কিন্তু কিয় আজি চৰকাৰী বিদ্যালয়ৰ এই অৱস্থা? চৰকাৰ আৰু জনসাধাৰণৰ মাজত ক'ৰবাত আত্মসমীক্ষা কৰাৰ প্ৰয়োজন আছে নেকি? বিষয়টো গুৰুত্ব সহকাৰে আলোচনা কৰাৰ সময় সমাগত। এনেকৈ প্ৰত্যেক বছৰে যদি বিদ্যালয় বন্ধ হৈ গৈ থাকে মুখ্যমন্ত্ৰীয়ে কোৱা ১০ বছৰৰ আগতে চৰকাৰী খণ্ডৰ প্ৰাথমিক বিদ্যালয়ৰ ছবিখন স্পষ্ট হ'ব।



স্বাধীনতাৰ পিছৰে পৰা ভাৰতবৰ্ষৰ শিক্ষাৰ ক্ষেত্ৰত চৰকাৰী শিক্ষা অনুষ্ঠান সমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বৰ্তমান ভাৰতৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীৰ পৰা আদি কৰি আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰীও চৰকাৰী শিক্ষা খণ্ডৰ পৰা অহা। চৰকাৰী শিক্ষা খণ্ডক আগুৱাই লৈ যোৱাৰ বাবে বিভিন্ন সময়ত "ৰাষ্ট্ৰীয় শিক্ষা নীতি" কাৰ্যকৰী কৰিছে। সময়ৰ সৈতে খোজ মিলাই আগবাঢ়ি যোৱাৰ স্বাৰ্থত শিক্ষা নীতিৰ লগতে আন্তঃগাঁথনিৰ দিশটো চৰকাৰে মনোনিবেশ কৰিছে। এতিয়া চৰকাৰী বিদ্যালয় সমূহ চালে চকু ৰোৱা। কিন্তু দুখ লাগে বিদ্যালয়ৰ আভ্যন্তৰীণ পৰিৱেশৰ কথা ভাবি। চৰকাৰী বিদ্যালয়ৰ উন্নত মানৰ গৃহৰ ব্যৱস্থা, বিনামূলীয়া ঐক্য পোছাক, মধ্যাহ্ন ভোজন, বিনামূলীয়া কিতাপ -বহী আদিও অভিভাৱক- অভিভাৱিকা সকলক আকৰ্ষিত কৰিব পৰা নাই। দিনক- দিনে বাঢ়িছে "ড্ৰপ আউট" শিক্ষাৰ্থী। "ড্ৰপ আউট" শিক্ষাৰ্থী সকলক চৰকাৰে পুনৰ ঘূৰাই আনিবলৈ ব্যৱস্থা কৰিছে যদিও আশা কৰা ধৰণে সফল হোৱা নাই।

বৰ্তমান চৰকাৰী বিদ্যালয় সমূহৰ এক প্ৰধান সমস্যা হৈছে শিক্ষকৰ সমস্যা। প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ দেৱৰ তৃতীয়টো কাৰ্যকালত অসমত প্ৰথম বাৰৰ বাবে "শিক্ষকৰ যোগ্যতা নিৰূপণ" চমুকৈ TET নামেৰে প্ৰতিযোগিতা মূলক পৰীক্ষা অনুষ্ঠিত কৰি হাজাৰ হাজাৰ শিক্ষক নিযুক্তি দিছিল। ২০১২ চনৰ সেই নিযুক্তিৰ সময়ত শিক্ষামন্ত্ৰী আছিল আজিৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। দুৰ্গম অঞ্চলত থকা নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয় সমূহত দূৰ- দূৰণিৰ পৰা গৈ শিক্ষক - শিক্ষয়িত্ৰী উপস্থিত হৈছিল। শিক্ষক - শিক্ষয়িত্ৰী সমূহক ৫ বছৰৰ বাবে ঠিকাভিত্তিক হিচাপে (পিছলৈ অৱসৰ পৰ্যন্ত) নিযুক্তি দিয়া হৈছিল যদিও যেতিয়া টেট উত্তীৰ্ণ শিক্ষক সকলক নিয়মীয়া নিযুক্তি দিয়ে কিছু সংখ্যকে পুনৰ আঁতৰি আহে। ২০১৩ চনত TET উত্তীৰ্ণ সকলক প্ৰথম বাৰৰ বাবে নিয়মীয়া নিযুক্তি দিয়া হয়। তাৰ পিছত পুনৰ অসম চৰকাৰৰ শিক্ষা বিভাগে সময়ে সময়ে ঠিকাভিত্তিক - নিয়মীয়া এইধৰণৰ শিক্ষক নিযুক্তি দিয়া আৰম্ভ কৰে। "ষ্টেট পুল" নামেৰে পুনৰ এক প্ৰকাৰৰ শিক্ষক সৃষ্টি কৰে। ২০২১ চনত বিদ্যালয় প্ৰাদেশীকৰণৰ জৰিয়তে বহু শিক্ষকক "টিউটৰ শিক্ষক" হিচাপে নিযুক্তি দিয়ে। এইদৰে বিভিন্ন প্ৰকাৰৰ শিক্ষক চৰকাৰৰ প্ৰাথমিক বিদ্যালয় সমূহত এতিয়াও কৰ্মৰত হৈ আছে।

শিক্ষকৰ নাম যিয়ে নহওক কাম কিন্তু সকলোৰে একে। সকলোৰে শ্ৰেণী কোঠাত গৈ পাঠদান কৰিব লাগে। হাজাৰ হাজাৰ শিক্ষক নিযুক্তি দিছে যদিও এতিয়াও কিন্তু শিক্ষকৰ সমস্যা কমা নাই। ভালদৰে পৰ্যবেক্ষণ কৰিলে সমস্যা বৃদ্ধি হোৱা যেনহে অনুমান হয়। বহুতেই ক'ব খোজে যে একেখিনি শিক্ষককে বাৰে বাৰে নিযুক্তি দিয়াৰ বাবে শিক্ষকৰ সমস্যা শেষ হোৱা নাই। কেতিয়াবা যদি phase-1, কেতিয়াবা আকৌ phase-2, কেতিয়াবা ঠিকাভিত্তিক কেতিয়াবা আকৌ নিয়মীয়া, কেতিয়াবা আকৌ একেখিনি শিক্ষককে নিম্ন- উচ্চ প্ৰাথমিকৰ পৰা উচ্চ মাধ্যমিক বা উচ্চতৰ মাধ্যমিক লৈ নিযুক্তি দিয়াৰ বাবে চৰকাৰী বিদ্যালয়ত joining কৰি পুনৰ আঁতৰি গৈছে। ৫০ শতাংশ নতুন শিক্ষক আহিছে যদিও ৫০ শতাংশ পুৰণি কৰ্তব্যৰত টেট উত্তীৰ্ণ শিক্ষককেই ইফাল- সিফাল হৈ আছে। সময়মতে "ৰেশ্যনালাইজ" হৈ উঠা নাই; ফলস্বৰূপে কিছুমান বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক বেছি আছে আৰু কিছুমানত একেবাৰে কম। আনহাতে বহু বিদ্যালয়ত বিষয় শিক্ষক নাই। বিদ্যালয়ৰ প্ৰধান শিক্ষকে বাৰে বাৰে শিক্ষকৰ বাবে আবেদন কৰিছে যদিও পাবলৈ সক্ষম হোৱা নাই। শিক্ষকৰ অভাৱৰ বাবে বহু অভিভাৱকে চৰকাৰী বিদ্যালয়ৰ পৰিৱৰ্তে বিকল্প ব্যৱস্থাৰ সন্ধান কৰিছে।

এতিয়া চৰকাৰী বিদ্যালয় বন্ধ হোৱাৰ প্ৰধান কাৰণ হৈছে ছাত্ৰ-ছাত্ৰীৰ অভাৱ। অসমীয়া ভাষী বা জনজাতি অঞ্চলৰ গাঁও সমূহত এতিয়া ল'ৰা - ছোৱালীৰ সংখ্যা একেবাৰে কম। ঘৰে প্ৰতি ১- ২ টা সন্তান। অপ্ৰিয় হ'লেও সঁচা কথা এতিয়া চৰ অঞ্চলৰ সংখ্যালঘু মুছলমান লোক সকলৰ মাজতহে ল'ৰা - ছোৱালীৰ হাৰ বেছি। অৱশ্যে এতিয়া তেওঁলোকেও জন্ম নিয়ন্ত্ৰনৰ বাবে প্ৰচেষ্টা হাতত লৈছে আৰু বহু ক্ষেত্ৰত সফল হৈছে। বহুতৰে এতিয়া ২ টাকৈ সন্তান। ল'ৰা - ছোৱালীৰ সংখ্যা যিদৰে কমি গৈছে ঠিক সেইদৰে কিন্তু বিদ্যালয় কমা নাই। এতিয়া কাঠফুলাৰ দৰে গঢ়ি উঠিছে ব্যক্তিগত খণ্ডৰ বিদ্যালয়। কম দূৰত্বৰ ভিতৰতে জাতীয় বিদ্যালয়, শংকৰদেৱ শিশু নিকেতন, বিভিন্ন নামেৰে ইংৰাজী মাধ্যমৰ বিদ্যালয় আদি গঢ় লৈ উঠিছে। অৱশ্যে বহু নিবনুৱাই কম দৰমহাত কৰ্ম সংস্থাপন লাভ কৰিবলৈ সক্ষম হৈছে। ব্যক্তিগত খণ্ডৰ বিদ্যালয় যিহেতু ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ ওপৰত বহুখিনি নিৰ্ভৰশীল; সেয়েহে তেওঁলোকৰ মালিকপক্ষই অভিভাৱক সকলক আকৰ্ষিত কৰাৰ চেষ্টা কৰে। এইক্ষেত্ৰত তেওঁলোকক সফল হোৱা বুলি ক'ব পাৰি। এটা অঞ্চলতে যদি ওচৰা-ওচৰিকৈ বহু কেইখন ব্যক্তিগত খণ্ডৰ বিদ্যালয় গঢ় লৈ উঠে তেতিয়া হ'লে চৰকাৰী বিদ্যালয়ত কি অৱস্থা হ'ব পাৰে সেয়া সহজে অনুমেয়। চৰকাৰে স্বাস্থ্য বিভাগৰ জন্ম নিয়ন্ত্ৰনৰ আঁচনি সফল হোৱা বুলি দাবী কৰিব পাৰে।

বৰ্তমান চৰকাৰী শিক্ষা ব্যৱস্থাটোলৈ বহুতো প্ৰত্যাহ্বান আহিছে। এই প্ৰত্যাহ্বান এক দিনতে গঢ় লৈ উঠা নাই। এনেকুৱা নহয় যে চৰকাৰী পাঠ্যক্ৰম আকৰ্ষনহীন। বৰ্তমান চৰকাৰী বিদ্যালয়ৰ পাঠ্যক্ৰম পূৰ্বতকৈ বহু আকৰ্ষনীয়। কম শিক্ষক থকা বিদ্যালয়ত একে সময়তে কেনেকৈ এটাতকৈ বেছি শ্ৰেণীত পাঠদান কৰিব পাৰি এই বিষয়ে প্ৰশিক্ষণ দিয়া হয় যদিও কথাবোৰ কোৱাৰ দৰে ইমানো সহজ নহয়। আনহাতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত শ্ৰেণীয়ে প্ৰতি শিক্ষক থাকে; বাহ্যিক দিশটো আকৰ্ষনীয়। গতিকে শ্ৰেণীয়ে প্ৰতি চৰকাৰে শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিলে নিশ্চয় চৰকাৰী খণ্ডৰ বিদ্যালয় সমূহ প্ৰাণ পায় উঠিব। ব্যক্তিগত খণ্ডৰ বিদ্যালয় স্থাপন কৰাৰ সময়ত চৰকাৰে নজৰ দিয়াৰ প্ৰয়োজন। শিক্ষকক পাঠদানৰ বাহিৰে অন্য কামত কমকৈ নিয়োগ কৰা উচিত। চৰকাৰী খণ্ডৰ বিদ্যালয় সমূহ জীয়াই ৰাখিব নোৱাৰিলে এসময়ত সাধাৰণ শ্ৰেণীৰ লোকে শিক্ষা গ্ৰহণত সমস্যা হ'ব। দেশত বাঢ়ি যাব নিবনুৱাৰ সংখ্যা। দেশৰ নিয়োগৰ ক্ষেত্ৰত শিক্ষা বিভাগে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সেয়েহে চৰকাৰে ৰাইজৰ হিতাৰ্থে সিদ্ধান্ত গ্ৰহণ কৰিব বুলি আশা কৰিলোঁ।



# সেৱাৰে আমাৰ জীৱনটো সমৃদ্ধ কৰোঁ আহক

**ৰঞ্জিত শইকীয়া**

আমাৰ জীৱনত সেৱাৰ মূল্য অপৰিসীম। সেৱাই মানৱ জীৱনৰ সাৰ্থকতা নিৰ্ণয় কৰে। সেৱা বহুধাবিভক্ত। অৰ্থাৎ সেৱাই আমাৰ জীৱনৰ বিভিন্ন দিশ সাঙুৰি লয়। যেনে পিতৃ-মাতৃৰ সেৱা-শুশ্ৰূষা, ঈশ্বৰলৈ সেৱা আৰু ভক্তি, নিয়োজিত দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সেৱা, দুখীয়া-দৰিদ্ৰজনৰ প্ৰতি সেৱা, সমাজৰ প্ৰতি সেৱা, মাতৃভাষাৰ প্ৰতি সেৱা, জাতীয় জীৱনলৈ সেৱা, প্ৰকৃতি তথা প্ৰাকৃতিক পৰিৱেশলৈ সেৱা ,মানৱীয় আন্দোলনলৈ সেৱা ,ৰাষ্ট্ৰীয় প্ৰেক্ষাপটলৈ সেৱা, আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰলৈ সেৱা ইত্যাদি। এইদৰে সেৱাৰ মাধ্যমেৰে আমি আমাৰ জীৱনটো সমৃদ্ধ কৰিব পাৰোঁ, সাৰ্থক কৰিব পাৰোঁ। এক কথাত যথাৰ্থ জীৱনৰ অন্য নামেই সেৱা। এই সেৱাৰ প্ৰৱণতা হ'ব লাগিব নিস্বাৰ্থ আৰু আত্মিক। প্ৰচাৰ প্ৰয়াসী প্ৰৱণতা কিন্তু সেৱাৰ সাগৰৰ পৰা আতঁৰত। প্ৰচাৰৰ অভিপ্ৰায়েৰে কৰা কৰ্মসমূহে হয়তো সাময়িক সুখ দিব পাৰে। কিন্তু এটা সময়ত ই দুখ আৰু হতাশাৰ কাৰক হৈ পৰিব। ইয়াৰ পৰিৱৰ্তে নিস্বাৰ্থ সেৱাই আমাৰ হৃদয় পুলকিত কৰে। অন্তৰাত্মাত এক অপৰিসীম প্ৰশান্তিৰ সৃষ্টি কৰে। জীৱনৰ মূল্যায়ন হয় এই নিভাঁজ নিবিড় সেৱাৰ জৰিয়তেই। আমি কি পদত অধিষ্ঠিত হৈ আছোঁ সেইয়া তেনেই গৌণ কথা। আমি আমাৰ দ্বাৰা নিকটৱৰ্তী সমাজখনলৈ , গাঁৱখনলৈ , অঞ্চলটোলৈ, জিলাখনলৈ তথা জাতিটোৰ বিভিন্ন ক্ষেত্ৰলৈ তৃণমূল পৰ্যায়ৰ পৰা কেনেদৰে সেৱা আগবঢ়াব পাৰিছোঁ সেইয়াহে মূল কথা। সম্প্ৰতি শিক্ষিত, উচ্চ ডিগ্ৰীধাৰী, চৰকাৰীভাৱে উচ্চ আসনৰ গৰাকী সমাজত অলেখ। কিন্তু সমাজখনৰ সংস্কাৰৰ বাবে, প্ৰকৃতাৰ্থত তৃণমূল পৰ্যায়ত উন্নয়নৰ বাবে আত্মোৎসৰ্গা কৰা ব্যক্তিৰ সংখ্যা তেনেই দুখলগাকৈ নগণ্য। এইয়া আমাৰ সমাজখনৰ বাবে এটা অতি ডাঙৰ প্ৰত্যাহ্বান। যি একাংশ লোক এনে নিস্বাৰ্থভাৱে কিবা এটা কৰিবলৈ ওলাই আহে তেওঁলোকক আকৌ অনেকে অযথা সমালোচনা আৰু নেতিবাচক বক্তব্যৰে হতাশ কৰিবলৈ প্ৰস্তুত হৈ থাকে। অৱশ্যে নিস্বাৰ্থ আৰু সাহসী ব্যক্তিয়ে এনে সমালোচনাৰ সাহসেৰে সন্মুখীন হৈ স্বকীয় সত্তা আৰু শৈলীৰে দহজনৰ বাবে কিবা এটা কৰাৰ নিদৰ্শন ডাঙি ধৰিবলৈ সক্ষম হয় আৰু এনে সীমিত সংখ্যক ব্যক্তিয়েই সমাজখনৰ ইতিহাসত স্মৰণীয় হৈ ৰয়। জীৱনকালত উপযুক্ত সন্মান নাপালেওঁ মৃত্যুৰ পাছত তেনে ব্যক্তিসত্তাৰ অভাৱ অনুভৱ কৰা হয়। সেৱা এনেধৰণৰে হোৱা উচিত। সেৱাই ব্যক্তি এগৰাকীক অন্তৰাত্মাৰ পৰা সুখী কৰি তোলে। বাহ্যিকভাৱে পোৱা সাময়িক সুখে এই আত্মিক সুখক স্পৰ্শ কৰিব নোৱাৰে। উদাহৰণস্বৰূপে আমি আৰ্থিকভাৱে দুৰ্বল ব্যক্তি এগৰাকীক সামান্য সহায় কৰি অথবা কোনোবা এটা সামাজিক-সাংস্কৃতিক কাৰ্যসূচীত অতি নিষ্ঠাৰে সামান্যভাৱে হ'লেও সেৱা আগবঢ়াই অথবা স্থানীয় শিশুসকলৰ উৎকৰ্ষ সাধনৰ বাবে কোনো সময়োপযোগী কাৰ্যসূচী ৰূপায়িত কৰি, অথবা পদূলিত সমৱেত হোৱা গঞা হুঁচৰি যোৱাৰ সন্মুখত সেৱা লৈ অথবা নামঘৰত সভক্তিৰে সেৱা ভাগ লৈ যি আত্মিক সুখ অনুভৱ কৰোঁ সেই সুখ কোনো পৃথক কৰ্মই প্ৰদান কৰিব নোৱাৰে। সেইদৰে আমাৰ জাতিটোৰ বাবে নিৰলসভাৱে নিস্বাৰ্থকৈ আগবঢ়োৱা সেৱাত আছে অনাবিল সুখৰ আধাৰ। এনে নিস্বাৰ্থ সেৱাৰ পৰা আৰ্জিত নিবিড় সুখবোৰৰ পৰা আমি বাৰু নিলগত আছোঁ নেকি? আমি এইক্ষেত্ৰত নিশ্চয়কৈ আত্মবিশ্লেষণ কৰা উচিত। অসমৰ জাতীয় জীৱনৰ প্ৰাতঃস্মৰণীয় কণ্ঠ অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কৈছিল অসমত জন্মগ্ৰহণ কৰা অসমীয়া লোকৰ সংখ্যা অলেখ। কিন্তু জাতিক নিস্বাৰ্থভাৱে ভালপোৱা, জাতিৰ বাবে নিভাঁজ সেৱা আগবঢ়োৱা ব্যক্তিৰ সংখ্যা তেনেই নগণ্য। এই কথা নিশ্চয়কৈ এক অপ্ৰিয় সত্য। আহকচোন আমি যি অসমীয়া জাতিৰ সন্তান হিচাপে জন্মগ্ৰহণ কৰিছোঁ সেই জাতিটোৰ বিভিন্ন ক্ষেত্ৰত আমি আমাৰ সামৰ্থ্যনুসৰি তৃণমূল পৰ্যায়ৰ পৰা নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই প্ৰকৃত সুখৰ সন্ধান কৰোঁ। জাতিটোৰ এক সুস্থ আৰু প্ৰগতিশীল বুনিয়াদ নিৰ্মাণ কৰিবলৈ যত্নপৰ হওঁ আহক। এই সেৱাৰ মানসিকতাৰ পৰাই ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈকো আমাৰ সেৱাৰ ধাৰা বিস্তৃত হওক। ডিগ্ৰীৰে নহয় আমাৰ নিস্বাৰ্থ সেৱাৰ জৰিয়তেহে আমি আমাৰ জীৱনটো সাৰ্থক কৰিব পাৰোঁ। 'অৰণ্য মানৱ' পদ্মশ্ৰী যাদৱ পায়েঙদেৱে অসমীয়াক এই আদৰ্শৰ নিদৰ্শন ডাঙি ধৰিছে যে উচ্চ ডিগ্ৰীৰে নহয় উচ্চ তথা গভীৰ সংবেদনশীল মনৰ তাড়নাত আগবঢ়োৱা নিস্বাৰ্থ সেৱাৰ মাধ্যমেৰেহে জগত সভালৈ যাব পাৰি। এইক্ষেত্ৰত মাথোঁ আমাক লাগিব এক নিভাঁজ নিস্বাৰ্থ সেৱাৰ মানসিকতা।

# সামৰিক পেৰেডৰ যোগেদি শক্তি প্ৰদৰ্শন চীনৰ

**সত্যব্ৰত বৰা**

২০২৫ চনৰ ৩ ছেপ্টেম্বৰৰ দিনটোত চীনৰ ৰাজধানী বেইজিংৰ তিয়ানমেন চৌহদত এক বিশাল সামৰিক পেৰেড অনুষ্ঠিত হয়। গোটেই বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছিল পেৰেডটোৱে। দ্বিতীয় বিশ্বযুদ্ধত জাপানে আত্মসমৰ্পণ কৰাৰ ৮০ বছৰ পূৰ্তি উপলক্ষে এই পেৰেড হৈছিল। এই দিনটোক চীনে 'বিজয় দিৱস' হিচাপে পালন কৰিছিল। কিন্তু এই পেৰেডৰ তাৎপৰ্য কেৱল ঐতিহাসিক স্মৃতিৰ ৰোমন্থনৰ মাজতে সীমাবদ্ধ নাছিল। ৰাষ্ট্ৰপতি শী জিনপিঙৰ নেতৃত্বত এই পেৰেডত চীনৰ সামৰিক শক্তি আৰু প্ৰযুক্তিগত উৎকৰ্ষৰ এক প্ৰকাশ ঘটিল। এনে লাগে যেন চীনে সমগ্ৰ বিশ্বক নিজৰ উত্থানৰ বাৰ্তাহে প্ৰেৰণ কৰিলে! পেৰেডৰ জৰিয়তে চীনে আমেৰিকা, ইয়াৰ মিত্ৰশক্তি, প্ৰতিবেশী দেশ আৰু সমগ্ৰ বিশ্বৰ ওচৰত নিজৰ সামৰিক ক্ষমতাৰ এক স্পষ্ট প্ৰদৰ্শন কৰিলে। পৰমাণৱিক অস্ত্ৰৰ পৰা আৰম্ভ কৰি হাইপাৰছনিক ক্ষেপণাস্ত্ৰলৈকে, ড্ৰ'ন আৰু লেজাৰ অস্ত্ৰলৈকে, এই পেৰেডে চীনৰ বহুমুখী যুদ্ধক্ষমতাৰ পৰিচয় দিলে।



পেৰেডত ১০,০০০ৰো অধিক সৈনিক, শ শ যানবাহন আৰু আকাশত অসংখ্য যুদ্ধ বিমান দেখা গৈছিল। পেৰেডৰ মূল আকৰ্ষণ আছিল চীনৰ পৰমাণৱিক ত্ৰি-শাখাৰ প্ৰদৰ্শন অৰ্থাৎ স্থল, সমুদ্ৰ আৰু আকাশৰ পৰা পৰমাণৱিক অস্ত্ৰ নিক্ষেপৰ ক্ষমতা। ডংফেং-৫চি নামৰ এক আন্তঃমহাদেশীয় বেলিষ্টিক ক্ষেপণাস্ত্ৰই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলে। এই ক্ষেপণাস্ত্ৰৰ পৰিসৰ প্ৰায় ২০,০০০ কিলোমিটাৰ! ফলত ই আমেৰিকাৰ মূল ভূখণ্ড পৰ্যন্ত আঘাত হানিব পাৰে। ইয়াৰ লগতে জিং লেই-১ নামৰ এক দীৰ্ঘ-পৰিসৰৰ বায়ু-প্ৰক্ষেপিত ক্ষেপণাস্ত্ৰৰো প্ৰকাশ কৰা হৈছিল। সমুদ্ৰৰ পৰা পৰমাণৱিক আক্ৰমণৰ ক্ষমতা প্ৰদৰ্শনৰ বাবে জেএল-৩ নামৰ পানীৰ তলৰ পৰা নিক্ষেপ কৰিব পৰা ক্ষেপণাস্ত্ৰ প্ৰদৰ্শন কৰা হৈছিল। পৰিসৰ ১০,০০০ কিলোমিটাৰৰো অধিক আৰু ই একাধিক লক্ষ্যত আঘাত কৰিব পৰা যান বহন কৰিব পাৰে। এনে অস্ত্ৰৰ প্ৰদৰ্শনে চীনৰ পৰমাণৱিক শক্তিৰ বিশ্বাসযোগ্যতা আৰু প্ৰতিৰোধ ক্ষমতা প্ৰতিফলিত কৰিল। বাৰ্তা আমেৰিকা আৰু ইয়াৰ মিত্ৰশক্তিৰ বাবে স্পষ্ট আছিল। সেইয়া হ'ল যিকোনো সংঘাতত চীনৰ প্ৰতিশোধৰ ক্ষমতা ধ্বংসাত্মক হ'ব পাৰে।

স্থল, সমুদ্ৰ, আকাশ, চাইবাৰ আৰু মহাকাশ এই সকলো ক্ষেত্ৰত চীনৰ উন্নতিৰ এক পৰিচয় পোৱা গ'ল। ওয়াইজে-২০ জাহাজ-বিধ্বংসী ক্ষেপণাস্ত্ৰই দক্ষিণ চীন সাগৰৰ দৰে বিতৰ্কিত অঞ্চলত নৌ-শক্তিৰ প্ৰতিযোগিতাত চীনৰ স্পষ্ট উপস্থিতি দেখুৱাইছিল। এনে ক্ষেপণাস্ত্ৰবোৰ প্ৰতি ঘণ্টাত ৫ গুণ বেছি গতিত যাব পাৰে আৰু অপ্ৰত্যাশিতভাৱে দিশ সলনি কৰিব পাৰে। ফলত বৰ্তমানৰ ক্ষেপণাস্ত্ৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ বাবে ই এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হৈ পৰিব। এলৱাই-১ নামৰ লেজাৰ অস্ত্ৰৰ জৰিয়তে চীনে ইলেক্ট্ৰনিক সঁজুলি অকাৰ্যকৰী কৰা বা পাইলটৰ দৃষ্টিশক্তি ক্ষতিগ্ৰস্ত কৰাৰ ক্ষমতা প্ৰদৰ্শন কৰিলে। ইয়াৰ লগতে ড্ৰ'ন-বিৰোধী ব্যৱস্থাৰ প্ৰদৰ্শনে আধুনিক যুদ্ধত ড্ৰ'নৰ গুৰুত্বৰ প্ৰতি চীনৰ সতৰ্কতা দেখুৱালে। এজেএ'০০২ নামৰ ৬৫ ফুট দীঘল পানীৰ তলৰ ড্ৰ'নটোৱে সমুদ্ৰৰ যুদ্ধত চীনৰ সম্ভাৱনাৰ পৰিচয় দিলে এনে ড্ৰ'নে গুপ্তচৰবৃত্তি, নিৰীক্ষণ আৰু আক্ৰমণাত্মক কাৰ্যকলাপো সম্পন্ন কৰিব পাৰে।

জিজে-১১ৰ দৰে ষ্টেলথ ড্ৰ'নবোৰে দেখুৱালে যে চীনে কৃত্ৰিম বুদ্ধিমত্তা আৰু মানৱবিহীন যুদ্ধ ব্যৱস্থাক নিজৰ সামৰিক কৌশলত সংযোজন কৰিছে। জে-৩৫ ষ্টেলথ যুদ্ধবিমান আৰু বিমানবাহী জাহাজে চীনৰ আকাশ আৰু নৌ-শক্তিৰ উন্নতিৰ পৰিচয় দিলে। এইবোৰৰ জৰিয়তে তাইৱান জলদ্বীপ বা ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত জটিল আৰু সমন্বিত অভিযানৰ ক্ষমতা প্ৰকাশ পাইছিল। চাইবাৰ স্পেচৰ এক ইউনিটৰ উপস্থিতিয়ে তথ্য যুদ্ধৰ গুৰুত্বৰ ওপৰত চীনৰ দৃষ্টি স্পষ্ট কৰিলে। এনে ধৰণৰ ইউনিটে শত্ৰুৰ যোগাযোগ, অৱকাঠামো আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া ব্যাহত কৰাৰ কাম কৰে। এইধৰণৰ প্ৰদৰ্শনে চীনৰ উচ্চাকাংক্ষাক প্ৰতিফলিত কৰে।সেই উচ্চাকাংক্ষা হ'ল এই যে কেৱল পৰম্পৰাগত যুদ্ধক্ষেত্ৰত নহয়, চাইবাৰ আৰু মহাকাশৰ দৰে ক্ষেত্ৰতো প্ৰাধান্য বিস্তাৰ কৰিব চীনে।

শী জিনপিঙে ভাষণত শান্তি, সহযোগিতা আৰু আলোচনাৰ কথা উল্লেখ কৰিলে কিন্তু তেওঁৰ বক্তব্যত এটা দৃঢ় সুৰো আছিল। সাৰ্বভৌমত্ব আৰু স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত চীন অপ্ৰতিৰোধ্য। আমেৰিকাৰ কথা প্ৰত্যক্ষভাৱে উল্লেখ নকৰিলেও, পেৰেডত আমন্ত্ৰিত অতিথিৰ তালিকাত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন আৰু উত্তৰ কোৰিয়াৰ নেতা কিম জং উনৰ উপস্থিতিয়ে পশ্চিমীয়া দেশবোৰৰ বিৰুদ্ধে চীনৰ মিত্ৰতাৰ এক ছবি আঁকিলে। বিকাশশীল দেশৰ প্ৰতিনিধিসকলৰ উপস্থিতিয়ে চীনৰ এক বিকল্প বিশ্বব্যৱস্থাৰ নেতৃত্বৰ দাবীক শক্তিশালী কৰিলে। এই পেৰেডে আমেৰিকাৰ নেতৃত্বাধীন বিশ্ব ব্যৱস্থাৰ বিৰুদ্ধে এক বহু-মেৰু বিশ্বৰ ধাৰণাক প্ৰচাৰ কৰিলে।

পেৰেডৰ জৰিয়তে চীনে আমেৰিকা আৰু ইয়াৰ মিত্ৰশক্তিৰ ওচৰত পৰমাণৱিক আৰু হাইপাৰছনিক অস্ত্ৰৰ মাধ্যমেৰে এক শক্তিশালী প্ৰতিৰোধৰ বাৰ্তা প্ৰেৰণ কৰিছিল। ডিএফ-৩১বিজে আৰু ডিএফ-৬১ৰ দৰে ক্ষেপণাস্ত্ৰবোৰে পৰমাণৱিক যুদ্ধৰ ক্ষেত্ৰত চীনৰ বাচি থকাৰ সম্ভাৱনা বৃদ্ধি কৰিছে, কিয়নো এইবোৰ স্থানান্তৰ কৰাটো সহজ আৰু লক্ষ্য কৰাটো কঠিন। ভাৰত, জাপান আৰু অষ্ট্ৰেলিয়াৰ দৰে প্ৰতিবেশী দেশৰ বাবে এই পেৰেড চীনৰ ক্ৰমবৰ্ধমান প্ৰভাৱ আৰু প্ৰযুক্তিগত শ্ৰেষ্ঠত্বৰ সতৰ্কবাণী। দক্ষিণ চীন সাগৰ বা তাইৱানৰ দৰে অঞ্চলত চীনৰ আধিপত্যৰ উচ্চাকাংক্ষা স্পষ্ট হৈ পৰিল।

ঘৰুৱা পৰ্যায়ত এই পেৰেডে চীনৰ নাগৰিকসকলৰ মাজত জাতীয় গৌৰৱ আৰু কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বৰ বৈধতা বৃদ্ধি কৰিলে। পেৰেডৰ শেষত ৮০,০০০ শান্তিৰ কপৌ আৰু ৰঙীন বেলুন উৰুৱাই শান্তিৰ বাৰ্তা দিয়াৰ প্ৰয়াস কৰা হ'ল। অৰ্থনৈতিক দিশৰ পৰা এই পেৰেডে চীনৰ অস্ত্ৰ ব্যৱসায়ৰ সম্ভাৱনা প্ৰকাশ কৰিলে। আফ্ৰিকা, দক্ষিণ-পূৰ্ব এছিয়া আৰু মধ্যপ্ৰাচ্যৰ দেশবোৰৰ বাবে চীনৰ উন্নত অস্ত্ৰবোৰ পশ্চিমীয়া অস্ত্ৰৰ তুলনাত সুলভ বিকল্প হিচাপে পৰিগণিত হ'ব পাৰে।

পেৰেডৰ প্ৰতিক্ৰিয়া হিচাপে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে শী, পুটিন আৰু কিমৰ বিৰুদ্ধে আমেৰিকাৰ স্বাৰ্থৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ অভিযোগ উত্থাপন কৰিছিল। পশ্চিমীয়া দেশবোৰে এই পেৰেড বয়কট কৰিছিল, যিয়ে বিশ্বৰ মাজৰ ক্ৰমবৰ্ধমান বিভাজনক স্পষ্ট কৰিলে। এই পেৰেডে আমেৰিকা, জাপান আৰু ভাৰতৰ দৰে দেশৰ প্ৰতিৰক্ষা পৰিকল্পনাক পুনৰ মূল্যায়ন কৰিবলৈ বাধ্য কৰিছে। চীনৰ পৰমাণৱিক ত্ৰি-শাখা, হাইপাৰছনিক অস্ত্ৰ আৰু বহুমুখী যুদ্ধক্ষমতাই প্ৰতিৰোধৰ মডেলক জটিল কৰি তুলিছে।

২০২৫ৰ বিজয় দিৱসৰ পেৰেডে চীনৰ সামৰিক শক্তি আৰু কৌশলগত উচ্চাকাংক্ষাৰ এক স্পষ্ট প্ৰকাশ ঘটালে। পৰমাণৱিক অস্ত্ৰ, হাইপাৰছনিক ক্ষেপণাস্ত্ৰ আৰু বহুমুখী ক্ষমতাৰ প্ৰদৰ্শনৰ জৰিয়তে চীনে নিজৰ প্ৰতিদ্বন্দ্বীসকলৰ বাবে এক সতৰ্কবাণী জাৰি কৰিছে। শী জিনপিঙৰ নেতৃত্বত চীনে বিশ্বৰ শক্তিৰ ভাৰসাম্যতা সলনি কৰাৰ দিশত অগ্ৰসৰ হৈছে, যিয়ে বিশ্বৰ ৰাজনৈতিক আৰু সামৰিক পৰিস্থিতিৰ ওপৰত গভীৰ প্ৰভাৱ পেলাব।



## বাহনা মহাবিদ্যালয়ত সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ সফল সমাপ্তি

**অসম বাৰ্তা, নিমাতীঘাট, ৭ ছেপ্টেম্বৰ ঃ** বাহনা মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ লগত সঙ্গতি ৰাখি আয়োজন কৰা ২৭ সংখ্যক জাতীয় শ্বহীদ সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখনি ৬ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনিৰ প্ৰাকক্ষণত জাতীয় শ্বহীদসকলক সুঁৱৰি এটি স্মৃতি তৰ্পণ কাৰ্য্যসূচী অনুষ্ঠিত কৰা হয়। স্মৃতি তৰ্পণ কাৰ্য্যসূচীত মুখ্য তৰ্পক হিচাপে উপস্থিত থাকে ক্ৰমে বাহনা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক শ্ৰীযুত নবীন গোহাঁই আৰু মহাবিদ্যালয়ৰ ১৯৮৩-৮৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰী যুত বিজয় বৰদলৈয়ে। "ভাৰতত খিলঞ্জীয়া লোকসকলৰ অধিকাৰ নিশ্চিতকৰণৰ বাবে এটা উদাৰ আগ্নেয়াস্ত্ৰ অনুজ্ঞাপত্ৰ প্ৰদান নীতিয়েই উত্তম পথ" শীৰ্ষক তৰ্ক প্ৰতিযোগিতাখনিৰ অধ্যক্ষৰ দায়িত্ব পালন কৰে জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সুৰজিত শৰ্মাই। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক তথা প্ৰতিযোগিতাখনিৰ যুটীয়া আহ্বায়ক অজিত কুমাৰ বৰাই আঁত ধৰা অনুষ্ঠানত বিচাৰক মণ্ডলীক সম্বৰ্ধনা জনোৱা পাছতে সকলোকে উদ্দেশ্যি আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ চুম্বিত চলিহাই। এই তৰ্ক প্ৰতিযোগিতাত সৰ্বমুঠ ১৬খন শিক্ষানুষ্ঠানৰ ৩১জন প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ ১ম শ্ৰেষ্ঠ দল হিচাপে গুৱাহাটীৰ জে বি আইন মহাবিদ্যালয়, ২য় শ্ৰেষ্ঠ দল তেজপুৰ বিশ্ববিদ্যালয়, আৰু ৩য় শ্ৰেষ্ঠ দল যোৰহাটৰ জে. বি বিশ্ববিদ্যালয়ক বিবেচিত কৰা হয়। এই প্ৰতিযোগিতাত শ্ৰেষ্ঠ তাৰ্কিকৰ পুৰস্কাৰ লাভ কৰে গৌৰৱ কাশ্যপ, জে বি আইন মহাবিদ্যালয়, গুৱাহাটী, ২য় শ্ৰেষ্ঠ তাৰ্কিক দিব্যজ্যোতি নাথ বীৰাঙ্গনা সতি সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়, ৩য় শ্ৰেষ্ঠ তাৰ্কিক যুগান্ত মাধৱ শইকীয়া, জে বি বিশ্ববিদ্যালয় যোৰহাট। বাহনা মহাবিদ্যালয় শিক্ষক গোট আৰু ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত আজিৰ এই তৰ্ক প্ৰতিযোগিতাৰ পৃষ্ঠপোষকসকল আছিল ক্ৰমে- প্ৰীত টয়টা, জৈনক' হোণ্ডা, ৰয়েল আৱাস, কেৰিয়াৰ ট্ৰেক, ড° ভৰত চন্দ্ৰ বৰা স্মৃতি ন্যাস, বাহনা মহাবিদ্যালয় আৰু একুৰা ভাইবচ। আজিৰ এই অনুষ্ঠানৰ বিচাৰকৰ আসন শুৱনি কৰে ক্ৰমে ড° নয়নমণি চেতিয়া, যোৰহাট আভিযান্ত্ৰিক মহাবিদ্যালয়, শ্ৰীযুত অভিষেক কাব্ৰা, তেজপুৰ বিশ্ববিদ্যালয় আৰু শ্ৰীযুত বুলবুল চহৰীয়া, চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়, যোৰহাট। প্ৰতিযোগিতাৰ শেষত যুটীয়া আহ্বায়ক অধ্যাপক বিক্ৰম বৰাই সকলোকে শলাগ জ্ঞাপন কৰে।

### দুৰ্ঘটনা ৰোধ কৰিবলৈ বিশেষ পদক্ষেপ জিলা প্ৰশাসনৰ

## বৰপেটাত যান-বাহন চলাচলৰ ওপৰত সজাগতাৰ্থে প্ৰশাসনৰ বিশেষ তৎপৰতা

**অসম বাৰ্তা, বৰপেটা সদৰ, ৭ ছেপ্টেম্বৰ ঃ** বৰপেটাৰ আৰক্ষী চাউনীৰ সন্মুখত বৰপেটা জিলা আয়ুক্ত ৰোহন কুমাৰ ঝা আৰু আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাৰ উপস্থিতিত জিলা পৰিবহণ বিষয়া বাপন কলিতাৰ নেতৃত্বত তীব্ৰ নাকা চেকিং অভিযান আৰম্ভ হয়। হেলমেট পৰিধান নকৰা, চিট বেল নিপিন্ধা, দুচকীয়া বাহনত তিনিগৰাকী লোক উঠি যোৱা আৰু তীব্ৰ বেগী যান-বাহন চলোৱা চালক সকলক জৰিমনা বিহা হয়। যানবাহন চলাচলৰ ক্ষেত্ৰত সজাগ হ'বলৈ জিলা আয়ুক্ত ৰোহন কুমাৰ ঝাই আহ্বান জনায়। পূৰ্বৰ তুলনাত বৰপেটা জিলাত দুৰ্ঘটনা হ্ৰাস পোৱা বুলি উল্লেখ জিলা আয়ুক্ত গৰাকীয়ে। যানঠবাহন চলাচলৰ ক্ষেত্ৰত কোনবোৰ কাৰণত আৰক্ষীয়ে জৰিমনা কৰিবলৈ বাধ্য হয় এই ক্ষেত্ৰত চালক সকল সচেতন হ'ব লাগে বুলি মন্তব্য জিলা আয়ুক্তৰ। দুৰ্ঘটনা ৰোধ কৰিবলৈ বৰপেটা জিলাত ৰাষ্ট্ৰীয় ঘাইপথ আৰু চহৰৰ মাজমজিয়াত ই-ৰিস্কা চলাচলৰ ক্ষেত্ৰত নীতি-নিয়ম নিৰ্ধাৰণ কৰা হৈছে ও সংবাদ মাধ্যমৰ আগত আয়ুক্ত ৰোহন কুমাৰ ঝাই জানিবলৈ দিয়ে।

### লখিমপুৰ ক্ৰিকেট সন্থা চেম্পিয়ন

## মৰিগাঁৱত ছোৱালী আন্তঃজিলা ক্ৰিকেট

**ষ্টাফ ৰিপ'ৰ্টাৰ মৰিগাঁও, ৭ ছেপ্টেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাৰ জৰিয়তে পৰিচালিত ১৯ বছৰৰ অনুৰ্দ্ধ ছোৱালী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল খেলত লখিমপুৰ ক্ৰিকেট সন্থাই ৭৭ ৰাণৰ বৃহৎ ব্যৱধানত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাক পৰাস্ত কৰি চেম্পিয়ন হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ আতিথ্য আৰু ক্ৰিকেট উপশমিতিৰ তত্ত্বাৱধানত ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেল খেলত প্ৰথমে বেটিং কৰি লখিমপুৰ দলে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৩১ ৰাণ সংগ্ৰহ কৰে। লখিমপুৰ দলৰ হৈ কাকু বৰ্মনে ২৮, পাৰুলমনি কামানে ২৬, হিৰুচিমা দিহিঙীয়াই ১৪ আৰু প্ৰিয়ংকা কলিতাই ১২ ৰাণৰ বৰঙনি আগবঢ়ায়। ডিব্ৰুগড়ৰ হৈ বলিঙত বিজয়া বৰা আৰু তসভি পালগিৰিয়ে ২ টাকৈ উইকেট দখল কৰে। প্ৰত্যুত্যৰত ডিব্ৰুগড় দলে লক্ষ্য অনুসৰণ কৰি স্বস্তি বিশ্বাসৰ ১৪ আৰু গ্ৰীতিক্ষা শইকীয়াৰ ১৫ ৰাণৰ অৱদানৰে ১৬-২ অভাৰত মাত্ৰ ৫৪ ৰাণতে সকলো উইকেট হেৰুৱাই পৰাজয় বৰণ কৰে। বলিঙত লখিমপুৰ দলৰ হৈ আকৰ্ষণীয় বলিঙৰে কাকু বৰ্মনে ৬টা আৰু প্ৰিয়ংকা কলিতাই ২টা উইকেট দখল কৰে। লখিমপুৰ দলৰ কাকু বৰ্মনে সুন্দৰ অলৰাউণ্ডাৰৰ ভূমিকা পালন কৰাৰ বাবে ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে। ইয়াৰ পূৰ্বে তিৱা স্বায়ত্ত্ব পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ মুখ্য অতিথি ৰূপে উপস্থিত থকা শুভাৰম্ভ অনুষ্ঠানত মৰিগাঁও পৌৰসভাৰ পৌৰপতি যোগেশ তামূলীয়ে আজি পুৱা খেলখন আনুষ্ঠানিক ভাবে উদ্বোধন কৰে। খেলৰ শেষত আয়োজিত বঁটা বিতৰণী সভাত ক্ৰীড়া সন্থাৰ সভাপতি ৰমাকান্ত দেউৰী, সম্পাদক জিতু বৰদলৈৰ লগতে ক্ৰীড়া সন্থাৰ অনান্য বিষয়ববীয়া সকলৰ উপস্থিতিত প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বেটছমেন হিচাপে গ্ৰীতিক্ষা শইকীয়া আৰু শ্ৰেষ্ঠ বলাৰ হিচাপে হেপ্পী সোণোৱাল বঁটা লাভ কৰে। আজিৰ ফাইনেল খেলত বিশিষ্ট অতিথিৰ ৰূপত মৰিগাঁও জিলা আৰক্ষী অধীক্ষক হেমেন চন্দ্ৰ দাস, অতিৰিক্তা আয়ুক্ত অনসুয়া শৰ্মা, অসম ক্ৰিকেট সন্থাৰ উপ সভাপতি ৰাজদ্বীপ ওজা, কোষাধ্যক্ষ চিৰঞ্জীত লাংঠাছা, এপে' কাউন্সিলাৰ মিনু আলম আৰু ৰাজ্যিক দলৰ নিৰ্বাচক সকল বিশেষভাবে উপস্থিত আছিল। আজিৰ ফাইনেল খেলখন অসম ক্ৰিকেট সন্থাৰ পেনেল আম্পায়াৰ জানমণি বৰা আৰু পাৰ্থ দাসে পৰিচালনা কৰাৰ লগতে স্ক'ৰাৰ হিচাপে বসন্ত নাথ আৰু তপন নাথে সহযোগিতা আগবঢ়ায়। বুলি জিলা ক্ৰীড়া সন্থাৰ মিডিয়া সমন্বয়ক মানস প্ৰতীম পাটৰে জানিবলৈ দিছে।

## সচেতন নাগৰিক সমাজ নগাঁৱৰ জন-সচেতনামূলক সভা

**অসম বাৰ্তা, বঢ়মপুৰ, ৮ ছেপ্টেম্বৰ ঃ** নগাঁৱৰ এক অন্যতম সামাজিক অনুষ্ঠান "সচেতন নাগৰিক সমাজ নগাঁৱৰ" উদ্যোগত ভোটাইআটিত আজি এখনিজন সচেতনামূলক সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে উদ্যোক্তা সংগঠনৰ সাধাৰণ সম্পাদক অধিবক্তা ইমামুল হক আনচাৰীয়ে। সমাজৰ সমাজত শান্তি-সম্প্ৰীতি আৰু ভাতৃবোধ অটুট ৰখাৰ লগতে বৰ্তমান সমাজব্যৱস্থাত এক ভয়ংকৰ ৰূপ ধাৰণ কৰা ড্ৰাগছ, চুৰি-ডকাইত, চাইবাৰ ক্ৰাইম আদি সামাজিক ব্যাধিৰ বিৰুদ্ধে আৰু চছিয়েল মিডিয়াৰ সঠিক ব্যৱহাৰৰ বিষয়ে বহলভাৱে ৰাইজক অৱগত কৰা হয়। সভাতেই সকলো দিশ সামৰি নাগৰিক সমাজে প্ৰকাশ কৰা এটি গোহাৰি পত্ৰ ভিতৰণ কৰা হয়। শিক্ষাবিদ নৰুল আমিনে সভাপতিত্ব কৰা সভাখনত বিশিষ্ট সমাজ সেৱক ছিৰাজ উদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া হান্নান লস্কৰ, আৰক্ষী উপ-পৰিদৰ্শক উপেন বৰদলৈ, অধিবক্তা তজমল হুছেইনে ভাষণ দি ৰাইজক সামাজিক ব্যাধিৰ বিৰুদ্ধে সজাগতাৰ চেষ্টা কৰে।

## নগাঁও জিলাত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাদেৱৰ জন্ম শতবাৰ্ষিকী উদযাপন

**অসম বাৰ্তা, বঢ়মপুৰ, ৮ ছেপ্টেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাটো বিশ্ববিশ্ৰুত শিল্পী ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী জিলাখনৰ সকলো চৰকাৰী-বেচৰকাৰী শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু চৰকাৰী-বেচৰকাৰী কাৰ্যালয় সমূহত গীতে-মতে বিভিন্ন বৰ্ণাঢ্য কাৰ্যসূচীৰে আড়ম্বৰপূৰ্ণ ভাৱে অনুষ্ঠিত কৰা হয়। এই বিশ্ব বৰণ্য শিল্পী গৰাকীৰ পবিত্ৰ স্মৃতিত নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু নগাঁও পৌৰ সভাৰ সহযোগত চহৰখনৰ মাজমজিয়া স্থিত "অমৃত কানন" উদ্যানত স্থাপিত সুধাকণ্ঠৰ প্ৰতিমূৰ্তিৰ সমীপত শতবাৰ্ষিকী অনুষ্ঠানটি আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতেই সুধাকণ্ঠ গৰাকীৰ অৱক্ষয় মূৰ্ত্তিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি জিলা আয়ুক্ত দেৱাশিস শৰ্মা, ভাঃপ্ৰঃসেঃ ডাঙৰীয়াই সুধাকণ্ঠ গৰাকীয়ে অসমীয়া জাতীয় জীৱনলৈ তেখেতৰ গীতেৰে আগবঢ়োৱা অৱদানৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰাৰ



লগতে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাদেৱৰ অমৰ সৃষ্টিৰাজি বিশ্ব দৰবাৰত প্ৰচাৰ আৰু প্ৰসাৰত সকলোকে আগভাগ লোৱাৰ লগতে সুদৃঢ় পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। আজিৰ এই অনুষ্ঠানত নগাঁও পৌৰ সভাৰ উপ সভাপতি সীমান্ত বৰাই আদৰণী ভাষণ আগবঢ়াই। সুধাকণ্ঠ গৰাকীৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানৰ লগত সংগতি ৰাখি এই অনুষ্ঠানতেই ললিত কলা শিল্পী সমিতি অসমৰ, নগাঁও জিলা সমিতিৰ আহ্বায়ক নিপেন শইকীয়াৰ তত্ত্বাৱধানত জিলাখনৰ ১৫ গৰাকীকৈ প্ৰবীণ-নবীন চিত্ৰশিল্পী ক্ৰমে- গকুল চেত্ৰী, টিকেন্দ্ৰজিৎ শইকীয়া, শ্ৰী শৈলেন কুমাৰ দাস, শ্ৰী অজিত চন্দ্ৰ বৰা, সুব্ৰত দত্ত, অতনু বৰুৱা, বিজয় কাকতি, বলবিন্দৰ সিং, শ্ৰীমতী পল্লৱী শৰ্মা, লক্ষ্মী প্ৰভা শইকীয়া, গাৰ্গী গীতম বৰা, দীপাঞ্জলী বৰা, প্ৰণৱ কুমাৰ শৰ্মা, ৰাজীৱ দাস আৰু মিথুন দাসে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাদেৱৰ "মানুহে মানুহৰ বাবে" গীতৰ আধাৰত চিত্ৰ অংকন কৰে। এই চিত্ৰ কৰ্মশালাখনি জিলা আয়ুক্ত দেৱাশিস শৰ্মা ডাঙৰীয়াই শুভ উদ্বোধন কৰে। আজিৰ এই জন্ম শতবাৰ্ষিকী অনুষ্ঠানত জিলা আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা, জিলাৰ অতিৰিক্ত আয়ুক্ত সকল, সহকাৰী আয়ুক্ত সকল, জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল, পৌৰসভাৰ বাৰ্ড কমিছনাৰ সকল, পৌৰসভাৰ বিষয়া-কৰ্মচাৰী সকলকে প্ৰমুখ্য কৰি জিলাখনৰ বহুসংখ্যক গণ্য মান্য ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## ডিব্ৰুগড়ত স্বাস্থ্য আৰু ৰাষ্ট্ৰীয় পৰিপুষ্টি সম্পৰ্কত বক্তৃতানুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৭ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰীয়, পৰিপুষ্টি সপ্তাহৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড় পেন্সনাৰ ভৱনত আজি (৬ ছেপ্তেম্বৰ)এক বক্তৃতানুষ্ঠান সম্পন্ন হৈ যায়। ডিব্ৰুগড় নাগৰিক মঞ্চ, পেঞ্চনাৰ সন্থা আৰু অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাৰ উদ্যোগত অনুষ্ঠিত বক্তৃতানুষ্ঠানটি নাগৰিক মঞ্চ আৰু বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাৰ সভানেত্ৰী ড° ভাৰতী দত্তৰ সভাপতিত্বত অনুষ্ঠিত হয়। আৰম্ভণিতে সভাপতি আৰু বিশিষ্ট ব্যক্তিসকলক আদৰণি জনায় পেঞ্চনাৰ সন্থাৰ সম্পাদক মৃদুল শৰ্মাই। স্বাস্থ্য ৰক্ষাত পুষ্টিকৰ খাদ্যৰ প্ৰভাৱ সম্পৰ্কত সাৱলীল বক্তৃতাৰে ড° শশীকান্ত শইকীয়াই বক্তৃতানুষ্ঠানখনি উদ্বোধন কৰে। ডিব্ৰুগড় বিজ্ঞান সমিতিৰ উপসভাপতি ড° ৰঞ্জিত সিংহই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত মিৰ্জা নিজামুদ্দিন আহমেদৰদ্বাৰা পৰিৱেশিত এটি ভজনেৰে শুভাৰম্ভ কৰা হয়। মূল বক্তৃতা প্ৰদান কৰে খাদ্য বিশেষজ্ঞা, অসম মেডিকেল কলেজৰ স্বাস্থ্য শিক্ষা বিষয়া লুকিমা বৰুৱাই। পুষ্টি উপাদান যেনে শ্বেতসাৰ, প্ৰটিন, চৰ্বি, ভিটামিন, খনিজ পদাৰ্থ আদিৰ প্ৰয়োজনীয়তা আৰু এইসমূহৰ উৎস তথা শৰীৰৰ বাবে প্ৰয়োজনীয়তা সম্পৰ্কত সুদীৰ্ঘ, সাৱলীল বক্তৃতা আগবঢ়ায় আৰু উপস্থিত সকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে বক্তাগৰাকীয়ে। সভাপতি ড° ভাৰতী দত্তই স্বাস্থ্যকৰ জীৱন যাপনত পুষ্টিকৰ খাদ্যৰ প্ৰয়োজনীয়তা সম্বন্ধে সজাগতাৰ বাবে এনে অনুষ্ঠানৰ আয়োজন অতিকৈ প্ৰয়োজন বুলি কয় আৰু পৰিপুষ্টি সম্পৰ্কত নিজা বক্তব্য আগবঢ়ায়। সভাত বিশিষ্ট ব্যক্তি হিচাপে মঞ্চত আসন গ্ৰহণ কৰে অসম পেঞ্চনাৰ সন্থাৰ কাৰ্যকৰী। সভাপতি পৱন ফুকন আৰু ডিব্ৰুগড় পেঞ্চনাৰ সন্থাৰ মৃণালকান্তি বৰুৱাই। ডিব্ৰুগড় বিজ্ঞান সমিতিৰ কাৰ্যকৰী সভানেত্ৰী সুদক্ষিণা দাস, সদস্যা চুলতানা হাজৰিকা, কোষাধ্যক্ষ ড° যশোৱন্ত সিং, নাগৰিক মঞ্চৰ উপদেষ্টা মহেন বুঢ়াগোহাঁই, ইন্দ্ৰ গগৈ প্ৰমুখ্যে বিষয়ববীয়া, পেঞ্চনাৰ সন্থাৰ বিষয়ববীয়া, সান্তনা বৰুৱা, ড° ৰাজেশ শ্বাহ, প্ৰণতি দত্ত, বিজয়লক্ষ্মী শৰ্মা গোস্বামী, হিৰণ্য সেনাপতিকে আদি কৰি বিশিষ্ট ব্যক্তিসকল অনুষ্ঠানত উপস্থিত আছিল।

## অনুপ্ৰৱেশ আৰু বিদেশী (ৰেহাই) আদেশ-২০২৫ বাতিলৰ দাবীত ডিব্ৰুগড়ত যুৱ-ছাত্ৰ পৰিষদৰ জোঁৰ সমদল

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৭ ছেপ্টেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ- ছাত্ৰ পৰিষদ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে অনুপ্ৰৱেশ আৰু বিদেশী (ৰেহাই) আদেশ ২০২৫ আৰু কা' বাতিল কৰাৰ দাবীত ডিব্ৰুগড় চহৰৰ মাজমজিয়া পুৰণি হাইস্কুল খেলপথাৰৰ পৰা জোঁৰসমদল বাহিৰ কৰি মানকটা পথেৰে আহি থানা চাৰিআলিহৈ যুৱ ছাত্ৰ পৰিষদৰ কাৰ্যালয়লৈ আহে। যুৱ-ছাত্ৰ পৰিষদৰ ডিব্ৰুগড় জিলা সভাপতি উদয়ন বৰুৱাই কয়, অসমৰ খিলঞ্জীয়া ৰাইজৰ 'কা' আইনৰ তীব্ৰ বিৰোধিতা কৰি অহাৰ পাছতো চৰকাৰে কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰি ইয়াৰ বিপৰীতে খিলঞ্জীয়াৰ প্ৰতিবাদ, মতক আওকাণ কৰি পুনৰ বিদেশীক সংস্থাপনৰ দিয়াৰ বাট চিৰদিনলৈ মুকলি কৰি নতুন আদেশ জাৰি কৰিব বিচৰাটো অতিকৈ দুৰ্ভাগ্য জনক। চৰকাৰৰ এনে হঠকাৰী কাৰ্যক কেতিয়াও অসমীয়া ৰাইজে মানি নলয়। আজি ৰূপায়ণ কৰা প্ৰতিবাদী স্থানৰ পৰা জিলা সম্পাদক গৌৰাঙ্গ গগৈয়ে নাগৰিকত্ব সংশোধনী আইন আৰু শেহতীয়াকৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে অনুপ্ৰৱেশ আৰু বিদেশী (ৰেহাই) আদেশ ২০২৫ শীঘ্ৰে বাতিল কৰি চৰকাৰক খিলঞ্জীয়া পক্ষত অৱস্থান কৰিবলৈ দাবী জনায়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা কেইবা শতাধিক যুৱ-ছাত্ৰ পৰিষদৰ কৰ্মীয়ে বাহিৰ কৰা প্ৰতিবাদী সমদলত কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি গিৰীন চেতিয়া, সাংগঠনিক সম্পাদক ৰাজীৱ গগৈ, কাৰ্যনিৰ্বাহক সদস্য ক্ৰমে ভৰেন সোণোৱাল, পাৰ্থপ্ৰতীম কোঁৱৰ, মটক যুৱ -ছাত্ৰ পৰিষদৰ ডিব্ৰুগড় জিলা ৰ সম্পাদক বিতুপন দুৱাৰা প্ৰতিবাদী সমদলত অংশগ্ৰহণ কৰে। অসম চৰকাৰ হায়! হায়!, প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী মুৰ্দাবাদ, গৃহমন্ত্ৰী অমৃত শ্বাহ মুৰ্দাবাদ ধ্বনিৰে ডিব্ৰুগড় চহৰৰ ৰাজপথ উত্তাল কৰে।

## ধুবুৰীত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত




**অসম বাৰ্তা, ধুবুৰী, ৮ ছেপ্টেম্বৰ ঃ** আজি ধুবুৰী জিলাত জিলা প্ৰশাসন তথা সংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ জন্ম শতবাৰ্ষিকী উদযাপন উপলক্ষে জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। ৰাতিপুৱা ৯: ০০ বজাত ধুবুৰী জিলা আয়ুক্ত শ্ৰী দিবাকৰ নাথে প্ৰশাসনিক বিষয়াসকল আৰু ধুবুৰী প্ৰেছ ক্লাবৰ উপস্থিতিত ধুবুৰীত স্থাপিত ঐতিহ্য ড° ভূপেন হাজৰিকাদেৱৰ প্ৰতিমূৰ্ত্তিত মাল্য অৰ্পণ, বন্তি প্ৰজ্বলন আৰু পুষ্পৰন্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু জিলাখনৰ পুথিভঁৰালৰ প্ৰেক্ষাগৃহত উপস্থিত হৈ ড° ভূপেন হাজৰিকাদেৱৰ প্ৰতিচ্ছবিত পুনৰবাৰ পুষ্পৰন্ত শ্ৰদ্ধাঞ্জলি প্ৰদান কৰে। ধুবুৰী জিলা গ্ৰন্থাগাৰৰ প্ৰেক্ষাগৃহত ড° ভূপেন হাজৰিকাদেৱৰ জন্ম শতবাৰ্ষিকী উদযাপন উপলক্ষে বিভিন্ন কাৰ্যসূচী আয়োজন কৰা হয় আৰু আজিৰ কাৰ্যসূচীত উপস্থিত আছিল জিলা আয়ুক্ত শ্ৰী দিবাকৰ নাথ, ধুবুৰী -গৌৰীপুৰ জিলা উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ শ্ৰী দীপক কুমাৰ শাহা, ধুবুৰী পৌৰসভাৰ পৌৰপতি ড° দেৱময় সান্যাল, ধুবুৰী জিলাৰ বি জে পিৰ সভাপতি ৰঞ্জিত কুমাৰ ৰায় আৰু অতিৰিক্ত আয়ুক্ত সকল, প্ৰশাসনিক বিষয়াসকল প্ৰমুখ্যে ছাত্ৰ -ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকল, আৰু ৰাইজ। জিলা আয়ুক্ত মহোদয়ে নিজৰ ভাষণ প্ৰসংগত কয় যে ড০ ভূপেন হাজৰিকাদেৱৰ জীৱন আৰু তেখেতৰ অৱদানৰ ওপৰত বিভিন্ন গৱেষণা চলি আছে। তেখেতে কয় যে ড° ভূপেন হাজৰিকাদেৱ আছিল গায়ক, লেখক, গীতিকাৰ, ছবি পৰিচালক, সাহিত্যিক, সমাজ সেৱক আৰু তেখেতে সমাজ আৰু মানৱতাৰ কল্যাণৰ বাবে ৰচনা কৰি থৈ গৈছে বিভিন্ন অন্তৰ স্পৰ্শ গীত আৰু লগত আছিল তেখেত এজন বিশিষ্ট ৰাজনিতিবিদ আৰু একাযাৰত কবলৈ গ'লে তেখেত আছিল বিভিন্ন গুণে উভৈনদী হোৱা এক প্ৰতিভাশালী ব্যক্তি। মঞ্চত উপবিষ্ট বিশিষ্ট ব্যক্তি সকলোৱেও নিজৰ ভাষণ প্ৰসংগত ড° ভূপেন হাজৰিকাদেৱৰ গীত-সংস্কৃতি আৰু মানৱতাৰ বিভিন্ন উদাহৰণ উল্লেখ কৰে আৰু ড° হাজৰিকাদেৱৰ ধুবুৰীৰ গৌৰীপুৰত উপস্থিত হোৱা বহু কাহিনী আৰু ৰচা গীতত উল্লেখ কৰা গৌৰীপুৰৰ নাম আৰু তেখেতৰ লগত সৌভাগ্যভাৱে হোৱা বহু মত-বিনিময় আৰু ধুবুৰীৰ লগত থকা তেখেতৰ সংযোগৰ বিষয়ে উল্লেখ কৰে। জিলা পুথিভঁৰালৰ কাৰ্যসূচীৰ লগত শৈক্ষিক বিভাগ ক্ৰমে বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়তো ড° ভূপেন হাজৰিকাদেৱৰ গীতৰ সামূহিক পৰিবেশন, ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহতো বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত কৰাৰ আগেয়ে ড° ভূপেন হাজৰিকাদেৱক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সমবেত সংগীত পৰিৱেশন কৰা হয়। জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত ৰাতিপুৱা ১০: ০০ বজাৰ পৰা বিয়লি ২: ৩০ বজালৈ ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা তিনিটা শাখাত অনুষ্ঠিত কৰা হয়, ক- শাখাত প্ৰথম শ্ৰেণীৰ পৰা ১০ শম শ্ৰেণীলৈ, খ-শাখা একাদশ শ্ৰেণীৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ মুকলি শাখাত যতনেকি যিকোনো ব্যক্তি বয়স নিৰ্বিশেষে অংশগ্ৰহণ কৰিব পাৰে আয়োজন কৰা হয়। ইয়াৰ পাছত বিয়লি ৪: ০০ বজাৰ পৰা সন্ধিয়া ৫: ০০ বজালৈ অন্তৰংগ আলাপ(স্মৃতি সভা) আৰু ৫: ৩০ বজাৰ পৰা পুৰস্কাৰ বিতৰণ কাৰ্যসূচীৰে অনুষ্ঠানৰ অন্ত হয়। উল্লেখযোগ্য যে ধুবুৰী প্ৰেছ ক্লাবে সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাদেৱৰ জন্ম শতবাৰ্ষিকী উদযাপন উপলক্ষে বৰ্ণাঢ্য কাৰ্যক্ৰমণিকা আয়োজন কৰে।

## নাজিৰা সমজিলাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ জন্মজয়ন্তী উদ্‌যাপন

**অসম বাৰ্তা, গেলেকী, ৮ ছেপ্টেম্বৰ ঃ** সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু নাজিৰা সমজিলা প্ৰশাসনৰ সহযোগত আজি নাজিৰা সমজিলা আয়ুক্তৰ কাৰ্য্যালয়ত ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ জন্ম শতবাৰ্ষিকীৰ শুভ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। নাজিৰা সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰামৰ উপস্থিতিত অনুষ্ঠিত হোৱা আজিৰ এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সমাজকৰ্মী, সংগীত শিল্পী ভৱানন্দ বৰা, উপ-নাজিৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক তথা বিশিষ্ট সংগীত শিল্পী শিৱ প্ৰসাদ শইকীয়া, বিশিষ্ট সংগীত শিল্পী দিলীপ দাস, বে-চৰকাৰী অনুষ্ঠান নাৰী উন্নতিৰ সদস্য অমিনা বেগম, খৰ্গেশ্বৰী সংগীত মহাবিদ্যালয়ৰ অধ্যাপক ৰাজীৱ বড়া, স্বৰাজ একাডেমীৰ অধ্যক্ষ তথা বিশিষ্ট সমাজ কৰ্মী অসমী গগৈ, নাজিৰা শংকৰদেৱ শিশু নিকেতনৰ অধ্যক্ষ গোপাল বৰুৱা, ক্ৰীড়াবিদ গোপাল গগৈ আৰু বিশিষ্ট সমাজ কৰ্মী লেখা ৰাণী ফুকন। অনুষ্ঠানৰ আৰম্ভণিতে সহকাৰী আয়ুক্ত কল্যাণ জ্যোতি হাজৰিকাই উপস্থিত সকলোকে সম্ভাষণ জনাই সুধাকণ্ঠ গৰাকীক স্মৰণ কৰি কয় যে, "তেখেতৰ গীতসমূহ আমাৰ সাংস্কৃতিক ঐতিহ্যৰ অবিচ্ছেদ্য অংগ। তেওঁৰ শিল্পকলা, সামাজিক দৃষ্টিভংগী আৰু সৃষ্টিৰাজি কেৱল অসমতে নহয় সমগ্ৰ বিশ্বতে চৰ্চিত। হাজৰিকাদেৱে যিদৰে এখন প্ৰগতিশীল আৰু শোষণ মুক্ত সমাজ গঢ়াৰ সপোন দেখিছিল, সেই সপোন আমি এগৰাকী সচেতন নাগৰিক হিচাপে দিঠকত পৰিণত কৰিবলৈ চেষ্টা কৰা উচিত।" ইয়াৰ পিছতে ছাত্ৰ ছাত্ৰী সকলৰ মাজত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে কল্যাণী ৰাইদঙীয়া, সুকন্যা শইকীয়া আৰু অংকিতা ৰাজখুৱায়ে। পৰৱৰ্তী পৰ্যায়ত এক অন্তৰংগ আলাপত বিশিষ্ট ব্যক্তি সকল মিলিত হয়। তদুপৰি নাজিৰাৰ কেইবাগৰাকীও শিল্পীৰ লগতে নাজিৰা সমজিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰীয়ে গীত পৰিৱেশন কৰাৰ লগতে কবিতা আবৃত্তি কৰে। এই সংগীতানুষ্ঠানত বাদ্য যন্ত্ৰত সকলোকে সহযোগ কৰে আকাশ দাস আৰু সমুদ্ৰ দাসে।

## গৰৈমাৰীত সুধাকণ্ঠৰ জন্ম শতবৰ্ষ উদ্‌যাপন

**অসম বাৰ্তা, গৰৈমাৰী, ৮ ছেপ্টেম্বৰ ঃ** প্ৰাগ নিউজৰ উদ্যোগত আৰু প্ৰাগ সতীৰ্থ সহায় ন্যাসৰ সহযোগত ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত আজি কেক কাটি মহান শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ওপজা দিন উদ্‌যাপন কৰা হয়। 'দৈনিক জনমভূমি'ৰ গৰৈমাৰীৰ সাংবাদিক আজিজুৰ ৰহমান চৌধুৰীয়ে আঁত ধৰা অনুষ্ঠানত প্ৰাগ নিউজৰ গৰৈমাৰীৰ সাংবাদিক আব্দুৰ ৰহিমে অনুষ্ঠানত উপস্থিত থকা অতিথি সকলোক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱাৰ পিছত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ওপজা দিন উপলক্ষে গৰৈমাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নূপুৰ বৰাই কেক কাটে। ইপিনে উক্ত অনুষ্ঠানত সমূহীয়াভাৱে মানুহে মানুহৰ বাবে গীত গাই সুধাকণ্ঠক স্মৰণ কৰা হয়। অনুষ্ঠানত গৰৈমাৰীৰ ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আব্দুল আৱাল চাহাব, অধ্যাপিকা বেগম ৰুণা লাইলা মজুমদাৰ, পৰিচালনা সমিতিৰ সভাপতি নুৰুল ইছলাম, জি কে এছ প্ৰেছ ক্লাবৰ উপ-সভাপতি জমিৰ আল হাছান, সাধাৰণ সম্পাদক আনোৱাৰ হুছেইন, গৰৈমাৰী ৰাজহ চক্ৰৰ কৰ্মচাৰীকে প্ৰমুখ্য কৰি ভালেসংখ্যক সমাজ সচেতন ব্যক্তি উপস্থিত থাকে। ইপিনে গৰৈমাৰী টাউন ক্লাব, গৰৈমাৰীৰ এফ এ আহমেদ মহাবিদ্যালয়ৰ লগতে বিভিন্ন বিদ্যালয়সমূহতো সুধাকণ্ঠৰ ওপজা দিন পালন কৰা হয়।

### এহেজাৰ লোকে একেলগে পৰিৱেশন কৰিলে সুধাকণ্ঠৰ 'মানুহে মানুহৰ বাবে' গীত

## দেৰগাঁৱত ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন



**অসম বাৰ্তা, বিশেষ, দেৰগাঁও, ৮ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে দেৰগাঁৱতো সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি ঠায়ে ঠায়ে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীক লৈ দেৰগাঁও সমজিলা প্ৰশাসন আৰু বাপুজী মন্দিৰৰ যৌথ উদ্যোগত, দেৰগাঁও সাহিত্য সভা, বহ্নিমান সাংস্কৃতিক মঞ্চ, দেৰগাঁও সাংবাদিক সংস্থা আৰু দেৰগাঁও লেখিকা সমাৰোহ সমিতিয়ে বিশাল আয়োজনৰ মাজৰে ঐতিহ্যমণ্ডিত বাপুজী মন্দিৰত অনুষ্ঠিত কৰিলে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী। সাত আৰু আঠ ছেপ্টেম্বৰত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যোৱা অনুষ্ঠানটোৰ সাত তাৰিখে বহ্নিমান সাংস্কৃতিক মঞ্চৰ তত্ত্বাৱধানত দিনজোৰাকৈ গোলাঘাট জিলা ভিত্তিত নিম্ন, মধ্য আৰু উচ্চ- এই তিনিটা শাখাত ভূপেন্দ্ৰ সংগীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আঠ ছেপ্টেম্বৰৰ পুৱা পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণেৰে অনুষ্ঠান আৰম্ভ হোৱাৰ পিছতে পুৱা ১০ বজাত এহেজাৰ জনতাৰ সমাগমেৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ অমৰ সৃষ্টি 'মানুহে মানুহৰ বাবে' শীৰ্ষক গীতটো পৰিৱেশন কৰা হয়। এই অনুষ্ঠানতে নিৰ্দিষ্ট এহেজাৰগৰাকী ব্যক্তিৰ উপৰি প্ৰতিগৰাকী স্বাভিমানী দেৰগঞাই অংশগ্ৰহণ কৰা দেখা গ'ল। ইয়াৰ পিছতে ড° ভূপেন হাজৰিকাৰ জীৱন-দৰ্শন বিষয়ত তথ্যচিত্ৰ প্ৰদৰ্শন আৰু বিয়লি ৩.৩০ বজাত বহ্নিমান সাংস্কৃতিক মঞ্চৰ বিশেষ প্ৰচেষ্টাত নৰেন শৰ্মা স্মৃতি পথাৰত থকা সুধাকণ্ঠৰ প্ৰতিমূৰ্তিৰ সন্মুখত এশগৰাকী শিল্পীৰ অংশগ্ৰহণেৰে সমবেত সংগীত পৰিবেশন কৰা হয়। সন্ধিয়া বাপুজী মন্দিৰত এশগছি বন্তি প্ৰজ্বলন আৰু বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হোৱাৰ অন্তত দেৰগাঁও তথা জিলাখনৰ বিভিন্ন প্ৰান্তৰ কণ্ঠশিল্পীৰ অংশগ্ৰহণেৰে আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। উদ্‌যাপন সমিতিৰ সভাপতি শাস্ত্ৰমণি শৰ্মা, কাৰ্যকৰী সভাপতি বিচিত্ৰ ভূষণ কলিতা আৰু মুখ্য সম্পাদক ৰাজুমণি গগৈ আৰু পাৰ্থপ্ৰতিম শইকীয়াই দুদিনীয়া অনুষ্ঠানত প্ৰতিগৰাকী দেৰগঞা ৰাইজৰ সহযোগিতা আৰু উপস্থিতিৰ বাবে ৰাইজক কৃতজ্ঞতা জনাইছে।

## ডিংডিঙি জ্যোতি সংঘৰ নতুন সমিতি গঠন

**অসম বাৰ্তা, বাহাৰঘাট, ৮ ছেপ্টেম্বৰ ঃ** আজি ০৭ চেপ্তেম্বৰ দেওবাৰে নলবাৰী জিলাৰ অন্তৰ্গত বৰভাগৰ ডিংডিঙি গাঁৱৰ সাহিত্য, সংস্কৃতি আৰু শৈক্ষিক ক্ষেত্ৰৰ প্ৰাণকেন্দ্ৰ ডিংডিঙি জ্যোতি সংঘৰ সাধাৰণ আৰু বিষয় বাছনি সভাখন অনুষ্ঠিত হয়। সভাত শ্ৰী কৰেন্দ্ৰ নাথ দেৱ শৰ্মাক সভাপতি আৰু শ্ৰী প্ৰশান্ত কুমাৰ শৰ্মাক সম্পাদক হিচাপে লৈ আগন্তুক দুটা বৰ্ষৰ বাবে ডিংডিঙি জ্যোতি সংঘ পৰিচালনা সমিতিখন গঠন কৰা হয়। তেখেত সকলৰ নেতৃত্বত সংঘৰ প্ৰতিটো দিশতে নতুন দিগন্তৰ সূচনা হ'ব বুলি বিদ্বৎ সমাজে আশা প্ৰকাশ কৰিছে।

## ‘জেন জি বিপ্লৱ’ত উত্তাল

সমগ্ৰ ৰাষ্ট্ৰখনত কমেও ২১জন প্ৰতিবাদকাৰীৰ মৃত্যু হোৱাৰ লগতে ২৫০ জনতকৈ অধিক লোক আহত হয়। ‘জেন জি বিপ্লৱ’ বুলি অভিহিত কৰা প্ৰতিবাদত হাজাৰ হাজাৰ যুৱ প্ৰতিবাদকাৰী, বহুতেই স্কুল বা কলেজৰ পোছাক পিন্ধি কাঠমাণ্ডুৰ ৰাজপথলৈ ওলাই আহে। বহুতে নিষিদ্ধ অঞ্চল ভংগ কৰে, আৰক্ষীৰ বেৰিকেড ভাঙে। সংঘৰ্ষ তীব্ৰতৰ হোৱাৰ লগে লগে আৰক্ষীয়ে একাধিক স্থানত গুলীচালনা কৰাৰ ফলত কৰ্তৃপক্ষই ৰাজধানীত সান্ধ্য আইন জাৰি কৰে। কাঠমাণ্ডুৰ মাজেৰে পদযাত্ৰা কৰি বহুতে ৰাষ্ট্ৰীয় পতাকা আৰু “সামাজিক মাধ্যম নহয় দুৰ্নীতি বন্ধ কৰক”, “সামাজিক মাধ্যম মুকলি কৰক”, আৰু “দুৰ্নীতিৰ বিৰুদ্ধে যুৱক” আদি শ্লোগানযুক্ত প্লে’কাৰ্ড লৈ গৈছিল। ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে প্ৰশাসনে সংসদ এলেকা আৰু ৰাজধানীৰ অন্যান্য গুৰুত্বপূৰ্ণ স্থানসমূহ সামৰি কাৰ্ফিউৰ নিৰ্দেশ জাৰি কৰে, কাৰণ দিনটোৰ পুৱাৰ পৰা পৰিস্থিতি ক্ৰমান্বয়ে অস্থিৰ হৈ পৰে। ভাৰতৰ সমীপৰ ভৈৰহাৱা সীমান্তত সান্ধ্য আইন জাৰি কৰা হৈছে। এগৰাকী প্ৰত্যক্ষদৰ্শীৰ মতে এই প্ৰতিবাদ কেৱল জেন জি নেতৃত্বত চলি থকা ধাৰণাটো ভুল বুলি কয়। তেওঁৰ মতে, এই আন্দোলনত সকলো বয়সৰ লোক, মিলেনিয়েল, আনকি বুমাৰও অন্তৰ্ভুক্ত হৈছে, যিসকলক সামাজিক মাধ্যম নিষেধাজ্ঞাৰ বাহিৰেও বহল উদ্বেগে একত্ৰিত কৰিছে। দেশখনৰ অপশাসন আৰু দুৰ্নীতিৰ বিৰুদ্ধে লুকাই থকা ক্ষোভৰ বাবেই এই প্ৰতিবাদ। এই প্ৰতিবাদ জবাবদিহিতা আৰু পৰিৱৰ্তনৰ দাবীত এক বহল নাগৰিক অধিকাৰ আন্দোলনলৈ বিকশিত হৈছে। নেপাল ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে “সামাজিক মাধ্যম নিষিদ্ধ আৰু ৰাজনৈতিক দুৰ্নীতিৰ বিৰুদ্ধে যুৱক-যুৱতী নেতৃত্বাধীন প্ৰতিবাদৰ সময়ত নিৰাপত্তা বাহিনীয়ে অত্যধিক বল প্ৰয়োগ”ৰ বাবে প্ৰতিবাদকাৰীৰ মৃত্যু আৰু আহত হুৱাৰ বাবে গৰিহণা দিছে। কাঠমাণ্ডুৰ প্ৰতিবাদৰ এলেকাত আইন-শৃংখলা বলবৎ কৰিবলৈ নেপাল সেনাক নিয়োগ কৰা হৈছে বুলি চৰকাৰী মুখপাত্ৰৰ উদ্ধৃতিৰে বাতৰি সংস্থাই প্ৰকাশ কৰিছে। কাঠমাণ্ডুৰ বালুৱাটাৰত থকা প্ৰধানমন্ত্ৰীৰ বাসগৃহত নেপালৰ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ এক উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত মুখ্য সচিব এক নাৰায়ণ আৰিয়াল, বিত্তমন্ত্ৰী বিষ্ণু পৌডেল, গৃহমন্ত্ৰী ৰমেশ লেখক, বৈদেশিক মন্ত্ৰী অৰ্জু ৰানা দেউবা, প্ৰতিৰক্ষা মন্ত্ৰী মনবীৰ ৰায় আৰু সেনা প্ৰধান অশোক ৰাজ ছিগডেল উপস্থিত থাকে। যোগাযোগ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ত পঞ্জীয়ন নকৰাৰ বাবে ফেচবুক, টুইটাৰ, হোৱাটছএপ, ইউটিউবকে ধৰি ২৬টা সামাজিক মাধ্যম প্লেটফৰ্ম ব্লক কৰাৰ বাবে ৪ ছেপ্টেম্বৰত চৰকাৰে লোৱা সিদ্ধান্তৰ ফলত জেন জি নেতৃত্বত আন্দোলনটো জ্বলি উঠিছিল। চৰকাৰে এই নিষেধাজ্ঞা নিয়ন্ত্ৰণ অনুসৰণৰ বিষয় বুলি দাবী কৰিলেও প্ৰতিবাদকাৰীসকলে ইয়াক সমালোচনাত্মক কণ্ঠ আৰু সংগঠিত মতানৈক্য দমনৰ লক্ষ্যৰে প্ৰত্যক্ষ চেঞ্চৰশ্বিপৰ কাৰ্য্য হিচাপে লয়। চৰকাৰে জাৰি কৰা ফোন আৰু ইণ্টাৰনেট ব্লেকআউটৰ পিছতো জেন জিৰ কৰ্মীসকলে সংগঠিত হ’বলৈ টিকটক আৰু ৰেডিটৰ দৰে বিকল্প প্লেটফৰ্মৰ সুবিধা লয়। চৰকাৰ আৰু ইয়াৰ নীতিৰ বিৰুদ্ধে শ্লোগান দি হাজাৰ হাজাৰ যুৱ বিক্ষোভকাৰী সমবেত হয়। মৈতিঘৰ মণ্ডলৰ পৰা আৰম্ভ হোৱা এই পদযাত্ৰা সংসদ ভৱনৰ দিশে আগবাঢ়ে। প্ৰতিবাদকাৰীসকলে সংসদৰ কাষ চাপি অহাৰ লগে লগে আৰক্ষীয়ে বেৰিকেড স্থাপন কৰে যদিও ঠাইখিনি ভাঙি পেলায়, যাৰ ফলত বিষয়াসকলে কন্দুৱা গেছ নিক্ষেপ কৰে। বিশৃংখলতাৰ মাজতে একাংশ প্ৰতিবাদকাৰীয়ে সংসদ চৌহদ ভংগ কৰি প্ৰৱেশ কৰিবলৈ সক্ষম হয়। অনলাইনত প্ৰচাৰিত ভিডিঅ’ আৰু ছবিত দেখা গৈছে যে কন্দুৱা গেছৰ কেনিষ্টাৰ ব্যৱহাৰ কৰা হয়, আনহাতে বিক্ষোভকাৰীয়ে আৰক্ষীৰ ওপৰত গছৰ ডাল আৰু পানীৰ বটল নিক্ষেপ কৰে। প্ৰতিবাদকাৰীয়ে সংসদৰ এখন গেট ভাঙি জুই লগাই দিয়ে। বহু আন্দোলনকাৰীয়ে স্কুল-কলেজৰ পোছাক পিন্ধি পতাকা আৰু “স্বাধীন কণ্ঠ আমাৰ অধিকাৰ” আৰু “কৰদাতাৰ ধন ক’লৈ গ’ল?” শ্লোগানযুক্ত প্লে’কাৰ্ড লৈ আহে। ‘জেন জি বিপ্লৱ’ বুলি অভিহিত কৰা এই আন্দোলনটো দুৰ্নীতি আৰু অৰ্থনৈতিক বৈষম্যক লৈ উতলি থকা ক্ষোভৰ পৰাই উদ্ভৱ হৈছে বুলি বিশ্লেষকসকলে যুক্তি আগবঢ়ায়। সামাজিক মাধ্যমক নিষিদ্ধ কৰাৰ চৰকাৰৰ পদক্ষেপে চূড়ান্ত স্ফুলিংগ হিচাপে কাম কৰে, নেপালৰ ডিজিটেল-চেভি যুৱক-যুৱতীসকলক অনলাইন স্থানৰ পৰা ৰাজপথলৈ ঠেলি দিছিল এক সাহসী আৰু সমন্বিত অৱজ্ঞাৰ প্ৰদৰ্শনত। ইফালে, প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলীয়ে ৰাষ্ট্ৰৰ পঞ্জীয়নবিহীন সামাজিক মাধ্যম প্লেটফৰ্মসমূহ নিষিদ্ধ কৰাৰ সিদ্ধান্তৰ সমৰ্থন কৰি কয় যে যদিও যোৱা সময়ছোৱাত কিছুমান গোটে এই পদক্ষেপৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে “ৰাষ্ট্ৰক ক্ষতি কৰাৰ যিকোনো প্ৰচেষ্টা সহ্য কৰা নাযাব।” শাসকীয় নেপাল কমিউনিষ্ট পাৰ্টি (ইউনিফাইড মাৰ্ক্সবাদী-লেনিনিষ্ট)ৰ অধিৱেশনত ভাষণ দি অলিয়ে কয় যে দলটোৱে “সদায় বিজুতি আৰু অহংকাৰৰ বিৰুদ্ধে থিয় দিব, আৰু জাতিটোক দুৰ্বল কৰা কোনো কাম কেতিয়াও মানি নলয়।” তেওঁ কয়, “এমুঠিমান ব্যক্তিৰ চাকৰি হেৰুৱাতকৈ জাতিৰ স্বাধীনতা অধিক আৱশ্যক। আইন অৱজ্ঞা কৰা, সংবিধানক অৱজ্ঞা কৰা, জাতীয় মৰ্যাদা, স্বাধীনতা, সাৰ্বভৌমত্বক অসন্মান কৰাটো কেনেকৈ গ্ৰহণযোগ্য হ’ব পাৰে।” মন্ত্ৰালয়ে জাৰি কৰা জাননী অনুসৰি সামাজিক মাধ্যম কোম্পানীসমূহক ২৮ আগষ্টৰ পৰা পঞ্জীয়ন কৰিবলৈ সাত দিনৰ সময় দিছিল। কিন্তু বুধবাৰে নিশা সময়সীমা শেষ হোৱাৰ পিছতো মেটা (ফেচবুক, ইনষ্টাগ্ৰাম, হোৱাটছএপ), এলফাবেট (ইউটিউব), এক্স (পূৰ্বৰ টুইটাৰ), ৰেডিট, লিংকডইনকে ধৰি কোনো এটা ডাঙৰ প্লেটফৰ্মে আবেদন দাখিল কৰা নাছিল।

## প্ৰধানমন্ত্ৰী মোদীৰ অসম

পূৰ্ব ভ্ৰমণৰ প্ৰস্তুতি চলি থকাৰ মাজতে গোলাঘাট জিলাৰ স্থানীয় লোকে হাতী কৰিড’ৰত বাঁহৰ বেৰিকেড স্থাপনৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। স্থানীয় সূত্ৰৰ মতে, ৪ৰ পৰা ৬ ছেপ্টেম্বৰৰ ভিতৰত লেটেকুজান চাহ বাগিচাৰ সমীপত প্ৰধানমন্ত্ৰীৰ সমাৰেশৰ জন্য স্থাপিত এই বেৰিকেডৰ মাজেৰে যাতায়াত কৰিবলৈ চেষ্টা কৰা বনৰীয়া হাতীৰ জাকৰ ছবি আৰু ভিডিঅ’ সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে। এক হাতীয়ে বেৰিকেড ভাঙি পথ মুকলি কৰিছিল যদিও স্থানীয় লোকে আশংকা কৰিছে যে এই কৰিড’ৰত, যিটো কাৰ্বি আংলং পাহাৰৰ সৈতে সংযুক্ত, ১০ দিন পূৰ্বে চাহ বাগিচাখনত জন্মগ্ৰহণ কৰা এটা নৱজাত হাতীৰ পোৱালিৰ ক্ষতি হ’ব পাৰে। স্থানীয় বাসিন্দাসকলে জানিবলৈ দিছে যে প্ৰায় এসপ্তাহ পূৰ্বে স্থাপিত এই বেৰিকেডসমূহে হাতীৰ দৈনন্দিন চলাচলত ব্যাঘাত জন্মাইছে, যি বন্যপ্ৰাণী (সুৰক্ষা) আইন, ১৯৭২ৰ উলংঘনৰ সমান। পৰিৱেশ কৰ্মী ৰোহিত চৌধুৰীয়ে, যিয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ওচৰৰ হাতী কৰিড’ৰৰ সুৰক্ষাৰ বাবে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণত (এনজিটি) আবেদন জনাইছে, এই বেৰিকেডক আইনৰ “উপহাস” বুলি সমালোচনা কৰিছে। তেওঁ ২০১৯ৰ উচ্চতম ন্যায়ালয়ৰ এক নিৰ্দেশৰ কথা উল্লেখ কৰে, য’ত এনআৰএলক হাতী কৰিড’ৰত বাধা সৃষ্টিকাৰী এক দেৱাল ভাঙিবলৈ আদেশ দিয়া হৈছিল। এই কাম ২০২৪ত আংশিকভাৱে সম্পন্ন হৈছিল। চৌধুৰীয়ে প্ৰধানমন্ত্ৰী মোদীৰ “মন কি বাত”ত অসমৰ হাতী-বন্ধুত্বপূৰ্ণ উদ্যোগৰ প্ৰশংসাৰ কথা স্মৰণ কৰি সমাৰেশৰ জন্য পথ বন্ধ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত প্ৰশ্ন তুলিছে। ইফালে, গোলাঘাটৰ অতিৰিক্ত আৰক্ষী অধীক্ষকে সংবাদ মাধ্যমক জনোৱা মতে, এই ঘটনাত জংঘলৰ পৰা অহা এটা হাতী জড়িত আছিল, আৰু ক্ষতিগ্ৰস্ত বেৰিকেড তৎক্ষণাত মেৰামতি কৰা হৈছে। স্থানীয় ৰাইজে কৰ্তৃপক্ষক আহ্বান জনাইছে যাতে প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ সময়ত বন্যপ্ৰাণীৰ কোনো ক্ষতি নহয় আৰু আদালতৰ নিৰ্দেশৰ কঠোৰভাৱে পালন কৰা হয়। উল্লেখযোগ্য যে, ৪২০০ কোটি টকাৰ এই বায়ো-ইথানল প্ৰকল্প, যি এনআৰএল আৰু আছাম বায়ো ইথানল প্ৰাইভেট লিমিটেডৰ যৌথ উদ্যোগ, বাঁহৰ জৈৱবস্তুৰে বছৰি ৫০ হাজাৰ টন ইন্ধন গ্ৰেডৰ ইথানল উৎপাদন কৰিব। এইটো ভাৰতৰ প্ৰথম বায়ো-ইথানল প্ৰকল্প হিচাপে গণ্য কৰা হৈছে।

## অসমৰ পৰা ১৮জন

অনুপ্ৰৱেশ ৰোধৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে আৰু এই ক্ষেত্ৰত কোনো ধৰণৰ স্থিতি গ্ৰহণ কৰা নহ’ব। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যম এ’ত এক পোষ্টত লিখিছে, “অনুপ্ৰৱেশকাৰীৰ বিতাড়নৰ বিষয়ে মোৰ পূৰ্বৰ পোষ্টসমূহত লোকে বিভিন্ন মতামত আৰু পৰামৰ্শ প্ৰকাশ কৰিছে। আমি নিশ্চিত কৰিছো যে এইসকল ব্যক্তি যাতে পুনৰ অসমলৈ ঘূৰি নাহে, তাৰ বাবে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিগতকাল ৰাতি আমি ১৮ জনক পুছ বেক (PUSHED BACK) কৰিছো।” যদিও এই বিতাড়নৰ কাৰ্যকৰী অভিযানৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে, তেওঁ কোন জিলাৰ পৰা এই অনুপ্ৰৱেশকাৰীসকলক ধৰা পৰিছিল বা বিতাড়িত কৰা হৈছিল, সেই সন্দৰ্ভত কোনো নিৰ্দিষ্ট তথ্য প্ৰকাশ কৰা নাই। ৰাজ্য চৰকাৰে অবৈধ অনুপ্ৰৱেশৰ বিৰুদ্ধে কঠোৰ নীতি অৱলম্বন কৰি আহিছে। মুখ্যমন্ত্ৰী শৰ্মাই পূৰ্বেও কৈছিল যে অসমত অবৈধভাৱে প্ৰৱেশ কৰা ব্যক্তিসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ’ব আৰু তেওঁলোকক দেশৰ সীমান্তৰ বাহিৰলৈ ওভতাই পঠোৱা হ’ব। এই সাম্প্ৰতিক বিতাড়নৰ পদক্ষেপে চৰকাৰৰ এই অঙ্গীকাৰক আৰু অধিক শক্তিশালী কৰিছে। এই অভিযানৰ জৰিয়তে অসম চৰকাৰে অবৈধ অনুপ্ৰৱেশৰ সমস্যাৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত নিজৰ দৃঢ় স্থিতি পুনৰ প্ৰকাশ কৰিছে। ভৱিষ্যতেও এনে পদক্ষেপ অব্যাহত থাকিব বুলি চৰকাৰী সূত্ৰই জনাইছে।

## আত্মসমৰ্পণ ! ছ’চিয়েল

কে পি শৰ্মা অলিৰ চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী পৃথ্বী চুবা গুৰুঙে। চুবুৰীয়া দেশখন চলি থকা প্ৰতিবাদ, ক্ষোভৰ জুইৰ ফলত সৃষ্টি হোৱা গভীৰ সংকটৰ মাজতে সোমবাৰে নিশা চৰকাৰে কেবিনেট বৈঠক আহ্বান কৰিছিল। এই কেবিনেট বৈঠকতে নিষেধাজ্ঞা উঠাই লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে, দেশখনত ২৬টা সামাজিক মাধ্যমত নিষেধাজ্ঞা আৰোপ কৰাৰ বিৰোধিতাৰে প্ৰতিবাদ সাব্যস্ত কৰিছিল একাংশই। দেশৰ ৰাজধানী চহৰৰ ৰাজপথলৈ ওলাই আহিছিল হাজাৰ হাজাৰ প্ৰতিবাদকাৰী। প্ৰতিবাদকাৰীক ৰুধিবলৈ নিয়োগ কৰা হৈছিল সেনা বাহিনী। এই প্ৰতিবাদত এই পৰ্যন্ত ২৪ৰ মৃত্যু হোৱাৰ লগতে আগত হৈছে শতাধিক লোক। আনহাতে, কেবিনেট বৈঠকৰ পাছত নেপালৰ যোগাযোগ, তথ্য আৰু প্ৰচাৰ মন্ত্ৰী পৃথ্বী চুবা গুৰুঙে ঘোষণা কৰে যে, চৰকাৰে GenZৰ দাবী মানি সামাজিক মাধ্যম পুনৰ খোলাৰ সিদ্ধান্ত লৈছে। অৱশ্যে, তেওঁ স্পষ্ট কৰে যে পূৰ্বৰ নিষেধাজ্ঞা আৰোপৰ সিদ্ধান্তৰ বাবে চৰকাৰে কোনো অনুতাপ নাই। চৰকাৰে পূৰ্বৰ সিদ্ধান্তৰ বাবে আক্ষেপ নকৰে, কিন্তু আন্দোলনৰ প্ৰতি লক্ষ্য ৰাখি এই নিষেধাজ্ঞা উঠাই লোৱা হৈছে। নেপালত ছ’চিয়েল মিডিয়া ব্যৱহাৰৰ পথ পুনৰ মুকলি কৰা হৈছে। লগতে আন্দোলনৰ অন্ত পেলাবলৈ প্ৰতিবাদকাৰীক আহ্বান জনায়। উল্লেখযোগ্য যে, এই কেবিনেট বৈঠকতে হিংসাত্মক ঘটনা পৰ্যালোচনাৰ বাবে এখন অনুসন্ধান সমিতি গঠন কৰা হৈছে। সমিতিখনে ১৫ দিনৰ ভিতৰত নেপাল চৰকাৰক প্ৰতিবেদন দাখিল কৰিব লাগিব। দেশখনৰ যুৱ প্ৰজন্মৰ নেতৃত্বত চলি থকা হিংসাত্মক প্ৰতিবাদে চুবুৰীয়া দেশখনক জোকাৰি যোৱাৰ ফলত ভাৰতে মঙলবাৰে নেপালত থকা নাগৰিকসকলৰ বাবে এক পৰামৰ্শ জাৰি কৰে। এই পৰামৰ্শত নতুন দিল্লীয়ে নেপালত বসবাস কৰা ভাৰতীয়সকলক সাৱধানতা অৱলম্বন কৰাৰ পৰামৰ্শ আগবঢ়াই আৰু কৰ্তৃপক্ষই জাৰি কৰা নিৰ্দেশনা মানি চলিবলৈ আহ্বান জনাইছে। এক আনুষ্ঠানিক বিবৃতিত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কালিৰে পৰা নেপালৰ পৰিঘটনাসমূহ তীক্ষ্ণ দৃষ্টিৰে নিৰীক্ষণ কৰি থকা বুলি উল্লেখ কৰি জীৱন হেৰুওৱা যুৱক-যুৱতীসকলৰ বাবে দুখ প্ৰকাশ কৰিছে। বিবৃতিটোত কোৱা হৈছে যে, “আমি কালিৰে পৰা নেপালৰ পৰিঘটনাসমূহ তীক্ষ্ণ দৃষ্টিৰে নিৰীক্ষণ কৰি আছো আৰু বহু যুৱকৰ প্ৰাণ হেৰুওৱাৰ বাবে গভীৰ দুখ প্ৰকাশ কৰিছোঁ। মৃতকৰ পৰিয়ালৰ বাবে আমাৰ গভীৰ সমবেদনা আছে। লগতে আহত হোৱাসকলৰ আশু আৰোগ্য কামনা কৰিছো।”

## আজি উপ ৰাষ্ট্ৰপতি

গণনাৰ কাম মঙ্গলবাৰে কাৰ্যকৰী হ’ব। বিজেপি নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোঁটৰ (এন ডি এ) প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণন আৰু ইণ্ডিয়া ব্লকৰ প্ৰাৰ্থী ন্যায়াধীশ (অৱসৰপ্ৰাপ্ত) বি সুদৰ্শন ৰেড্ডীৰ মাজত প্ৰত্যক্ষ প্ৰতিদ্বন্দ্বিতা দেখা যাব। এই দুয়োজন প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব মুঠ ৭৮২ গৰাকী সাংসদে, যিবোৰ লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকলৰ সমষ্টি। ভাৰতীয় সংবিধানৰ ৬৬(১) অনুচ্ছেদ অনুসৰি উপ-ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচন এক নিৰ্বাচক মণ্ডলীৰ দ্বাৰা অনুষ্ঠিত হয়, য’ত দুয়োটা সংসদীয় সদনৰ সকলো সদস্যই ভোটাৰ হিচাপে অংশগ্ৰহণ কৰে। দেশৰ দ্বিতীয় সৰ্বোচ্চ পদৰ বাবে এই নিৰ্বাচন মঙ্গলবাৰে পুৱা ১০টা বজাৰ পৰা সংসদ ভৱনত আৰম্ভ হ’ব আৰু সন্ধিয়া ৫টা বজালৈ ভোটদান চলিব। ভাৰতীয় নিৰ্বাচন আয়োগক সংবিধানৰ ৩২৪ অনুচ্ছেদৰ অধীনত এই নিৰ্বাচন অনুষ্ঠিত কৰাৰ পূৰ্ণ ক্ষমতা প্ৰদান কৰা হৈছে। নিৰ্বাচন আয়োগৰ এগৰাকী জ্যেষ্ঠ বিষয়াই এটি সাক্ষাৎকাৰত কয় যে, “মঙ্গলবাৰে অনুষ্ঠিত হ’বলগীয়া উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মুঠ ৭৮২জন সদস্য (লোকসভা আৰু ৰাজ্যসভাৰ দুয়োটাৰে) ভোটদানৰ যোগ্য। পুৱা ১০টা বজাৰ পৰা বিয়লি ৫টা বজালৈ সংসদ ভৱনৰ এফ-১০১ নং কোঠাত বেলট পেপাৰৰ জৰিয়তে ভোটগ্ৰহণ কৰা হ’ব। সন্ধিয়া ৬টা বজাৰ পৰা ভোট গণনা আৰম্ভ হ’ব আৰু ইয়াৰ পিছত অতি সোনকালে ফলাফল ঘোষণা কৰা হ’ব।” জ্যেষ্ঠ নিৰ্বাচনী বিষয়াগৰাকীয়ে অব্যাহতি কৰি কয় যে, “একেটা সময়ত ছয়জন সদস্যই ভোট দিবলৈ কোঠাটোত প্ৰৱেশ কৰিব পাৰিব। ছটা কেবিন নিৰ্মাণ কৰা হৈছে, যিবোৰত সদস্যসকলে নিজৰ নিজৰ বেলট পেপাৰত চিহ্ন লগাব পাৰিব। তাৰ পিছত বেলট বাকচত ভৰাই থ’ব পাৰিব।” তেওঁলোকে কয় যে, সকলো ভোটাৰে (অৰ্থাৎ সাংসদসকলে) ভোটদানৰ বাবে এই কোঠাটোত উপস্থিত হোৱা বাধ্যতামূলক। প্ৰাক্তন সচিব প্ৰধান পিডিটি আচাৰ্যে উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰক্ৰিয়াৰ বিষয়ে বিশদভাৱে ব্যাখ্যা কৰিছে। তেওঁ কয়, “এই প্ৰক্ৰিয়াটো সাধাৰণ নিৰ্বাচনৰ দৰেই। কিন্তু পাৰ্থক্য এটা হ’ল, সাধাৰণ নিৰ্বাচনত ইলেক্ট্ৰ’নিক ভোটিং মেচিন (ইভিএম) ব্যৱহাৰ কৰা হয়, কিন্তু এইখিনিত ভোটদান ইভিএমৰ সৈতে নহয়, বেলট পেপাৰৰ জৰিয়তে কৰা হয়। এইখিনি ভোটাৰ হিচাপে দুয়োটা সদনৰ সকলো সাংসদই অংশগ্ৰহণ কৰে।” আচাৰ্যে ব্যাখ্যা কৰে যে, “সাংসদসকলে প্ৰথমে ৰিটাৰ্নিং অফিচাৰ (আৰ অ’)ৰ ওচৰলৈ যাব লাগিব, য’ত ভোটগ্ৰহণৰ কাম হয়। তাত তেওঁলোকক এখন বেলট পেপাৰ দিয়া হ’ব। বেলট পেপাৰত প্ৰাৰ্থীসকলৰ নাম বৰ্ণানুক্ৰমিক ভাৱে লিপিবদ্ধ কৰা হৈছে। গতিকে, যেতিয়া বেলট পেপাৰ তেওঁলোকৰ হাতত দিয়া হ’ব, তেতিয়া আৰ অ’ই ভোটাৰ তালিকাত সেই সাংসদজনৰ নামৰ সন্মুখত এটা চিহ্ন লগাব।” তেওঁ কয়, “ইয়াৰ পিছত সাংসদসকলে যিবোৰ কেবিন নিৰ্মাণ কৰা হৈছে, সেইবোৰলৈ গৈ নিজৰ ভোট দিব। ভোট দিয়াৰ পিছত তেওঁলোকে ওলাই আহি বেলট পেপাৰখন বেলট বাকচত ভৰাই দিব পাৰিব, যিটো কোঠাৰ মাজত ৰখা হ’ব।” লোকসভাৰ প্ৰাক্তন সচিব প্ৰধানগৰাকীয়ে কয় যে, “ভোটগ্ৰহণ কেন্দ্ৰত ৰিটাৰ্নিং অফিচাৰৰ সৈতে প্ৰত্যেক প্ৰাৰ্থীৰ এজন প্ৰতিনিধি উপস্থিত থাকিব পাৰে। এই প্ৰতিনিধিয়ে সম্পূৰ্ণ ভোটগ্ৰহণ প্ৰক্ৰিয়াটো নিৰীক্ষণ কৰিব পাৰিব। যদি কোনো অনিয়ম ঘটে, তেন্তে তেওঁলোকে আপত্তি জনাই ৰিটাৰ্নিং অফিচাৰৰ দৃষ্টিগোচৰ কৰিব পাৰিব। তাৰ উপৰি নিৰ্বাচন আয়োগৰ পৰ্যবেক্ষকসকলোবো উপস্থিত থাকিব আৰু সমগ্ৰ প্ৰক্ৰিয়াটো নিৰীক্ষণ কৰিব।” আচাৰ্যে স্পষ্ট কৰি কয়, “প্ৰাৰ্থী যদি সাংসদ হয়, তেন্তে তেওঁ ভোট দিব পাৰিব, কিন্তু সাংসদ নহ’লে ভোট দিব নোৱাৰে।” লোকসভাত এন ডি এৰ ২৯৩জন আৰু বিৰোধী দলৰ ২৩৪জন সদস্য আছে, আনহাতে ৰাজ্যসভাত ক্ৰমে ১৩২ আৰু ৭৭জন সদস্য আছে। নিৰ্বাচনৰ পূৰ্বে দেওবাৰে ৰাষ্ট্ৰীয় ৰাজধানীত বিজেপিৰ সাংসদসকলৰ বাবে দুদিনীয়া কৰ্মশালা আৰম্ভ হৈছিল। সোমবাৰে সংসদৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত ভাৰত ব্লকৰ সাংসদসকলৰ এখন বৈঠক অনুষ্ঠিত হৈছিল, যিটো ভোটগ্ৰহণৰ এদিন পূৰ্বে ঐক্যৰ প্ৰদৰ্শন হিচাপে বিবেচনা কৰিব পাৰি।

## হোমিঅ’পেথিক ডিগ্ৰী লৈ

ডগ্ৰীৰে নিজকে এমবিবিএছ (এমবিবিএছ) চিকিৎসক বুলি চাকৰি লাভ কৰিছিল। ধৃত অভিযুক্ত ব্যক্তিটো বঙাইগাঁও জিলাৰ অভয়াপুৰী মহকুমাৰ ভাটিয়াপাৰা গাঁৱৰ বাসিন্দা আনিছুৰ ৰহমান। এই ঘটনাই স্বাস্থ্য খাতত ভুৱা ডিগ্ৰীৰ অপব্যৱহাৰৰ সমস্যাক আৰু তীব্ৰতৰ কৰি তুলিছে, যিয়ে জনস্বাস্থ্যৰ বাবে গুৰুত্বপূৰ্ণ ভাবুকি সৃষ্টি কৰিব পাৰে। কোকৰাঝাৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (এডিচিপি) আজিজা গুলেনুৰে জানিবলৈ দিয়া তথ্য অনুসৰি, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান (এনএইচএম)ৰ অধীনৰ মোবাইল মেডিকেল ইউনিটৰ চাকৰিৰ বাবে যোৱা ১ ছেপ্টেম্বৰত আনিছুৰ ৰহমানে এমবিবিএছ ডিগ্ৰীৰ এক ভুৱা প্ৰমাণপত্ৰৰ সহায়ত আবেদন কৰিছিল। ৫ ছেপ্টেম্বৰত তেওঁ কামত যোগদান কৰে। কিন্তু মাত্ৰ এটা দিনৰ পিছত, অৰ্থাৎ ৬ ছেপ্টেম্বৰত কোকৰাঝাৰ আৰক্ষীয়ে তেওঁৰ বিৰুদ্ধে এক গুৰুত্বপূৰ্ণ অভিযোগ লাভ কৰে। এই অভিযোগৰ ভিত্তিত আৰক্ষীয়ে তেওঁৰ ওপৰত নজৰ ৰাখি তদন্ত আৰম্ভ কৰে। তদন্তৰ ক্ৰমে, আনিছুৰ ৰহমানে বালাজান-তিনিআলীৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ ৰাষ্ট্ৰীয় মোবাইল মেডিকেল ইউনিটৰ জৰিয়তে দেওবাৰত এখন স্বাস্থ্য শিবিৰৰ আয়োজন কৰিছিল, য’ত তেওঁ কৰ্তব্যৰত আছিল। এই শিবিৰৰ সময়ত আৰক্ষীয়ে তেওঁক আটক কৰি কোকৰাঝাৰ থানালৈ লৈ গৈ সোধা-পোছা কৰে। তদন্তৰ অন্তত তেওঁ স্বীকাৰ কৰে যে, তেওঁ হোমিঅ’পেথিক চিকিৎসক আৰু যোৰহাটৰ পৰা লাভ কৰা ডিগ্ৰীৰ চাৰ্টিফিকেটক কৌশলপূৰ্ণভাৱে ভুৱা এমবিবিএছ প্ৰমাণপত্ৰলৈ পৰিণত কৰি নিজকে এমবিবিএছ চিকিৎসক হিচাপে প্ৰচাৰ কৰি চাকৰিৰ বাবে আবেদন কৰিছিল। এই ভুৱা চিকিৎসকৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতা (বিএনএছ)ৰ ধাৰা ৩১৯(২), ৩১৬(২), ৩৩৬(২)১২৫, আৰু ২৭১ অধীনত কোকৰাঝাৰ থানাত ২১৬/২০২৫ নম্বৰত গোচৰ পঞ্জীয়ন কৰা হৈছে। এই ধাৰাসমূহে ছলনা, জালিয়াতি, স্বাস্থ্যবিধি লঙ্ঘন আৰু জনস্বাস্থ্যৰ প্ৰতি ভাবুকি সৃষ্টিৰ অভিযোগক নিৰ্দেশ কৰে। আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰি সোধা-পোছা অব্যাহত ৰাখিছে, যাতে পূৰ্ণ তদন্তৰ জৰিয়তে সম্পূৰ্ণ সত্যতা উন্মোচিত হয়।

## অৰুণাচলত আত্মসমৰ্পণ

অধীক্ষকৰ ওচৰত আত্মসমৰ্পণ কৰা এনএছচিএন(আই এম) ৰ মেজৰ গৰাকীয়ে আৰক্ষীৰ হাতত জমা দিয়ে এটা AK ৪৭ ৰাইফলছ আৰু ৩০ ৰাউণ্ড সক্ৰিয় গুলী। আত্মসমৰ্পণ কৰা বিদ্ৰোহী নেতা গৰাকীক নংদিং আৰক্ষীয়ে দুই এদিনৰ ভিতৰত তিনিচুকীয়া আৰক্ষীক চমজাই দিব বুলি জানিব পৰা গৈছে।

## শদিয়াৰ পৰা ধুবুৰীলৈ জন্ম

সৰ্বস্তৰৰ জনতা। গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসালয়ৰ খেলপথাৰত আজিৰ পৰা আৰম্ভ হৈছে বছৰজোৰা কাৰ্যসূচীৰে ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ এক মহান আয়োজন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰা আৰম্ভ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈকে সকলোৱে এই দিনটোত সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছে। পুৱা ভূপেন হাজৰিকাৰ সমাধিস্থলত উপস্থিত হৈ শ্ৰদ্ধা নিবেদন কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ। তেওঁৰ সৈতে এই শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীত অংশগ্ৰহণ কৰে বিধায়ক ৰেকিবুদ্দিন আহমেদ আৰু নন্দিতা দাস। গৌৰৱ গগৈয়ে এই সুযোগত কয়, “ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্মৰ পৰা প্ৰতিগৰাকী ৰাজনীতিকে শিক্ষা গ্ৰহণ কৰিব পাৰে। তেওঁ অসমীয়া সংস্কৃতিৰ শ্ৰেষ্ঠ দূত আৰু আমাৰ গৌৰৱৰ প্ৰতীক। তেওঁৰ গীতৰ মাধ্যমে তেওঁ আমাক এখন সমৃদ্ধ আৰু ঐক্যবদ্ধ অসমৰ সপোন দেখুৱাই গৈছে।” তেওঁ আৰু কয়, “ভূপেন হাজৰিকা আমাৰ অমূল্য সম্পদ। তেওঁৰ সৃষ্টি আৰু আদৰ্শ আমাৰ মাজত চিৰকাল জীৱিত থাকিব। এশ বছৰ পিছতো তেওঁৰ নাম অসমীয়াৰ হৃদয়ত অমলিন হৈ থাকিব।” এই শতবাৰ্ষিকী উদযাপনৰ অংশ হিচাপে অসমৰ বিভিন্ন প্ৰান্তত নানা সাংস্কৃতিক আৰু সামাজিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ভূপেন হাজৰিকাৰ গীত, সংগীত আৰু সামাজিক বাৰ্তাৰ মাধ্যমে নতুন প্ৰজন্মৰ মাজত তেওঁৰ আদৰ্শ প্ৰচাৰৰ প্ৰয়াস চলিছে। তেওঁৰ অৱদানৰ স্মৃতিত এই বছৰজোৰা কাৰ্যসূচীয়ে অসমীয়া সমাজত ঐক্য, শান্তি আৰু সাংস্কৃতিক গৌৰৱৰ বাৰ্তা প্ৰচাৰ কৰিব বুলি আশা কৰা হৈছে। এই মহান শিল্পীৰ জন্মদিনত সমগ্ৰ অসমৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ ভক্ত আৰু গুণমুগ্ধসকলে তেওঁৰ অমৰ গীত আৰু সৃষ্টিৰ মাধ্যমে তেওঁক স্মৰণ কৰি শ্ৰদ্ধা নিবেদন কৰিছে। ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্মই অসমীয়া সংস্কৃতিৰ এক অনন্য অধ্যায়ৰ সৃষ্টি কৰিছে, যি চিৰকাল আমাৰ মাজত প্ৰেৰণা হৈ ৰ’ব। ইফালে সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি জনাই আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কয়, “ভূপেন দাৰ জন্ম শতবাৰ্ষিকী বছৰজুৰি বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হ’ব। আজি এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পৰাই চৰকাৰলৈ কেইবাটাও দাবী জনাও। বিদ্যালয়ৰ পাঠ্যক্ৰমত ভূপেন হাজৰিকাৰ সৃষ্টিৰাজি অন্তৰ্ভুক্তিকৰণ, গুৱাহাটী, তেজপুৰ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ভূপেন হাজৰিকাৰ নামত এখনকৈ আসন স্থাপন কৰিব লাগে। তদুপৰি ভাৰতবৰ্ষৰ মূল বিশ্ববিদ্যালয়ত ভূপেন দাৰ নামত আসন সৃষ্টি কৰা, ভূপেন দাৰ নামত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ গৱেষণা প্ৰতিষ্ঠান স্থাপন কৰা, ভূপেন হাজৰিকাৰ নামত ভাৰতবৰ্ষত এখন ৰে’লৰ প্ৰৱৰ্তনৰ ব্যৱস্থা কৰিব লাগে। গুৱাহাটী ৰে’ল টাৰ্মিনেল ভূপেন দাৰ নামত নামকৰণ, সমাধিক্ষেত্ৰ আহল-বহল কৰিব লাগে।”

## হিট এন্ ৰান গোচৰত

আদালতে এই সিদ্ধান্ত গ্ৰহণ কৰে। আদালতে অভিযুক্ত আৰু চৰকাৰী পক্ষৰ যুক্তি বিবেচনা কৰি এই জামিন মঞ্জুৰ কৰিছে। নন্দিনী কাশ্যপৰ অধিবক্তা বিজন মহাজনে জানিবলৈ দিয়ে যে, আৰক্ষীৰ প্ৰমাণৰ অভাৱ আৰু অযুক্তিকৰ ধাৰা সন্নিৱিষ্টকৰণৰ কাৰণে নন্দিনীয়ে জামিন লাভ কৰিছে। তেওঁৰ মতে, আৰক্ষীয়ে গোচৰত সন্নিৱিষ্ট কৰা ১০৫ ধাৰা যুক্তিহীন আছিল। জামিনৰ চৰ্ত হিচাপে নন্দিনীয়ে ৫০,০০০ টকাৰ জৰিমানা আৰু জামিনদাৰৰ জৰিয়তে জামিননামা দাখিল কৰিব লাগিব। ইয়াৰ উপৰিও, তেওঁক পাছপোৰ্ট আৰু ভিছা আদালতত জমা দিবলৈ নিৰ্দেশ দিয়া হৈছে। ঘটনাৰ বিশদ বিৱৰণ অনুসৰি, বিগত ২৫ জুলাইৰ পুৱতি নিশা গুৱাহাটীৰ কাহিলীপাৰাৰ দক্ষিণগাঁৱত নন্দিনী কাশ্যপে তীব্ৰ বেগত নিজৰ বলেৰো বাহন চলাই থাকোঁতে বিপৰীত দিশৰ পৰা আহি থকা ছামিউল হক নামৰ ২১ বছৰীয়া যুৱকৰ স্কুটীক খুন্দা মাৰে আৰু ঘটনাস্থলীৰ পৰা পলায়ন কৰে। আঘাতপ্ৰাপ্ত ছামিউলক প্ৰথমে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হয়। পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে তেওঁক মহানগৰীৰ এখন ব্যক্তিগত হাস্পতাললৈ স্থানান্তৰিত কৰা হয়। কিন্তু দুৰ্ভাগ্যজনকভাৱে, ২৯ জুলাইত ছামিউল হকে শেষ নিশ্বাস ত্যাগ কৰে। ছামিউলৰ মৃত্যুৰ পিছত, একেদিনা সন্ধিয়া শৰাইঘাটৰ সমীপত থিয়েটাৰৰ পৰা গুৱাহাটীলৈ ঘূৰি অহাৰ সময়ত নন্দিনী কাশ্যপক আৰক্ষীয়ে আটক কৰে। তেওঁক পানবজাৰ মহিলা আৰক্ষী থানালৈ লৈ যোৱা হয়। মৃত্যুৰ পিছত আৰক্ষীয়ে গোচৰত জামিনবিহীন ১০৫ ধাৰা সন্নিৱিষ্ট কৰি নন্দিনীক গ্ৰেপ্তাৰ কৰে। প্ৰথমে নন্দিনীয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ত জামিনৰ বাবে আবেদন কৰিছিল। কিন্তু গোচৰত অভিযোগনামা দাখিল হোৱাৰ কাৰণে উচ্চ ন্যায়ালয়ে তেওঁক নিম্ন আদালতৰ দ্বাৰস্থ হ’বলৈ নিৰ্দেশ দিয়ে। সেই অনুসৰি, নন্দিনীয়ে কামৰূপ সত্ৰ ন্যায়াধিক আদালতত জামিনৰ আবেদন কৰে, আৰু শেষত আদালতে তেওঁৰ জামিনৰ আবেদন মঞ্জুৰ কৰে। এই ঘটনাই গুৱাহাটীত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে, আৰু নন্দিনী কাশ্যপৰ জামিনে গোচৰৰ তদন্তৰ পৰৱৰ্তী পৰ্যায়ৰ প্ৰতি নতুন দৃষ্টিভংগীৰ সূচনা কৰিছে।

## ভাৰত মহাসাগৰত ভাৰতৰ

যুদ্ধক্ষমতা উল্লেখযোগ্যভাৱে বৃদ্ধি পাব। এই পদক্ষেপ ভাৰত মহাসাগৰত চীন আৰু পাকিস্তানৰ ক্ৰমবৰ্ধমান সামুদ্ৰিক শক্তিৰ প্ৰত্যাহ্বানৰ প্ৰতিউত্তৰ হিচাপে বিবেচিত হৈছে। প্ৰথম চুক্তিটোৰ মূল্য প্ৰায় ৩৬ হাজাৰ কোটি টকা। এই চুক্তিৰ অধীনত মুম্বাইৰ মাজাগাঁও ডক শ্বিপবিল্ডাৰ্ছ লিমিটেড (MDL) আৰু ফ্ৰান্সৰ নেভাল গ্ৰুপৰ সহযোগিতাত তিনিখন স্কৰ্পিন শ্ৰেণীৰ চাবমেৰিন নিৰ্মাণ কৰা হ’ব। এই চুক্তি ২০২৬ চনৰ মধ্যভাগত স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। দ্বিতীয় চুক্তিটোৰ অধীনত ‘প্ৰজে” ৭৫ ইণ্ডিয়া’ (P75-I)ৰ অংশ হিচাপে ৬৫ হাজাৰ কোটি টকাৰ ব্যয়ৰে ছয়খন ডিজেল-ইলেক্ট্ৰিক ষ্টেলথ চাবমেৰিন নিৰ্মাণ কৰা হ’ব। এই প্ৰকল্পত জাৰ্মানীৰ থাইচেনক্ৰুপ মেৰিন চিষ্টেমছ (TKMS) আৰু মাজাগাঁও ডক লিমিটেড যৌথভাৱে কাম কৰিব। এই প্ৰকল্প ‘মেক ইন ইণ্ডিয়া’ উদ্যোগৰ এক গুৰুত্বপূৰ্ণ অংশ, যিটো ২০২১ চনত অনুমোদিত হৈছিল। প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ সূত্ৰৰ মতে, এই দুয়োখন চুক্তি ২০২৬ চনৰ মধ্যভাগৰ ভিতৰত চূড়ান্ত হোৱাৰ সম্ভাৱনা আছে। চুক্তি স্বাক্ষৰৰ প্ৰায় ছয় বছৰ পিছত, অৰ্থাৎ ২০৩২ চনৰ পৰা এই চাবমেৰিনসমূহ ভাৰতীয় নৌসেনাত সন্নিৱিষ্ট হ’বলৈ আৰম্ভ কৰিব। এই চাবমেৰিনৰ সংযোজনে ভাৰতৰ পানীৰ তলৰ যুদ্ধক্ষমতাক দ্বিগুণ শক্তিশালী কৰিব, যি ভাৰত মহাসাগৰত চীনৰ ক্ৰমবৰ্ধমান প্ৰভাৱৰ প্ৰতিহত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই মেগা চুক্তিসমূহৰ জৰিয়তে ভাৰতীয় নৌসেনাৰ কৌশলগত শক্তি বৃদ্ধিৰ লগতে ‘মেক ইন ইণ্ডিয়া’ উদ্যোগে নতুন গতি লাভ কৰিব। এই প্ৰকল্পসমূহৰ মুঠ ব্যয় প্ৰায় ১.০৬ লাখ কোটি টকা হ’ব, যি দেশৰ প্ৰতিৰক্ষা আৰু স্থানীয় উৎপাদন ক্ষমতাৰ ক্ষেত্ৰত এক ঐতিহাসিক পদক্ষেপ। বিগত কেইবছৰমানৰ পৰা ভাৰতে প্ৰতিৰক্ষা ব্যৱস্থাক শক্তিশালী কৰাৰ দিশত কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। এই চুক্তিসমূহৰ জৰিয়তে ভাৰত মহাসাগৰত ভাৰতৰ নৌশক্তিৰ প্ৰভাৱ আৰু অধিক সুদৃঢ় হ’ব বুলি আশা কৰা হৈছে। নৌসেনাৰ বাবে এই চুক্তিসমূহ অত্যন্ত গুৰুত্বপূৰ্ণ, কিয়নো পানীৰ তলৰ যুদ্ধক্ষমতাৰ ক্ষেত্ৰত ভাৰতৰ শক্তি প্ৰদৰ্শনৰ প্ৰয়োজনীয়তা ক্ৰমশঃ বৃদ্ধি পাইছে। এই প্ৰকল্পৰ জৰিয়তে ভাৰত কেৱল নিজৰ প্ৰতিৰক্ষা ব্যৱস্থাক শক্তিশালী কৰাই নহয়, স্থানীয় উৎপাদন আৰু প্ৰযুক্তিৰ ক্ষেত্ৰতো এক নতুন মাইলৰ খুঁটি স্থাপন কৰিব।

## নৈতিক দায়িত্ব স্বীকাৰ !

পদত্যাগ দাবী কৰা হৈছিল। সন্ধিয়া ৬ বজাত প্ৰধানমন্ত্ৰী অলিয়ে আহ্বান কৰা কেবিনেট বৈঠকত লেখকে পদত্যাগ পত্ৰ দাখিল কৰে। ইয়াৰ উপৰিও বহু কৰ্মীয়ে প্ৰতিবাদকাৰীৰ ওপৰত গ্ৰহণ কৰা ব্যৱস্থাৰ বিৰুদ্ধে ৰমেশ লেখকৰ পদত্যাগৰ দাবী জনাইছিল। বৈঠকত কংগ্ৰেছ নেতাসকলে দুটা কথা বিবেচনা কৰে। য’ত অলি চৰকাৰৰ পৰা সমৰ্থন লোৱা আৰু লেখকৰ পদত্যাগৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। নেপালত কংগ্ৰেছ আৰু অলিৰ কমিউনিষ্ট পাৰ্টিৰ মিত্ৰতা আছে। নেপালী কংগ্ৰেছৰ সভাপতি শ্বেৰ বাহাদুৰ দেউবাই প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিক ছচিয়েল মিডিয়াত থকা নিষেধাজ্ঞা শীঘ্ৰে প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনাইছে। ছ’চিয়েল মিডিয়াত নিষেধাজ্ঞা আৰোপ কৰাৰ বিৰুদ্ধে সোমবাৰৰ পৰা আৰম্ভ হোৱা প্ৰতিবাদ আগ্ৰাসী হৈ পৰে। প্ৰকাশিত খবৰ অনুসৰি, প্ৰতিবাদৰ সময়ত প্ৰতিবাদকাৰীসকলে সংসদত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰে। ইয়াৰ মাজতে আৰক্ষীয়ে প্ৰতিবাদকাৰীৰ ওপৰত গুলী আৰু কন্দুৱা গেছ নিক্ষেপ কৰে। য’ত ২০০ৰো অধিক প্ৰতিবাদকাৰী আহত হৈছে আৰু প্ৰায় ১৯জন লোকৰ মৃত্যু হোৱাৰ খবৰ প্ৰকাশ পাইছে। নেপালত ৰাষ্ট্ৰসংঘৰ আৱাসী সমন্বয়ক হানা চিংগাৰ-হামদীয়ে সোমবাৰে Gen-Z ৰ প্ৰতিবাদৰ সময়ত মৃত্যু আৰু আহত হোৱাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। ফেচবুকৰ এটা পোষ্টত তেওঁ নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। লগতে সকলো পক্ষকে সংযম আৰু সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনায়। লগতে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পৰা পৰিবেশ গঢ়ি তুলিবলৈ চৰকাৰক আহ্বান জনায়।

## আলফা শান্তি চুক্তিৰ

হিচাপে কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু আলফাৰ একাংশ নেতৃত্বৰ মাজত স্বাক্ষৰিত শান্তি চুক্তিৰ পিছতো এই সংগ্ৰামৰ সময়ত নিৰ্যাতনৰ বলি হোৱা হাজাৰ হাজাৰ পৰিয়াল আজিও উপেক্ষিত হৈ আছে। নিৰ্যাতন বিৰোধী ঐক্যমঞ্চ নামৰ সংগঠনে এই গুৰুতৰ অভিযোগ উত্থাপন কৰি আলফাৰ আলোচনাপন্থী গোটৰ নেতৃত্বৰ বিৰুদ্ধে প্ৰতাৰণাৰ অভিযোগ তুলিছে। ডিব্ৰুগড়ৰ খোৱাঙত সোমবাৰে অনুষ্ঠিত নিৰ্যাতন বিৰোধী ঐক্যমঞ্চৰ ডিব্ৰুগড় জিলা সমিতিৰ এক সাংগঠনিক সভাত সংগঠনৰ ৰাজ্যিক সম্পাদক লক্ষ্মীণাথ ফুকনে আলফা শান্তি চুক্তিৰ নামত প্ৰদান কৰা ৫,০০০ কোটি টকাৰ অৰ্থনৈতিক পেকেজৰ বিতৰণ প্ৰক্ৰিয়াত বৈষম্যৰ অভিযোগ উত্থাপন কৰে। তেওঁৰ মতে, আলফাৰ জীৱিত সক্ৰিয় সদস্যসকলক প্ৰত্যেককে ৭ লাখ টকাকৈ ক্ষতিপূৰণ প্ৰদান কৰা হৈছে, কিন্তু সংগ্ৰামৰ সময়ত শ্বহীদ হোৱা পৰিয়াল আৰু নিৰ্যাতনৰ বলি হোৱাসকলক কেৱল ৩ লাখ টকাকৈ দিয়া হৈছে। এই বৈষম্যক তেওঁ চৰম প্ৰবঞ্চনা হিচাপে অভিযোগ কৰিছে। ফুকনে আৰু কয় যে, আলফাৰ সংগ্ৰামৰ সময়ত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ নিৰ্যাতনৰ শিকাৰ হোৱা, ধৰ্ষিতা হোৱা, বা শ্বহীদ হোৱা পৰিয়ালসমূহৰ প্ৰাপ্য অধিকাৰৰ বাবে নিৰ্যাতন বিৰোধী ঐক্যমঞ্চে সংগ্ৰাম অব্যাহত ৰাখিব। তেওঁৰ মতে, শান্তি চুক্তিৰ নামত প্ৰদান কৰা অৰ্থনৈতিক পেকেজৰ ৩,০০০ কোটি টকা ইতিমধ্যে মুকলি কৰা হৈছে, কিন্তু শ্বহীদ পৰিয়াল, নিৰ্যাতিত শ্ৰেণী, আৰু নিৰুদ্দেশ হৈ থকাসকলৰ প্ৰতি আলফাৰ আলোচনাপন্থী নেতৃত্বই যথাযথ গুৰুত্ব দিয়া নাই। আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱা এতিয়াও তেওঁৰ স্থিতিত অটল থকাৰ মাজতে চৰকাৰে তেওঁক আলোচনাৰ টেবুললৈ আহিবলৈ বাৰে বাৰে আহ্বান জনাইছে। কিন্তু আলফাৰ একাংশ নেতাই মূলসুঁতিলৈ ঘূৰি আহি চৰকাৰৰ সৈতে শান্তি চুক্তি স্বাক্ষৰ কৰিছে। এই চুক্তিৰ অংশ হিচাপে কেন্দ্ৰীয় চৰকাৰে বৃহৎ অৰ্থনৈতিক পেকেজ ঘোষণা কৰিছিল। কিন্তু নিৰ্যাতন বিৰোধী ঐক্যমঞ্চৰ অভিযোগ, এই চুক্তিয়ে সংগ্ৰামৰ সময়ত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালসমূহৰ প্ৰতি ন্যায় কৰাত ব্যৰ্থ হৈছে। লক্ষ্মীণাথ ফুকনে সভাত কয়, “আলফাৰ শান্তি চুক্তিৰ নামত প্ৰদান কৰা ৫,০০০ কোটি টকাৰ পেকেজৰ বিতৰণত স্বচ্ছতাৰ অভাৱ। আলফাৰ নেতা অনুপ চেতিয়াই প্ৰথমে সকলোৱে বাবে সমান ক্ষতিপূৰণৰ প্ৰতিশ্ৰুতি দিছিল, কিন্তু এতিয়া শ্বহীদ পৰিয়াল আৰু নিৰ্যাতিতসকলৰ বাবে কেৱল ৩ লাখ টকা নিৰ্ধাৰণ কৰা হৈছে। এই বৈষম্য গ্ৰহণযোগ্য নহয়। আলফাৰ নেতৃত্বই নিজৰ স্বাৰ্থ সুনিশ্চিত কৰিলে, কিন্তু সংগ্ৰামত জীৱন উৎসৰ্গ কৰা বা নিৰ্যাতনৰ বলি হোৱাসকলৰ পৰিয়াল এতিয়াও গোচৰৰ সন্মুখীন হৈ আছে। আমি এই বিষয়ত চৰকাৰৰ হস্তক্ষেপ বিচাৰিছো, কিন্তু এতিয়ালৈকে কোনো পদক্ষেপ লোৱা হোৱা নাই।” তেওঁ আৰু কয়, “আলফাৰ সংগ্ৰামৰ সময়ত বহু গোচৰ এতিয়াও চলি আছে। এনে পৰিস্থিতিত শান্তি চুক্তি কেনেকৈ সম্পন্ন হ’ল, সেয়া আমাৰ বাবে বোধগম্য নহয়। আমি নিৰ্যাতিত আৰু শ্বহীদ পৰিয়ালৰ ন্যায়ৰ বাবে সাংগঠনিকভাৱে সংগ্ৰাম অব্যাহত ৰাখিম।” নিৰ্যাতন বিৰোধী ঐক্যমঞ্চই এই সংগ্ৰামক অধিক গতিশীল কৰাৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰিছে। সংগঠনটোৱে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ প্ৰাপ্য অধিকাৰ আৰু ন্যায়ৰ দাবীত চৰকাৰ আৰু আলফাৰ আলোচনাপন্থী নেতৃত্বৰ বিৰুদ্ধে আন্দোলন তীব্ৰতৰ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। এই ঘটনাই আলফা শান্তি চুক্তিৰ বাস্তৱায়নৰ স্বচ্ছতা আৰু ন্যায়পৰায়ণতাৰ বিষয়ে গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে।

## হাতী, পদুম এৰি সম্প্ৰীতিৰে

নতুন দিল্লীত কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত আয়োজিত এক যোগদান কাৰ্যসূচীত অংশগ্ৰহণ কৰি গৌৰৱ গগৈয়ে এই তিনিওজন নেতাক কংগ্ৰেছ দললৈ আদৰণি জনাই কয়- “অসমৰ বিজেপি চৰকাৰে এতিয়া আৰু সাধাৰণ ৰাইজ, খাটিখোৱা জনতা, ক্ষুদ্ৰ ব্যৱসায়ী, শ্ৰমিক, কৃষকৰ বাবে কাম নকৰে। হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ পৰিয়ালৰ উন্নয়নৰ বাবেহে এই চৰকাৰে কাম কৰি আহিছে। সেইবাবে আজি অসমৰ ৰাইজৰ হৈ কাম কৰিবৰ বাবে ভাৰতীয় জনতা পাৰ্টীৰ দুজনৰ প্ৰাক্তন বিধায়ক আৰু অসম গণ পৰিষদৰ এজন প্ৰাক্তন বিধায়কে কংগ্ৰেছ দলত যোগদান কৰিছে।” সাংসদ গগৈয়ে লগতে কয় যে, অসমত এতিয়া চৰকাৰৰ নামত হিমন্ত বিশ্ব শৰ্মা এণ্ড প্ৰাইভেট কোম্পানীৰ দৌৰাত্ম্য চলিছে। বিজেপিৰ মন্ত্ৰী আৰু কৰ্মকৰ্তাসকলে ৰাইজৰ স্বাৰ্থত কাম কৰাৰ পৰিৱৰ্তে হিমন্ত বিশ্ব শৰ্মা এণ্ড প্ৰাইভেট কোম্পানীৰ নীতি-নিৰ্দেশনা মানি চলিবলৈ বাধ্য হৈছে। সেইবাবে অসম গণ পৰিষদ দলৰ সাধাৰণ সম্পাদক, কমলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাই অসম গণ পৰিষদ ত্যাগ কৰি ভাৰতীয় জাতীয় কংগ্ৰেছ দলত যোগদান কৰিবলৈ আহিছে। একেদৰে ছিপাঝাৰ সমষ্টিৰ ৩ বাৰৰ প্ৰাক্তন বিধায়ক তথা পূৰ্বৰ কংগ্ৰেছ নেতা বিনন্দ শইকীয়াই বিজেপি এৰি কংগ্ৰেছ দললৈ আহিছে। গগৈয়ে কয়, বৈঠালাংছু সমষ্টিৰ প্ৰাক্তন বিধায়ক, পূৰ্বৰ সংসদীয় সচিব মনছিং ৰংপিয়ে বিজেপিৰ নীতি-আদৰ্শৰ প্ৰতি অসন্তুষ্টি প্ৰকাশ কৰি কংগ্ৰেছলৈ ঘূৰি আহিছে। এই তিনিওজন নেতাকে আদৰণি জনাই এয়া মাত্ৰ আৰম্ভণি বুলিহে গগৈয়ে কয়। লগতে কয়, ২০২৬ৰ নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ বহু কেইজন নেতা-কৰ্মীয়ে নিজৰ দল ত্যাগ কৰি কংগ্ৰেছলৈ আহিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা অসমৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিঙে আঁত ধৰা অনুষ্ঠানটোত নিখিল ভাৰত কংগ্ৰেছৰ প্ৰশাসনিক সাধাৰণ সম্পাদক কেচি বেণুগোপালৰ লগতে অসমৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ, ৰকিবুল হুছেইন আৰু মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ উপস্থিত থাকে।

## পুখুৰীত গা ধুবলৈ

গা ধুই থকা অৱস্থাত ডুব গৈ সলিল সমাধি ঘটে। পতৃ ধীৰাজ চহৰীয়াও ডুব গৈছিল পুখুৰীত। সংকটজনক অৱস্থাত ৰাইজে উদ্ধাৰ কৰি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত আই, চি. ইউ.ত ভৰ্তি কৰায় পিতৃ ধীৰাজ চহৰীয়াক। উল্লেখ্য যে পিতৃ ধীৰাজ চহৰীয়াৰ নিশা ১০ বজাত চিকিৎসালয়ত মৃত্যু হয়। এই কৰুণ তথা হৃদয়বিদাৰক ঘটনাই শোকৰ ছাঁ পেলাইছে সমগ্ৰ ছিপাঝাৰত।

## ৰজাঘৰ আৰু প্ৰজাঘৰৰ মাজত নেদেখা দলংখনে হৈছে সাংবাদিকসকল ঃ থানেশ্বৰ মালাকাৰ

**অসম বাৰ্তা, কয়াকুছি, ৮ ছেপ্টেম্বৰ ঃ** সমাজৰ বাবে সাংবাদিকসকলৰ দায়িত্ব আৰু কৰ্তব্য আছে। ৰজাঘৰ আৰু প্ৰজাঘৰ বুলি কবলৈ গলে ৰজাঘৰ আৰু প্ৰজাঘৰ এই দুয়োটাৰ মাজত নেদেখা যিখন সাঁকো বা দলং আছে সেই দলংখন হৈছে সাংবাদিকসকল। - এইদৰে কালি পাকাবেতবাৰী গাঁৱত অনুষ্ঠিত কয়াকুছি প্ৰেছ এছোচিয়েশ্বনৰ বাৰ্ষিক অধিৱেশনত ভাষণ প্ৰসংগত কয় অসম চৰকাৰৰ প্ৰাক্তন আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰে। উল্লেখ্য যে, বৰপেটা জিলাৰ অন্তৰ্গত কয়াকুছি প্ৰেছ এছোচিয়েশ্বনৰ পঞ্চম বাৰ্ষিক অধিৱেশন ৭ চেপ্তেম্বৰত দিনযোৱা বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে পাকাবেতবাৰী গাঁৱস্থিত বি, কে নিত্যানন্দ-ওৱাহেদ আলী হাইস্কুল প্ৰাংগণত অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি সিদিনা পৰিবেশ নিকাকৰণ পৰিচালনা কৰে জয়নাল আবদীন, কয়াকুছি প্ৰেছ এছোচিয়েশ্বনৰ পতাকা উত্তোলন কৰে এচোছিয়েশ্বনৰ সভাপতি আব্দুল জলিলে, গছপুলি ৰোপণৰ আঁতধৰে সাংবাদিক প্ৰদীপ কুমাৰ সৰকাৰে। চিত্ৰাংকন প্ৰতিযোগিতাৰ আঁত ধৰে সাংবাদিক ৰহমত আলীয়ে আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা, নৃত্য প্ৰতিযোগিতা আঁতধৰে সাংবাদিক জিলমোহন ৰায়ে লগতে দুপৰীয়া ড্ৰাগচ্ বিৰোধী সজাগতামূলক নাট পৰিবেশন কৰা হয়। সজাগতা মূলক নাট পৰিচালনা কৰে আকলিমা খাতুন আৰু জৰুনা খাতুনে। আবেলি অনুষ্ঠিত হোৱা মুকলি সভাখন সবিতা সৰকাৰৰ সংগীবৃন্দৰ দ্বাৰা পৰিবেশন কৰা সমবেত সংগীতেৰে মুকলি সভাৰ পাতনি মেলা হয়। আবেলি অভ্যৰ্থনা সমিতিৰ সভাপতি কুৰপান আলী সিকদাৰৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি তথা বঁটা বিতৰণী সভাত বৰপেটা জিলা সাহিত্য সভাৰ সভাপতি গিৰিধৰ চৌধুৰীয়ে “সংবাদ শিখা” স্মৃতিগ্ৰন্থ উন্মোচন কৰে। উক্ত সভাত ক্ৰমে অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উপ-সচিব ছইবৰ ৰহমান, চৰ-চাপৰি ভাষা বিকাশ উপ সমিতিৰ আহ্বায়ক ডাঃ আব্দুল কদ্দুচ শিকদাৰ, বি, কে নিত্যানন্দ-ওৱাহেদ আলী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক আহাম্মদ খান, পালহাজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক মফিজ উদ্দিন আহমেদ, বি.কে নিত্যানন্দ ওৱাহেদ আলী হাইস্কুলৰ প্ৰধান শিক্ষক বসন্ত কুমাৰ দাস, পাকা জিলা পৰিষদৰ সদস্য প্ৰাণজিৎ ৰয়, মানৱ দৰদী বঁটা প্ৰাপক বিশিষ্ট সমাজকৰ্মী ৰিংকু আহমেদ, বিশিষ্ট সাংবাদিক বাপকণ দাস, অধিবক্তা নাজিমুদ্দিন মোল্লা, সমাজকৰ্মীদ্বয় জাহেৰ আলী আৰু জাহাংগীৰ আলমকে ধৰি বহুতো আমন্ত্ৰিত অতিথিৰ উপস্থিতিত অসম চৰকাৰৰ প্ৰাক্তন আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰ, বৰপেটাৰ বিশিষ্ট সাংবাদিক অনুপম অনিৰুদ্ধ তালুকদাৰ আৰু হাউলীৰ বিশিষ্ট সাংবাদিক দিদাৰ হুছেইনক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পিছত সন্ধিয়া পাকাবেতবাৰী জাগৰণ জাতীয় বিদ্যালয়ৰ শিক্ষক আব্দুল ৰৌফৰ পৰিচালনাত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

হাতেলিখা আলোচনী ‘শঙ্খধ্বনি’ৰ দ্বিতীয় সংখ্যা উন্মোচন

# পুৰণিগুদাম শঙ্খধ্বনি শিল্পী সমাজৰ ষষ্ঠতম প্ৰতিষ্ঠা দিৱস পালন

## চিত্তৰঞ্জন বৰাক ২৫ বৰ্ষৰ শঙ্খধ্বনি শিল্পী বঁটা প্ৰদান

**অসম বাৰ্তা, পুৰণিগুদাম, ৮ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান শঙ্খধ্বনি শিল্পী সমাজৰ ষষ্ঠতম প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত বাৰ্ষিক শঙ্খধ্বনি শিল্পী বঁটা প্ৰদান আৰু সাংস্কৃতিক অনুষ্ঠান যোৱা ৬ ছেপ্টেম্বৰত পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ প্ৰেক্ষাগৃহত সফলভাৱে অনুষ্ঠিত হয়। চয়নিকা কাশ্যপে আঁট ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত অঞ্চলৰ ছগৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ছয়গছি বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানটি শুভ উদ্বোধন কৰা হয়। তাৰ পিছতে শংকৰদেৱ আৰু মাধৱদেৱৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰাৰ লগতে শঙ্খধ্বনিৰ প্ৰতিষ্ঠাপক উপদেষ্টা প্ৰয়াত পূৰ্ণচন্দ্ৰ গায়নলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ পাছত শঙ্খধবনিৰ সদস্য সকলৰ দ্বাৰা বৰগীত আৰু সত্ৰীয়া নৃত্যৰ অনুষ্ঠান অনুষ্ঠিত হয়। ২০২৪ বৰ্ষৰ পৰা পুৰণিগুদাম তথা ইয়াৰ কাষৰীয়া অঞ্চলত প্ৰচাৰ বিমুখ ভাৱে শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিক দিশত নিস্বাৰ্থ সেৱা আগবঢ়োৱা ব্যক্তিসকলৰ ৰাইজৰ আগত চিনাকি কৰাই দিয়াৰ উদ্দেশ্যে অনুষ্ঠানটিয়ে প্ৰৱৰ্তন কৰা শঙ্খধ্বনি শিল্পী বঁটা প্ৰদান কৰা হয়। এই বৰ্ষৰ শঙ্খধ্বনি শিল্পী বঁটা স্বৰ্গীয় স্বৰ্ণ হাজৰিকাৰ সোঁৱৰণত পুৰণিগুদামৰ বিশিষ্ট চিত্ৰ তথা ভাস্কৰ্য শিল্পী চিত্তৰঞ্জন বৰালৈ আগবঢ়োৱা হৈছে। যি বঁটাত আছে এখনি চেলেং, ফুলাম গামোচা, স্মাৰক, সম্বৰ্ধনা পত্ৰ আৰু এটি সন্মানজনক মাননি। নিজৰ ভাষণত বঁটা প্ৰাপক বৰাই কয় যে, তেওঁৰ পিতৃয়ে যদি কলং কলা কেন্দ্ৰ খুলিবৰ বাবে তিনিটা কোঠা নিদিলেহেঁতেন তেন্তে আজি ৰাইজৰ সন্মুখত এনেকৈ থিয় দিয়াটো সম্ভৱ নহ'লহেঁতেন। তেওঁ শিল্পী প্ৰণৱ বৰুৱা, ইতিহাসকাৰ ধৰণীধৰ মজিন্দাৰক স্মৰণ কৰাৰ লগতে শংখধ্বনিকো কৃতজ্ঞতা জ্ঞাপন কৰে। শঙ্খধবনিৰ অন্যতম প্ৰতিষ্ঠাপক ভাস্কৰ্য পূৰ্ণ গায়নৰ তত্ত্বাৱধানত আৰু কৌস্তভমণি বৈৰাগীৰ সম্পাদনাত হাতে লিখা আলোচনী “শঙ্খধ্বনি”ৰ দ্বিতীয় সংখ্যা প্ৰকাশ পায় যিখনৰ সম্পাদনা সমিতিত আছে লিচা গায়ন, শতভিষা গায়ন, জিজ্ঞাসা গায়ন, হৰ্ষিতা গায়ন, কুঁৱলী শইকীয়া আৰু লুনা গায়ন। শঙ্খধবনিৰ প্ৰতিষ্ঠাপক সভাপতি দীপিকা বৰা গায়নৰ কথা আৰু সত্যকাম বৰা সুৰেৰে অনুষ্ঠানৰ সদস্য-সদস্যাসকলে পৰিৱেশন কৰা সমৱেত সংগীতটিয়ে অনুষ্ঠানলৈ সুকীয়া গাম্ভীৰ্যতা নমাই আনে। শংখধ্বনিৰ দ্বাৰা পৰিচালিত সাত্ত্বিক কলা কেন্দ্ৰৰ প্ৰশিক্ষক ভাস্কৰ্য পূৰ্ণ গায়ন, হিমাশ্ৰী সেনাপতি আৰু জ্ঞানদ্বীপ হাজৰিকাৰ তত্ত্বাৱধানত গীত, নৃত্য, খোলবাদন আৰু যোগ প্ৰদৰ্শনৰ বিবিধ কাৰ্যসূচীয়ে ৰাইজক সন্মোহন কৰি ৰাখে। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ফণীন্দ্ৰ নাথ গায়ন, পুলিন হাজৰিকা, কৃষ্ণ গোস্বামী, পুষ্পকান্ত বৰুৱা, মুকুল শইকীয়া, নিশিকান্ত হীৰা, দ্বিপেন বৈৰাগী, ডাঃ বিকাশ হাজৰিকা, শেৱালি বৰুৱা, প্ৰেমানন্দ বৈৰাগী, জগত বৈৰাগী, প্ৰলয় শৰ্মা, জয়ন্ত শইকীয়া, দ্বিজেন্দ্ৰ মোহন শইকীয়া, ভোগেশ্বৰ বৰা, ৰজনী খাউন্দ, ঘনশ্যাম পাঠক, ৰাতুল কুমাৰ গায়ন, মণ্টুল কুমাৰ শৰ্মা, অলক খাউন্দ, দুৰ্ল্লভ শৰ্মাকে ধৰি বহুকেইজন গণ্যমান্য ব্যক্তি। শেষত শংখধ্বনিৰ সভানেত্ৰীয়ে সমৱেত সকলোকে ধন্যবাদ জনোৱাৰ লগতে অনুষ্ঠানটো সৰ্বাংগ সুন্দৰ কৰি তোলাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা বৰ্ণালী গায়ন, গীতামণি শইকীয়া, নিতীশ বৰা, শম্ভু ৰাজখোৱা, বিশ্বজিৎ গায়ন আৰু শঙ্খধ্বনিৰ প্ৰতিগৰাকী সদস্য আৰু অভিভাৱকক কৃতজ্ঞতা জ্ঞাপন কৰে।

# সৃজনগ্ৰামত ৰাইজৰ দলৰ গণ সমাৰেশ অধিবক্তা পাৰভেজ ৰহমানৰ যোগদান

## শ্ৰমজীৱী মুছলমানৰ বাবে মাত মতাৰ বাবে বিজেপিয়ে নাম দিছে অখিলুদ্দিন - অখিল গগৈ

**অসম বাৰ্তা, লেংটিছিঙা, ৮ ছেপ্টেম্বৰঃ** কংগ্ৰেছী বিধায়ক আব্দুল বাতিন খণ্ডকাৰৰ ভেটিত কঁপনি তুলি আজি বঙাইগাঁও জিলা সৃজনগ্ৰাম বিধান সভা সমষ্টিত ২০২৬ চনৰ বিধান সভা নিৰ্বাচনৰ নিৰ্বাচনী ৰণডংকা বজালে ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে। সৃজনগ্ৰাম সমষ্টি সমিতিৰ উদ্যোগত সমষ্টিটোৰ মেৰেৰচৰ আৰু নসত্ৰ আঞ্চলিক সমিতিৰ সহযোগত বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম বিধান সভা সমষ্টিৰ অন্তৰ্গত মেৰেৰচৰত অনুষ্ঠিত গন সমাৰেশ আৰু যোগদান কাৰ্যসূচী অংশ গ্ৰহণ কৰি দলটোৰ সভাপতি অখিল গগৈয়ে কয় অসমত যদি হিন্দু মুছলমান লোকে এক হৈ থাকিব লাগে, অসমৰ শ্ৰমজীৱী লোকে যদি মৰ্যাদা সহকাৰে শান্তিৰে থাকিব লাগে, তেন্তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক চকীৰে সৈতে ব্ৰহ্মপুত্ৰত দলিওৱাৰ বিকল্প নাই। বিজেপি দল আৰু মুখ্যমন্ত্ৰীক তীব্ৰ সমালোচনা কৰি আকৌ কয় যে অসমৰ বিজেপি চৰকাৰখন অসম নহয় ভাৰতবৰ্ষৰ ভিতৰতে আটাইতকৈ বেয়া চৰকাৰ। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ, কেন্দ্ৰীয় সাধাৰণ সম্পাদক আশ্ৰাফুল ইছলাম সভাপতি নন্দন দেৱ নাথ, জাতীয় নাৰী বাহিনীৰ সম্পাদিকা মমী ৰায় চৌধুৰী, জাতীয় যুৱ বাহিনীৰ কৰ্মকৰ্তা আদিয়ে ভাষণ প্ৰদান কৰা আৰু মেৰেৰচৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত সভাখনত সভাপতি অখিল গগৈ আকৌ কয় যে স্বাধীনতাৰ ৭৮টা বছৰ অতিক্ৰম কৰিলে কেৱল হিন্দু মুছলমান, হিন্দু মুছলমান কৰি। কিন্তু কোনো এখন চৰকাৰে বান, গৰা খহনীয়া সমস্যা সমাধানৰ চিন্তা নকৰিলে। তেওঁ আকৌ কয় ভাৰতীয় সংবিধান মতে ধৰ্মক লৈ ৰাজনীতি কৰিব নোৱাৰে। কিন্তু বিজেপি আৰু এ আই ইউ ডি এফ দলে ধৰ্মক লৈহে ৰাজনীতি কৰে। এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমলক সমালোচনা কৰি কয় যে হিমন্ত বিশ্ব শৰ্মাৰ শ্ৰুতলিপি মতে আজমলে কৈ দিয়ে যে এইবাৰ দিছপুৰত দাড়ি-টুপি চৰকাৰ হ'ব। উজনি অসমত হিন্দুৰ মাজত হাহাকাৰ লাগে। হিমন্ত বিশ্ব শৰ্মায়ো প্ৰচাৰ চলাবলৈ লয় বধৰুদ্দিন আজমলৰ কথা। ফলত লাভ হয় বিজেপিৰ পাঁচ সহস্ৰাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত গনসভাত অখিল গগৈয়ে আকৌ কয় যে ধুবুৰী, গোৱালপাৰা উচ্ছেদিত সকলৰ কাষত থিয় দিছিল একমাত্ৰ। মুখ্যমন্ত্ৰী, মুখ্যসচিবক অইন ঠাইত সংস্থাপন নকৰাকৈ উচ্ছে কৰাটো আইন বিৰুদ্ধ। শ্ৰমজীৱী, খাটিখোৱা মুছলমানৰ ন্যায্য অধিকাৰৰ বাবে মাত মতাৰ বাবে বিজেপি দলে নাম দিছে অখিলুদ্দিন বুলি। এনে অৱস্থাত ৰাইজৰ দল ক্ষমতাৰ অংশীদাৰ হ'লে দখলকৃত ভূমিৰ পট্টা প্ৰদান, বান-গৰাখহনীয়াৰ স্থায়ী সমাধান, কৃষকৰ বিভিন্ন সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি দিয়ে। উল্লেখ্য যে অগপ দলৰ ভাতৃসংগঠন অসম সংখ্যালঘু পৰিষদৰ কেন্দ্ৰীয় সম্পাদক অধিবক্তা পাৰভেজ ৰহমানে অগপ দল ত্যাগ কৰাৰ পাছত আজি ৰাইজৰ দলত যোগদান কৰাত সভাপতি অখিল গগৈয়ে একপ্ৰকাৰ সমষ্টিটোৰ আগন্তুক বিধানসভা নিৰ্বাচনৰ ৰাইজৰ দলৰ প্ৰাৰ্থী হিচাবে ঘোষণা কৰে। মনকৰিবলগীয়া লগীয়া যে পাৰভেজ ৰহমানৰ হৈ প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে আজিৰ গন সমাৰেশখন অনুষ্ঠিত হয়।

# গুৱাহাটী প্ৰেছ ক্লাবত স্বৰ্গীয় জীৱন বৰ্মনৰ স্মৃতিত প্ৰকাশিত গ্ৰন্থ ‘জীৱন সৌৰ্য্য’ উন্মোচন

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৮ ছেপ্টেম্বৰ ঃ** অসম সাহিত্য সভাৰ অন্যতম স্বীকৃত আৰু ওদালগুৰি জিলাৰ অন্যতম তথা অসম সাহিত্য সভা আৰু ওদালগুৰি জিলা সাহিত্য সভাৰ দ্বাৰা শ্ৰেষ্ঠ শাখাৰ বটাঁ লাভ কৰিবলৈ সক্ষম হোৱা শ্ৰী শ্ৰীগোবিন্দ মিশ্ৰ সাহিত্য সভাৰ এগৰাকী আজীৱন সভ্য, তেখেতৰ জ্যেষ্ঠ ভাতৃ অতুল বৰ্মনে জীৱন বৰ্মনৰ সোঁৱৰণত জীৱন আদৰ্শত এখনি জীৱনী মূলকগ্ৰন্থ ‘জীৱন সৌৰ্য ২’ চেপ্তেম্বৰত উন্মোচন কৰে। এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশত আয়তীৰ উৰুলি জোকাৰ, শঙ্খ ঘণ্টাৰ শব্দ, হৰি ধ্বনিৰ মাজত ‘জীৱন সৌৰ্য’ উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই। এগৰাকী বিশিষ্ট ব্যক্তি জীৱন বৰ্মনৰ স্মৃতিৰ সোঁৱৰণত আধাৰিত প্ৰকাশ কৰি উলিওৱা ‘জীৱন সৌৰ্য’ উন্মোচন কৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই উল্লেখ কৰে যে এখন জীৱনীমূলক গ্ৰন্থ প্ৰকাশ কৰাৰ বিনিময়ত পিছৰ প্ৰজন্মই তেওঁৰ বিষয়ে জানিবলৈ পাৰে। তেওঁ সমাজত দি থৈ যোৱা অৱদান, কৃতিত্ব, ব্যক্তিত্ব আদি সকলো দিশত কৰিযোৱা কাম কাজ সমূহে ভৱিষ্যতৰ প্ৰজন্মৰ বাবে হৈ পৰে এক আদৰ্শ। জীৱন বৰ্মনৰ




ওপৰত এনে এখন সুন্দৰ গ্ৰন্থ প্ৰকাশ কৰি ৰাইজৰ হাতত তুলি দিয়াৰ বাবে অতুল বৰ্মনক অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক গৰাকীয়ে ধন্যবাদ জ্ঞাপন কৰে। গ্ৰন্থ উন্মোচন অনুষ্ঠানত কেন্দু কলাই সাহিত্য সমাজৰ প্ৰাক্তন সভাপতি উদীয়মান লেখক আবুল হোছেইন, শ্ৰী শ্ৰী গোবিন্দ মিশ্ৰ সাহিত্য সভাৰ উপ-সভাপতি গোবিন্দ চন্দ্ৰ ডেকা, লগতে গুৱাহাটীৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি, টংলা সাহিত্য সভা, কেন্দু কলাই সাহিত্য সমাজ, শ্ৰী শ্ৰী গোবিন্দ মিশ্ৰ সাহিত্য সভা, মঙ্গলদৈ সাহিত্য সভাৰ কেইবাগৰাকীও প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰাৰ বিপৰীতে কেইবাগৰাকী বিশিষ্ট লেখক, সাহিত্যিক, কবিয়ে অংশগ্ৰহণ কৰি অনুষ্ঠানটিৰ শোভা বৰ্ধন কৰে। গুৱাহাটীৰ উদীয়মান তথা বিশিষ্ট লেখক, কবি অজয় লহকৰ, সৰলা কাকতি, গীতাঞ্জলি কলিতা, ৰূপাঞ্জলি কলিতাৰ উপৰিও মঙ্গলদৈৰ বৰদা শইকীয়াই স্বৰচিত কবিতা পাঠ আৰু আবৃত্তি কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। উল্লেখযোগ্য যে গ্ৰন্থখন উন্মোচন কৰাৰ আগমুহূৰ্তত বন্তি প্ৰজ্বলন, দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ হঠাৎ ইহসংসাৰৰ পৰা চিৰবিদায় লোৱা জীৱন বৰ্মনৰ প্ৰতিচ্ছিত মাল্যাপণ, সমন্বয় সাংস্কৃতিক গোষ্ঠী নামতি দলৰ দ্বাৰা নাম পৰিবেশন, জীৱন বৰ্মনৰ জীৱন কৃতিৰ ওপৰত আলোকপাত কৰা হয়। গ্ৰন্থ উন্মোচন অনুষ্ঠানটিৰ এক শৃখলিত ৰূপত আতধৰি পৰিচালনা কৰে উদীয়মান যুৱক মোহন কলিতাই।

# ধুবুৰীৰ গৌৰীপুৰত পুনৰ নিষিদ্ধ মাংস জব্দ

**অসম বাৰ্তা, গৌৰীপুৰ, ৮ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাৰ গৌৰীপুৰ থানাৰ অন্তৰ্গত গৌৰীপুৰৰ খাছখামাৰ গাঁৱত যোৱা কালি গৌৰীপুৰ আৰক্ষীয়ে এক গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই অবৈধ গো মাংস উদ্ধাৰ কৰে। এই অভিযানত আটক হয় অঞ্চলটোৰ এজন স্থানীয় যুৱক ইনাদুল হক (৩২) বুলি খবৰ পোৱা গৈছে। আৰু এই অভিযানত ধৃত ইনাদুল হকে ধৰা পৰে গাঁৱৰ মুকলি পথাৰত, আৰু ধৰা পৰা সময়ত তেওঁৰ পৰা ১১৬ কিলোগ্ৰামৰ গো মাংস, গো হত্যা কৰা সময়ত ব্যৱহাৰ কৰা দুখনকৈ দা, এটা পিস্তল আৰু বৈদ্যুতিক ওজন মেচিন ইত্যাদি উদ্ধাৰ কৰে আৰক্ষীয়ে। লগতে আৰু আৰক্ষীয়ে স্থানীয় লোকৰ উপস্থিতত সম্পুৰ্ণ ঘটনা ভিডিঅ'গ্ৰাফীৰ যোগে দি সাক্ষী কৰি সমগ্ৰ যাবতীয় কাৰ্য্য সম্পুৰ্ণ কৰি জব্দ কৰা সামগ্ৰী গৌৰীপুৰ থানালৈ আনে। আৰু ঘটনাৰ সন্দৰ্ভত গৌৰীপুৰ আৰক্ষীয়ে সম্পুৰ্ণ আইনী পদক্ষেপ গ্ৰহণ কৰিছে বুলি জানিবলৈ পোৱা গৈছে। আৰু আটকাধীন হজৰত আলিৰ পুত্ৰ ইনাদুল হকক অধিক তদন্তৰ আৰক্ষীৰ জিম্মাত ৰখিছে বুলি জানিব পৰা গৈছে।

# শিকলিৰ উদ্যোগত কৃষি সামগ্ৰী বিতৰণ

**অসম বাৰ্তা, আমগুৰি, ৮ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ নতুন মৰিয়নি সমষ্টিৰ অন্তৰ্গত টীয়ক পৰ্বতীয়া গাঁৱত আজি শিকলিৰ উদ্যোগত এক বৃহৎ কৃষি সামগ্ৰী বিতৰণ কৰা হয়। অবিবাহিত মহিলাক স্বাৱলম্বী কৰিবৰ বাবে অহৰহ চেষ্টা কৰি অহা “শিকলি” নামৰ অনুষ্ঠানটোৱে হাঁহ পোৱালি বিতৰণ কৰি অহাৰ পাছত এইবাৰ লখিমী আদৰিবৰ প্ৰাক ক্ষণত তেওঁলোকক একোখনকৈ কাচি বিতৰণ কৰে। সেই দৰে গো-পালকসকলক একোখনকৈ কোৰ, বিধৱা মহিলাক একোখনকৈ কটাৰী আৰু নামঘৰীয়াসকলক একোটাকৈ টচ লাইট বিতৰণ কৰে। সেইদৰে একে অনুষ্ঠানত দুজন শাৰীৰিক ভাৱে অক্ষম ব্যক্তিক একোখন হুইল শ্বেয়াৰ প্ৰদান কৰে। শিকলিৰ মুখ্য সম্পাদক অৰূপজ্যোতি হাজৰিকাই আঁত ধৰা অনুষ্ঠানত জোনক সন্ধানী মইনা পাৰিজাত কণমানি প্ৰজ্ঞাশ্ৰী বৰদলৈয়ে এটা বৰগীতেৰে আৰম্ভণি কৰে। লগতে প্ৰত্যুষ প্ৰতীম বৰদলৈয়ে ৰাম গগৈৰ পথাৰ কবিতা আবৃত্তিৰে সভাখন দৃষ্টিনন্দন কৰি তোলে। সভাত আধাৰ আলোচনীৰ সম্পাদক তথা কৃতী শিক্ষক হেমেন কুমাৰ শইকীয়াই অৰূপজ্যোতি হাজৰিকাৰ সকলো কামে একক আৰু অদ্বিতীয় বুলি উল্লেখ কৰে। মৰিয়নি সমষ্টিৰ বিধায়কৰ প্ৰতিনিধি হিচাপে কলিয়াপানী মণ্ডল বিজেপিৰ প্ৰাক্তন সভাপতি ৰাতুল বৰাই চৰকাৰৰ খেতি সম্পৰ্কে বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰি ৰাইজক এই কামত সহযোগিতা বিচাৰে। সভাত ভাৰতীয় কিষাণ সংঘৰ যোৰহাট জিলাৰ সম্পাদক বিৰেণ দত্তই শিকলিৰ এনে প্ৰচেষ্টাৰ শলাগ লয় আৰু সকলোকে শিকলিৰ এনে আদৰ্শ ল'বলৈ আহ্বান জনায়। নিউজ নাওৰ পৰিচালন সম্পাদকে গ্ৰাম্য অৰ্থনীতিৰ সবল কৰাৰ ক্ষেত্ৰত শিকলিৰ দৰে অনুষ্ঠানৰ অতি প্ৰয়োজন বুলি উল্লেখ কৰে। যোৰহাট জিলাৰ পৰিষদৰ সভাপতি সুৰজিৎ শইকীয়াই শিকলিৰ মুখ্য সম্পাদক অৰূপজ্যোতি হাজৰিকাৰ এনে কাৰ্যৰ শলাগ লয় আৰু সমাজৰ শিকলিৰ দৰে অনুষ্ঠানৰ শত অনুষ্ঠানৰ জন্ম হওক বুলি মন্তব্য কৰে। টীয়ক প্ৰেছ ক্লাবৰ সভাপতি বিজু তুনুৱালে সাৰুৱা বক্তৃতাৰে সকলোকে আপ্লুত কৰা অনুষ্ঠানটোত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ কলিয়াপানী খণ্ড প্ৰচাৰক প্ৰাঞ্জল গগৈ, মনোজ গগৈ, অঞ্জন বৰবৰা, মনোজ দাস, ৰাজীৱ বৰা লাচিত সেনাৰ টীয়ক আঞ্চলিকৰ সচিব সুশান্ত বৰবৰা, মিণ্টু গগৈ, সমাজকৰ্মী অসীম বৰুৱা, চেলেং হাট প্ৰেছ ক্লাবৰ সভাপতি মদন মোহন পাগবন্ধা, সম্পাদক অনুৰাগ শইকীয়া, সাংবাদিক মেৰেন দিহিঙ্গীয়া, টীয়কৰ সাংবাদিক বিৰাজ বৰা, স্মৃতি প্ৰিয়া লাহন, গৌৰী শংকৰ ভৰালীৰ লগতে শতাধিক ৰাইজ উপস্থিত থাকি কৃষকসকল উৎসাহিত কৰাৰ লগতে অনাগত দিনত শিকলি অনুষ্ঠানক সহায় সহযোগ কৰাৰ আশ্বাস দিয়ে। যোৰহাট জিলা সেৱাৰ বিষয়াববীয়া জগন্নাথ অগ্নি বৰা, শ্ৰীমন্ত মাধৱ বৰুৱা, ৰাজীৱ কুমাৰ নাজিৰ উপস্থিত হৈ শাৰীৰিক ভাৱে অক্ষম লোক দুজনক এখন হুইল শ্বেয়াৰ আৰু এখন ট্ৰাই চাইকেল দি শিকলিৰ অনুষ্ঠানক উৎসাহিত কৰে।

# ১২ অক্টোবৰত কলাক্ষেত্ৰত সত্ৰীয়া নৃত্য সমাৰোহৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৮ ছেপ্টেম্বৰ ঃ** সত্ৰীয়া সংগীত শিক্ষক সমাজ অসমৰ উদ্যোগত যোৱা কেই বছৰৰ দৰে এই বছৰ অহা ১২ অক্টোবৰ দেওবাৰে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত সত্ৰীয়া নৃত্যৰ ৰাজ্যিক পৰ্যায়ৰ সমাৰোহ এখনৰ আয়োজন কৰা হৈছে। এই সমাৰোহত শিক্ষক সমাজৰ সকলো সদস্যই নিয়ম অনুসৰি অংশগ্ৰহণ কৰিবৰ বাবে আবেদন কৰিব পাৰিব। এই সমাৰোহত সৰ্বাধিক ৮টা দলে অংশগ্ৰহণৰ সুবিধা লাভ কৰিব। দলীয় নৃত্যক অগ্ৰাধিকাৰ দিয়া হব। পঞ্জীয়ন মাছুল হিছাপে ২০০০ টকা ধাৰ্য্য কৰা হৈছে। অনুষ্ঠানৰ লাইভ সম্প্ৰচাৰ হব। শিক্ষক সমাজে মঞ্চ এখন দিব নতুন শিল্পীক উৎসাহ যোগাবলৈ। অনুষ্ঠানত সকলো অংশগ্ৰহণকাৰীক একোখনকৈ প্ৰমাণ পত্ৰ দিয়া হব। এই সংক্ৰান্তত অধিক জানিবলৈ অহা ১২ ছেপ্তেম্বৰৰ ভিতৰত সাধাৰণ সম্পাদকৰ লগত যোগাযোগ কৰিব পাৰে। আগন্তুক নৃত্য সমাৰোহখন সফল্যমন্দিত কৰিবৰ বাবে সত্ৰীয়া সংগীত শিক্ষক সমাজৰ সভাপতি নৃত্যাচাৰ্য যতীন গোস্বামী আৰু সাধাৰণ সম্পাদক ডংখগেন শৰ্মাই এক প্ৰেছ বিজ্ঞপ্তি যোগে এই সম্পৰ্কত জানিবলৈ দিয়ে।

# প্ৰতিভাৱান নেটবল খেলুৱৈ অংকিতা চেতিয়াই ক্ৰীড়াৰ জৰিয়তে লাভ কৰে চৰকাৰী নিযুক্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ ডিব্ৰুগড়, ৮ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ লাহোৱালৰ এগৰাকী প্ৰতিভাবান নেটবল খেলুৱৈ অংকিতা চেতিয়াই ক্ৰিয়াৰ জৰিয়তে সফলতা লাভ কৰি অসম চৰকাৰৰ পৰা চৰকাৰী চাকৰি লাভ কৰে। তেওঁ এছচিয়েছন অৱ ডিব্ৰুগড়ৰ তত্ত্বাৱধানত থকা প্ৰশিক্ষক ৰাতুলমণি মহন্তৰ ওচৰত ২০২১ চনৰ পৰা বকুল হাইস্কুল খেলপথাৰত অনুশীলন কৰিছিল। লক্ষ্য যদি স্থিৰ হয়, তেনেহলে এদিন নিশ্চয় সফলতা লাভ কৰিব আৰু সেই কথাই প্ৰমাণ কৰিলে নিজৰ পাৰদৰ্শিতা দেখুৱাই অংকিতাই। খেলৰ জৰিয়তে লাহোৱালৰ এইগৰাকী প্ৰতিভাৱান নেটবলৰ খেলুৱৈ অংকিতা চেতিয়াই অসম চৰকাৰৰ চাকৰিত নিযুক্তি লাভ কৰিছে। অংকিতা চেতিয়াৰ ঘৰ ডিব্ৰুগড় জিলাৰ লাহোৱালৰ বকুল জাপিসজীয়াত। ডিব্ৰুগড়ৰ উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰত কনিষ্ঠ সহায়ক (জুনিয়ৰ এছিছটেণ্ট) হিচাপে নিযুক্তি লাভ কৰিছে অংকিতাই। জাপিসজীয়াৰ দৰে এটি ভিতৰুৱা অঞ্চলৰ পৰা গৈ অংকিতাই চলিত বৰ্ষৰ উত্তৰাখণ্ডত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় গেমছ নেটবলত অসম দলৰ হৈ প্ৰতিনিধিত্ব কৰি ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। পিতৃ দেৱানন্দ চেতিয়া আৰু মাতৃ বিমলা চেতিয়াৰ কনিষ্ঠা কন্যা অংকিতাই খেলৰ বাবেই ২০২৩ চনত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা নাছিল। লক্ষ্য যদি স্থিৰ হয়, তেনেহ'লে সফলতা যে এদিন নিশ্চয় ঘূৰি আহিব, সেই কথা প্ৰতিপন্ন কৰিলে অংকিতাই। অৱশেষত ডিব্ৰুগড়ৰ মনোহাৰীদেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ আজি খেলৰ বাবে চৰকাৰী চাকৰিত নিযুক্ত হয়। সংবাদ মাধ্যমৰ সৈতে হোৱা এক সাক্ষাৎকাৰত খেলুৱৈ গৰাকীয়ে কয়, “বহুদিনীয়া কষ্টৰ ফচলৰ পাছত অৱশেষত মই লাভ কৰিলো। ইয়াৰ বাবে মা দেউতা, নেটবল সন্থা, মোৰ প্ৰশিক্ষক মহন্ত ছাৰক বহুত বহুত ধন্যবাদ জনাইছো। খেলৰ জৰিয়তে যে চাকৰি পাব পাৰি তাক আজি মই মৰ্মে মৰ্মে বুজি উঠিছো। আমাৰ সমাজৰ উঠি অহা প্ৰজন্মইয়ো অধ্যয়নৰ সমান্তৰালকৈ নিজে ভালপোৱা, ভাললগা কাম সমূহ কৰি জীৱনত আগুৱাই যাবলৈ সক্ষম হ'ব পাৰে। তাৰ বাবে লাগিব সাধনা।” তেওঁৰ এই সফলতাত অঞ্চলবাসী আনন্দ প্ৰকাশ কৰাৰ লগতে আশীৰ্বাদ কৰে।

# বৰ্ণাঢ্য সাংস্কৃতিক মঞ্চ, বকোৰ উদ্যোগত শিংৰাত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ শতবাৰ্ষিকী জন্ম জয়ন্তী পালন

**অসম বাৰ্তা, বকো, ৮ ছেপ্টেম্বৰ ঃ** আজি ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ওপজা দিন। বৰ্ণাঢ্য সাংস্কৃতিক মঞ্চ, বকোৰ উদ্যোগত শিংৰাত পূৰণমল জৈন ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ত দিনজোৰা কাৰ্যক্ৰমণিকাৰে শতবাৰ্ষিকী পালন। বিশ্ব বৰেণ্য মহান শিল্পী গৰাকীক ৰাজ্যৰ ঠায়ে-ঠায়ে স্মৰণ কৰা হয়। বকোৰ শিংৰাতো দেখা গৈছে সুধাকণ্ঠৰ জন্ম বাৰ্ষিকীৰ লগত সংগতি ৰাখি বিশেষ অনুষ্ঠান। ৰ্কাযকৰী সমিতিৰ সভাপতি ভীষ্মদেৱ ৰাভা, উপ সভাপতি অমিয় কুমাৰ ৰয় আৰু সাধাৰণ সম্পাদক দেৱীৰাম বড়ো, সহ সম্পাদক জগন্নাথ নাথে জনোৱা অনুসৰি বৰ্ণাঢ্য সাংস্কৃতিক মঞ্চ, বকোৰ উদ্যোগত পূৰণমল জৈন ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ত দিনজোৰা কাৰ্যক্ৰমণিকাৰে শতবাৰ্ষিকী পালন কৰা হয়। একাধিক্ৰমে ৰাতিপুৱা গছপুলি ৰোপণ, ৰোপকবৃন্দ হৈছে পালাহপাৰা উন্নয়ন সমিতিৰ সভাপতি সিদ্ধেশ্বৰ ৰাভা, সংগীত মহাবিদ্যালয় বকো অধ্যক্ষ নগেন কলিতা, শিংৰা-পালাহপাৰা যুৱক সংঘৰ সভাপতি খৰ্গেশ্বৰ ৰাভা, আৰু বেউলা শিল্পী গোষ্ঠী ছয়গাঁও উপদেষ্টা ধীৰাজ মহন্ত। ইয়াৰ পিছতে বকোৰ বিজেপি যুৱ নেতা ৰাজু মেচৰ জৰিয়তে সুধাকণ্ঠৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কাৰ্যসূচী লগতে চিত্ৰাংকণ প্ৰতিযোগিতা বকো মণ্ডল বিজেপিৰ সভাপতি হিৰণ্য নাথৰ ৰূপায়ণ কৰা হয়। ইয়াৰ পিছতে সমবেত সংগীত পৰিবেশন কৰে আৰু মুকলি সভা আৰম্ভ কৰা হয়। মুকলি সভাত মুখ্য অতিথি ৰূপে উপস্থিত থাকে ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদ নগৰমল স্বৰ্গীয়াৰীৰ লগতে বহুকেইজন আমন্ত্ৰিত বিশিষ্ট অতিথি বৃন্দৰ সহিতে বিদ্যালয়খনৰ শিক্ষক শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী।

## সাংবাদিক ৰাহিদ আলীক সভাপতিৰ দায়িত্ব অৰ্পণ

# ৰাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতি নতুনকৈ গঠন !

**অসম বাৰ্তা, গেলেকী, ৮ ছেপ্টেম্বৰ ঃ** মহিলা সজাগতা আৰু গ্ৰামোন্নয়ন সংস্থা তথা জ্যোতিৰ্ময় সমাজ ৰাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ নতুনকৈ গঠন কৰা হৈছে। পূৰ্বৰ সভানেত্ৰী ফৰিদাউল্লাহে ব্যক্তিগত অসুবিধাৰ বাবে সভানেত্ৰী পদৰ পৰা অব্যাহতি লোৱাৰ পিছতে সমিতিখন নতুনকৈ গঠন কৰাৰ বাবে গেলেকী প্ৰেছ ক্লাৱত এখন জৰুৰী আঞ্চলিকৰ বিষয়ববীয়াৰ সভা অনুষ্ঠিত হৈ যায়। সভাত গেলেকী আঞ্চলিকৰ সকলো বিষয়ববীয়াৰ উপস্থিতিত সৰ্বসন্মতিক্ৰমে উপ-সভাপতি ৰাহিদ আলীক সভাপতি দায়িত্ব গ্ৰহণৰ বাবে অনুমোদন জনায়। লগতে খালী হৈ পৰা উপ-সভানেত্ৰী পদৰ বাবে বেনজিৰ নাৰাফা আজম আৰু দিপামণি মৰাণৰ নামটো প্ৰস্তাৱ কৰে। এই তিনিগৰাকীৰ নতুন বিষয়ববীয়াৰ নাম শিৱসাগৰ জিলালৈ সম্পাদিকাই প্ৰেৰণ কৰে নিয়ম অনুসৰি। পৰৱৰ্তী সময়ত শিৱসাগৰ জিলাই গেলেকী আঞ্চলিকে প্ৰেৰণ কৰা নতুন সমিতিখন অনুমোদন জনাই পৰৱৰ্তী কাৰ্যকালৰ বাবে। বৰ্তমান নতুনকৈ গঠন হোৱা ৰাৰিয়ৰ্ছ গেলেকী আঞ্চলিকখন হৈছে উপদেষ্টা মণ্ডলী আব্দুল হেলিম, ৰেকিবুল হুছেইন আৰু মফিদা বেগম, সভাপতি - ৰাহিদ আলী, উপ - সভানেত্ৰী বেনজীৰ নাৰফা আজম, দিপামণি মৰাণ, সম্পাদিকা - পূৰবী নেওগ, সহ- সম্পাদক - মুকুট আলী, বিত্ত সম্পাদিকা - তনুজা বেগম, জনসংযোগ সম্পাদিকা -দিলোৱাৰা বেগম, সদস্যা - চম্পা বৰুৱা, চুৰেহা বেগম, পূৰ্ণিমা হাতিমূৰীয়া, ৰীমা কলিতা, সুৰভি মৰাণ, হাফিজুৰ ৰহমান আৰু সংগীতা শইকীয়া।

# মৰিগাঁৱতো সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উৎসাহেৰে উদ্‌যাপন

**অসম বাৰ্তা, লাহৰীঘাট, ৮ ছেপ্টেম্বৰ ঃ** ব্যক্তিত্বৰ সমুজ্জ্বল ধাৰাৰে আলোকসন্ধানী দৃষ্টিনিবদ্ধতাৰে বিশ্ব জনগণৰ বিশেষকৈ অসমবাসীৰ হৃদয় আলোড়িত কৰি প্ৰজ্ঞাৰ পোহৰেৰে উজলাই ৰখা বিশ্ববিশ্ৰুত বৰেণ্য প্ৰতিভাধৰ শিল্পী, গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক, প্ৰযোজক, শিক্ষাবিদ, সাহিত্যিক, চলচ্চিত্ৰ নিৰ্মাতা, ৰাজনীতিবিদ, সমাজতাত্ত্বিক হিচাপে গুৰুত্বপূৰ্ণ অৱদানেৰে অসমভূমিক ধন্য কৰা নমস্য ভাৰতৰত্ন ড° ভূপেন হাজৰিকা পবিত্ৰ ভাদ মাদৰ শুভ লগ্নত ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত ধৰালৈ আগমণ ঘটিছিল কালজয়ী সৃষ্টি প্ৰতিভাৰে ভাস্কৰ ব্যক্তিত্ব ভূপেন হাজৰিকাৰ। বৰেণ্য ব্যক্তিত্বৰে প্ৰতিভাত এই শুভজাতক ড° ভূপেন হাজৰিকাৰ অনবদ্য প্ৰতিভাৰাজি আলোকিত স্মৰণেৰে, উৎসাহ-উদ্দীপনাৰে তেওঁৰ জন্ম শতবাৰ্ষিকী পালন কৰা হৈছে। সমগ্ৰ অসমৰ লগতে আজি মৰিগাঁও জিলাৰ সদৰ বিহুতলীৰ সমীপত থকা মতিৰাম বৰা উদ্যানত অতি উৎসাহেৰে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ শতবৰ্ষ জন্মজয়ন্তী উদযাপন কৰা হয়। অনুষ্ঠানত জিলা আয়ুক্ত অনামিকা তেৱাৰী, জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগ্‌ৰী আৰু অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰায়ে ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে জিলা আয়ুক্তসহ জ্যেষ্ঠ বিষয়াসকলে উক্ত স্থানত পৰিৱেশন কৰা সমবেত কণ্ঠত অংশ লৈ উপস্থিত যুৱ সমাজক অনুপ্ৰেৰিত কৰে। আজি আয়োজন কৰা এই কাৰ্যসূচীত সহকাৰী আয়ুক্ত কঙ্কন জ্যোতি শইকীয়াৰ লগতে বিভিন্ন বিভাগৰ বিষয়া আৰু প্ৰতিনিধিসকল উপস্থিত থাকে। জন্ম শতবৰ্ষত স্বনামধন্য মহান পুৰুষগৰাকীয়ে অনবদ্য অৱিহণাৰে সমাজ জীৱন সমৃদ্ধ কৰি থৈ সৃষ্টি-কৰ্মৰাজিৰ প্ৰতিফলন ঘটাই ২০১১ চনৰ ৫ ছেপ্টেম্বৰত এই গৰাকী মহানায়কৰ মহাপ্ৰস্থান ঘটিছিল। আমাৰ মাজৰ পৰা চিৰদিনলৈ গুচি যোৱা বৰেণ্য ব্যক্তিগৰাকীৰ সজীৱ স্মৃতিৰ সোঁৱৰণৰ শতবৰ্ষৰ পৱিত্ৰ দিনটোত অসমৰ শত-সহস্ৰ জনগণে তেওঁলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। এই মহান ব্যক্তিগৰাকীৰ স্মৰণেৰে আজিৰ দিনটোত সদৌ অসম ছাত্ৰ সন্থাকে ধৰি মৰিগাঁও জিলা শিক্ষা বিভাগ, বিভিন্ন ছাত্ৰ-যুৱ সংগঠনকে ধৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে বিভিন্ন কাৰ্যসূচীৰে মুখৰ কৰি তোলে।

আৰক্ষী অধীক্ষকৰ ওচৰত ৰাজহুৱা অভিযোগ

# ডবকাত গাঁওৰক্ষী বাহিনীৰ সভাপতিৰ বিৰুদ্ধে ৰাইজৰ উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, মোৰাঝাৰ, ৮ ছেপ্টেম্বৰ ঃ** দালালৰ বিৰুদ্ধে ৰাজ্যৰ গৃহ বিভাগে যিমানেই কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে, সিমানেই আৰক্ষীক এক প্ৰকাৰ বুঢ়া আঙুলি দেখুৱাই চলাই গৈছে দালালৰাজ। তাৰে সমান্তৰালকৈ আজি পুৱাৰ ভাগত হোজাই জিলাৰ ডবকা থানাৰ অন্তৰ্গত মদাৰতলি গাঁৱৰক্ষী বাহিনীৰ সভাপতি ৰফিক আলী নামৰ দালালৰ বিৰুদ্ধে স্থানীয় ৰাইজে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি ৰফিক আলীয়ে থানাৰ পুলিচৰ লগত সু-সম্পৰ্ক আছে বুলি কৈ স্থানীয় ৰাইজক হাৰাশাস্তি কৰে। লগতে ৰফিকে স্থানীয় কেইজনমান দালালৰ লগত জড়িত হৈ আৰক্ষীক বিপতে পৰিচালিত কৰি নানা ধৰণৰ হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। ইয়াৰোপিও ৰফিকৰ চত্ৰচায়াত মাদাৰতলি অঞ্চলত চলে চুৰি, ডকাইতিৰ লগতে সকলো ধৰণৰ কু-কৰ্ম। উল্লেখ্য যে স্থানীয় ৰাইজে এই বিষয়ে মাত মাতিলে নিজৰ পত্নীৰ হতুৱাই বিভিন্ন জনৰ ওপৰত বলৎকাৰৰ ধৰে ভূৱা গোচৰ দি হাৰাশাস্তি কৰে। ইতিমধ্যে গাঁৱৰক্ষী বাহিনীৰ সভাপতি ৰফিক আলীৰ বিৰুদ্ধে হোজাই আৰক্ষী অধীক্ষকৰ ওচৰত স্থানীয় ৰাইজে দাখিল কৰিছে অভিযোগ। আৰক্ষী অধীক্ষকে অতি শীঘ্ৰে ৰফিক আলীক গাঁৱৰক্ষী বাহিনীৰ সভাপতিৰ পৰা বহিষ্কাৰ কৰাৰ লগতে বিহীতব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে ৰাইজে। এতিয়া হোজাই আৰক্ষী অধীক্ষকে ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই ৰফিক আলীৰ বিৰুদ্ধে কেনেদৰে ব্যৱস্থা গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়ত হব লক্ষ্মীয়।

আমগুৰিত শোকৰ ছাঁ

# অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া লোকনাথ গগৈৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, আমগুৰি, ৮ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি লালিমছিগা তিনিকুৰীয়া গাঁৱৰ বাসিন্দা আৰু অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া লোকনাথ গগৈয়ে আজি পুঁৱতি নিশা নিজ গৃহত শেষ নিঃশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৫ বছৰ। বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ থকা প্ৰয়াত গগৈ আটাছু (মিলনপন্থী)ৰ শিৱসাগৰ জিলা সমিতিৰ যুটীয়া সম্পাদক অপূৰ্ব গগৈৰ পিতৃ আছিল। চামগুৰি ফুৰালং সমাজৰ সভাপতিৰ দায়িত্বও পালন কৰি অহা গগৈয়ে মৃত্যুৰ সময়ত পত্নী, দুই পুত্ৰ, দুগৰাকী বিবাহিতা কন্যা আৰু নাতি-নাতিনীসহ বহু আত্মীয় স্বজন এৰি থৈ গৈছে। আজিৰ ৰাতিপুৱা আটাছু (মিলনপন্থী)ৰ কেন্দ্ৰীয় সভাপতি মিলন বুঢ়াগোহাঁই, সম্পাদক ভাস্কৰ বুঢ়াগোহাঁই, শিৱসাগৰ জিলা সমিতিৰ সভাপতি তপন চেতিয়া, যুটীয়া সম্পাদক দেৱাশিস গগৈ, টাইপাৰ শিৱসাগৰ জিলা সমিতিৰ আদিত্য ৰূ চাওৰ লগতে বহু গণ্যমান্য ব্যক্তিয়ে প্ৰয়াত গগৈৰ প্ৰতি অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰয়াত লোকনাথ গগৈৰ নশ্বৰ দেহ টাই আহোম পৰম্পৰাৰ মৈদাম দিয়া প্ৰথাৰে শেষকৃত্য সম্পন্ন কৰা হয়।

### চালক, পৰিচালকৰ সমস্যাসমূহ ৰাজ্য চৰকাৰক শীঘ্ৰেই সমাধানৰ দাবী

# মৰিগাঁও জিলা পৰিবহণ চালক আৰু পৰিচালক সন্থাৰ অধিৱেশন




**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৮ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা পৰিবহণ চালক আৰু পৰিচালক সন্থাৰ বাৰ্ষিক অধিৱেশনখন আজি মৰিগাঁও চহৰৰ বাচনাঘাটস্থিত অস্থায়ী কাৰ্যালয়ৰ সভাকক্ষত বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। মৰিগাঁও জিলা পৰিবহণ চালক আৰু পৰিচালক সন্থাৰ উপ-সভাপতি কমল মেধিৰ সভাপতিত্বত অনুষ্ঠিত অধিৱেশনৰ প্ৰতিনিধি সভাত চালক আৰু পৰিচালক সকলে সন্মুখীন হৈ অহা সমস্যা সমূহৰ ওপৰত বিস্তাৰিত ভাবে আলোচনা কৰা হয়। বিশেষকৈ ইন্ধনৰ মূল্য বৃদ্ধিৰ পিছতো গাড়ী ভাড়া বৃদ্ধি কৰিব নোৱাৰা, বাট-পথৰ দুৰৱস্থা আদি সমস্যা সমূহৰ ওপৰত বিস্তৃত ভাবে আলোচনা কৰা হয়। এই সমস্যা সমূহ শীঘ্ৰেই সমাধান কৰিবলৈ সংগঠনটোৱে ৰাজ্য চৰকাৰক দাবী জনায়। সভাখনত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মাই পৰিবহণৰ চালক, পৰিচালক সকলৰ সমস্যাৰাজিক উপলব্ধি কৰি ইয়াক অতি সোনকালে সমাধানৰ ব্যৱস্থা কৰিবলৈ ৰাজ্য চৰকাৰৰ প্ৰতি আহ্বান জনায়। জিলাখনৰ ৩৫০ গৰাকী চালক আৰু পৰিচালকে অংশগ্ৰহণ কৰা অধিৱেশনৰ প্ৰতিনিধি সভাত নৰজুল হকক সভাপতি, কমল মেধিক উপ-সভাপতি, বাবুল চন্দ্ৰ বৰাক সম্পাদক, চফিকুল ৰহমানক সহকাৰী সম্পাদক, দুৰ্গেশ্বৰ মেধিক প্ৰচাৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰাৰ লগতে প্ৰফুল্ল মেধি আৰু তপন কুমাৰ ডেকাক মুখ্য উপদেষ্টা হিচাপে লৈ মৰিগাঁও জিলা পৰিবহণ চালক আৰু পৰিচালক সন্থাৰ নতুন কাৰ্যকৰী সমিতিখন গঠন কৰা হয়। প্ৰতিনিধি সভাত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

### এক শতাধিক পুৰুষ মহিলাই বিপিএফত যোগদান

# বিটিচিৰ ৪ নং যমদুৱাৰ সমষ্টিৰ পিজিয়াৰ গাঁৱত বিপিএফ দলৰ যোগদান সভা

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৮ ছেপ্টেম্বৰ ঃ** বিটিআৰ নিৰ্বাচনৰ পূৰ্বে বড়োভূমিত বলিছে নিৰ্বাচনী গৰম বতাহ। শাসক বিৰোধীয়ে নিজৰ দলীয় ভেটি অধিক শক্তিশালী কৰাৰ বাবে চলাইছে নিৰ্বাচনী সভাৰ লগতে যোগদান কাৰ্যসূচী। পিছ পৰি থকা নাই বিপিএফৰ প্ৰাৰ্থী উইলিয়াম নাৰ্জাৰীও, দিনে-ৰাতি একাকাৰ কৰি চলাই গৈছে নিৰ্বাচনী প্ৰচাৰ সভা। অসম-বঙ্গ সীমান্তৰ শিমুলটা পিজিয়াৰ গাঁৱত যমদুৱাৰ ব্লকৰ সাধাৰণ সম্পাদক দিনেশ চন্দ্ৰ নাৰ্জাৰী পৰিচালনা কৰা সভাত যোৱা ৰবিবাৰ সন্ধিয়া ১০ বজাত যমদুৱাৰ সমষ্টিৰ শিমুলটাপু পিজিআৰ গাঁৱত বিপিএফ দলৰ যোগদান কাৰ্যসূচী সভা অনুষ্ঠিত হয়। যোগদান সভাত ৪ নং যমদুৱাৰ সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থী উইলিয়াম নাৰ্জাৰী উপস্থিতিত প্ৰায় এক-শতাধিক পুৰুষ মহিলাই আনুষ্ঠানিক ভাৱে বিপিএফ দলত যোগদান কৰে। নতুনকৈ যোগদান কৰা সকলক এখন ফুলাম গামোচা দলৰ প্ৰতিক চিহ্ন দি দলত আদৰি লৈ প্ৰাৰ্থী উইলিয়াম নাৰ্জাৰী কয় দিনে ৰাতি বিপিএফৰ যোগদান কাৰ্য্যসূচী চলি আছে যমদুৱাৰ ৰাইজে এইবাৰ বুজি পাইছে ইউপিপিএল য়ে কিমান মিছা কথা কয় চৰকাৰ থাকোঁতে মাটিৰ পট্টা দিয়া নাই এতিয়া চৰকাৰ নাই এতিয়া কৈ আছে মাটিৰ পট্টা দিব। ইউপিপিএল দলৰ প্ৰতি আস্থা হেৰুৱাই ৰাইজ বিপিএফত যোগদান কৰি আছে। তেখেতে আৰু কয় যমদুৱাৰ সমষ্টিত বিপুল ভোটৰ ব্যৱধানত ৰাইজে মোক জয়ী কৰাব। যোগদান কাৰ্যসূচীত যমদুৱাৰ ব্লকৰ সাধাৰণ সম্পাদক দিনেশ চন্দ্ৰ নাৰ্জাৰী যমদুৱাৰ ব্লকৰ সংখ্যালঘু কোষৰ সভাপতি হালিমুল ইছলাম সংখ্যালঘু কোষৰ সাধাৰণ সম্পাদক সহ বহুতো উপস্থিত আছিল।

# সুব্ৰত কাপ ফুটবলত হাজোৰ নিশা বড়োৰ সাফল্য অৰ্জন

**অসম বাৰ্তা, হাজো, ৮ ছেপ্টেম্বৰ ঃ** ৬৪সংখ্যক সুব্ৰত কাপত আন্তৰ্জাৰ্তিক স্কুল ফুটবল কাপত বেতকুচি হাইস্কুলৰ হৈ অংশগ্ৰহণ কৰি তীৰ্থনগৰী হাজোলৈ সুনাম কঢ়িয়াই আনিছে উখুৰা কাহীবাৰী বড়ো চুপাৰ নিশা বড়োৱে। উল্লেখ্য যে ভাৰতীয় বায়ু সেনাই আয়োজন কৰা ১৭বছৰ অনুৰ্ধ জুনিয়ৰ ছোৱালী স্কুল প্ৰতিযোগিতা খনিত বেতকুছি হাইস্কুল দলটোৱে শক্তিশালী বংগৰ দলটোক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। বেতকুচি হাইস্কুলৰ এই চেম্পিয়ন দলটোৰ হৈ খেলত অংশগ্ৰহণ কৰি সুনাম কঢ়িয়াই আনে নিশা বড়োৱে। অতি দৰিদ্ৰ ঘৰত জন্ম লাভ কৰা উখুৰাৰ বিষুও বড়োৰ একমাত্ৰ কন্যা নিশা বড়োৰ এই সাফল্যত উৎফুল্ল হৈ পৰিছে অঞ্চলটোৰ স্থানীয় ৰাইজ। বৰম্বে ফুটবল প্ৰশিক্ষণ কেন্দ্ৰত ফুটবল খেলৰ প্ৰশিক্ষণ গ্ৰহণ কৰি অহা নিশা বড়ো সৰুৰে পৰা ফুটবল খেলৰ প্ৰতি ৰাপ আছিল বুলি জানিবলৈ দিয়ে নিশা বড়োৰ পিতৃ তথা প্ৰশিক্ষক গৰাকীয়ে। ভৱিষ্যতে নিশাই ফুটবল খেলত অধিক মনোনিবেশ কৰি ভাৰতীয় জাতীয় দলৰ হৈ খেলিবলৈ ইচ্ছুক যদিও উন্নত প্ৰশিক্ষণৰ বাবে আৰ্থিক ভাৱে সমস্যাত ভুগিছে প্ৰতিভাৱান খেলুৱৈ গৰাকী। সেয়েহে স্থানীয় ৰাজনৈতিক নেতা তথা দল সংগঠন সমূহক সহায় কৰিবলৈ আহ্বান জনাইছে নিশা বড়োৰ আত্মীয় তথা ওচৰ চুবুৰীয়া সকলে।

## সুধাকণ্ঠৰ শতবাৰ্ষিকী জন্মজয়ন্তীত নাজিৰাৰ আকাশ-বতাহত শতগৰাকী শিল্পী - ছাত্ৰীৰ কণ্ঠ দানেৰে মুখৰিত ভূপেন্দ্ৰ সংগীত

# বিশ্ববিশ্ৰুত সুধাকণ্ঠৰ অমৰ সৃষ্টি মৃত্যু জিনাৰ গীতেৰে জীপাল পিতামহৰ চোতাল

**অসম বাৰ্তা, নামতি, ৮ ছেপ্টেম্বৰ ঃ** বিশ্ববিশ্ৰুত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী দিনাই বিশ্বৰ ভিন্ন প্ৰান্তৰ লগতে অসম তথা তেখেতৰ পিতামহৰ চোতাল নাজিৰাতো অমৰ সৃষ্টি মৃত্যু জিনাৰ গীতেৰে জীপাল হৈ পৰে। নাজিৰা বিধান সভা সমষ্টিৰ বিধায়ক তথা অসম বিধান সভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ উদ্যোগত নাজিৰা শিল্পী সমাজ আৰু নাজিৰাবাসী ৰাইজৰ সহযোগত এম চি ক্লাবত উদযাপন হোৱা ভাৰতৰত্ন - যাযাবৰ শিল্পী সাধক ভূপেন হাজৰিকাৰ অমৰ সৃষ্টি গীতেৰে জীপাল কৰি তোলে নাজিৰাৰ আকাশ - বতাহ। কাৰ্যসূচীৰ আৰম্ভণিতে নাজিৰাবাসী ৰাইজৰ তৰফৰ পৰা ভাৰতৰত্ন সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত পুষ্পমাল্য অৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি নিবেদন কৰে বিধায়কৰ লগতে জ্যেষ্ঠ নাগৰিক, শিল্পী, ৰাইজে। অনুষ্ঠানত নাজিৰা সমষ্টিৰ বিধায়ক তথা অসম বিধান সভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই ভাষণ প্ৰসংগত ভূপেন হাজৰিকা কেৱল এজন সংগীতজ্ঞ নহয়, তেওঁ আছিল কবি, চিনেমা নিৰ্দেশক, গীতিকাৰ, সমাজসেৱী আৰু আটাইৰে সুখ-দুখৰ সমভাগী হোৱা এজন মানৱতাবাদী। অসমৰ গাঁও - চহৰৰ পৰা বিশ্বমঞ্চলৈকে তেওঁৰ সুৰে জনসাধাৰণৰ কাহিনী, পিছপৰা মানুহৰ বেদনা চিত্ৰায়ন কৰিছিল। তেওঁৰ সংগীত কেৱল বিনোদন নহয়, এক এক সামাজিক ৰূপান্তৰৰ মাধ্যম আছিল। আজি ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীত তেওঁৰ দৰ্শন আজিৰ পৰিপ্ৰেক্ষিতত আগতকৈও অধিক প্ৰাসংগিক হৈ পৰিছে। তেওঁৰ গীতৰ মাজেৰে যি আহ্বান জনাই গৈছে সেয়া আছিল মানুহ, ধৰ্ম, ভাষা আৰু ৰাজনৈতিক সীমাৰ উৰ্ধ্বত উঠি এক বিশ্বজনীন ভাতৃত্ববোধ গঢ়ি তোলাৰ অনুৰোধ বুলি ব্যক্ত কৰে দেৱব্ৰত শইকীয়াই। অনুষ্ঠানত বিশিষ্ট লেখিকা তথা অধ্যাপিকা ড° দেৱযানী বকলীয়ালে নিৰ্দিষ্ট বক্তা




হিচাপে ডঃ ভূপেন হাজৰিকাৰ জীৱন দৰ্শন, সংস্কৃতিৰ জৰিয়তে অসম তথা ভাৰতবৰ্ষৰ মানৱ সমাজখনলৈ অৱদানৰ বিষয়ে আলোকপাত কৰি কয়, এগৰাকী সংগীত শিল্পীয়ে এটা জাতিৰ বুকুত থিতাপি লোৱাৰ দৃষ্টান্ত পৃথিৱীত বৰ কম। মাইকেল জেকছন, ববডিলান আৰু পল ৰবছনৰ দৰে বিশ্ববিশ্ৰুত সংগীত শিল্পীৰ কথা এইক্ষেত্ৰত উনুকিয়াব পাৰি। কিন্তু আমাৰ ভূপেনদা যেন সকলোতকৈ সুকীয়া। তেওঁৰ গানে ভাৰতবৰ্ষৰ মানুহক জীৱন সংগ্ৰামত আগুৱাই যাবলৈ চিৰপ্ৰেৰণা যোগাই গ'ল। তেওঁৰ প্ৰতিটো গানেই একো একোটা গল্প বা উপন্যাস, সমাজৰ ৰূঢ় বাস্তৱৰ প্ৰতিফলন। সংখ্যালঘু - নিপীড়িত, শোষিত - বঞ্চিতৰ গানেই যে এদিন ভূপেন দাক ভূপেন হাজৰিকালৈ ৰূপান্তৰ কৰিছিল, সেইকথা আজি কোনে অস্বীকাৰ কৰিব। বকলীয়ালে লগতে কয়, মানুহৰ মুক্তিৰ গান বুলিলেই ভূপেন হাজৰিকাৰ গান, এইকথা

## সৰ্বভাৰতীয় NEET পৰীক্ষাত উজ্জ্বলিল যীচুৰাজ শইকীয়া

**অসম বাৰ্তা, কামপুৰ, ৮ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ কামপুৰ কামেশ্বৰ বৰঠাকুৰ মজলীয়া বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক সৰুজ শইকীয়াৰ সুযোগ্য সন্তান যীচুৰাজ শইকীয়াক বিপুল সম্বৰ্দ্ধনা কামপুৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ। সৰ্বভাৰতীয় নিট পৰীক্ষাত ৪৯৫ নম্বৰ লাভ কৰি কোকৰাঝাৰ মেডিকেল কলেজত চিকিৎসকৰ আসনত অধ্যায়নৰ বাবে সুবিধা লাভ কৰা যীচুৰাজ শইকীয়াৰ বাসগৃহত উপস্থিত হৈ সম্বৰ্দ্ধনা জনাই কামপুৰ আঞ্চলিক কৰ্মচাৰী পৰিষদে। যীচুৰাজ শইকীয়া আৰু তেওঁৰ পিতৃ মাতৃক ফুলাম গামোচা আৰু জাপিৰে বিপুল আদৰণি জনায় কামপুৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি মতিউৰ ৰহমানে, লগতে কামপুৰ আঞ্চলিক জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ তৰফৰ পৰাও ফুলাম গামোচাৰে আদৰণি জনায় লগতে উপস্থিত থাকে চি আৰ চি চি ৰাতুল বৰা, শিক্ষক প্ৰদ্যণ্য বৰা, চিকিৎসা কৰ্মী শ্বাহজাহান আলী, কামপুৰ আঞ্চলিক জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সত্য বৰা, সমাজ সেৱক মাইনুল হক। সম্বৰ্দ্ধনা জ্ঞাপন কৰি ছাত্ৰ গৰাকীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে।

# যমুনাপৰীয়া শাখা সাহিত্য সভাৰ উদ্যোগত ‘পাঠ্যক্ৰমৰ আধাৰত বিহু সম্পৰ্কীয় আলোচনা’ বিষয়ত অনুষ্ঠানৰ সফল সামৰণি

**অসম বাৰ্তা, ডবকা, ৮ ছেপ্টেম্বৰ ঃ** হোজাই জিলা সাহিত্য সভাৰ অন্তৰ্গত এটি স্বৰ্ণ শাখা যমুনাপৰীয়া শাখা সাহিত্য সভাৰ উদ্যোগত প্ৰতিভা চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ সহযোগত এখনি আলোচনা চক্ৰ হৈ যায়। শনিবাৰে অসম সাহিত্য সভাৰ আৰম্ভণি গীতেৰে শুভাৰম্ভ কৰা এই অনুষ্ঠানত ‘পাঠ্যক্ৰমৰ আধাৰত বিহু সম্পৰ্কীয় আলোচনা’ শীৰ্ষক বিষয়ত অনুষ্ঠিত আলোচনা চক্ৰৰ সঞ্চালনা কৰে হোজাই জিলা সাহিত্য সভা সভাপতি পদ্মকান্ত বৰা, বিশিষ্ট অতিথি হিচাপে হোজাই জিলা সাহিত্য সভা সম্পাদক অচুৎ ঠাকুৰীয়া উপস্থিত থাকি নিৰ্দিষ্ট বিষয়ৰ ওপৰত বক্তব্য প্ৰদান কৰাৰ লগতে সমল ব্যক্তি হিচাপে হোজাই মৰিয়ম আজমল কলেজ সহযোগী অধ্যাপক জ্যোতি হাজৰিকা উপস্থিত থাকি নিৰ্দিষ্ট বিষয়ৰ ওপৰত বক্তব্য দি বিহু গীত নৃত্যৰ প্ৰশিক্ষণ দি একপ্ৰকাৰ অনুষ্ঠানটি জীপাল কৰি তোলে। উল্লেখ্য যে যমুনাপৰীয়া শাখা সাহিত্য সভাৰ সভাপতি তথা জিলা সভাৰ সম্পাদক ছাদিকুজ জামানে আঁত ধৰা এই অনুষ্ঠানত জিলা সভাৰ সহকাৰী সম্পাদক প্ৰতাপ বৰুৱা, সম্পাদক আবু ছুফিয়ান, প্ৰতিভা চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ নাজিম উদ্দিন, ট্ৰাষ্টী জাইদুল ইছলাম, কামাল উদ্দিন, শিক্ষক ক্ৰমে আব্দুল বাচিত, ভূমিধৰ বৰ্মন, শ্বৰিফ উদ্দিনকে ধৰি ভালেমান অতিথি উপস্থিত থাকে। শেষত জাতীয় সংগীতেৰে অনুষ্ঠানৰ সমাপ্তি ঘটে।

## গৰৈমাৰীত প্ৰয়াত আজাহাৰ আলীৰ আত্মাৰ শান্তিৰ বাবে শোক সমদল

**অসম বাৰ্তা, গৰৈমাৰী, ৮ চেপ্তেম্বৰ ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত আজি সন্ধিয়া ইউথ এম্পাৱাৰমেণ্ট ফ'ৰামৰ উদ্যোগত টুক্ৰাপাৰা গাঁও নিবাসী প্ৰয়াত আজাহাৰ আলীৰ আত্মাৰ শান্তিৰ বাবে বন্তি প্ৰজ্বলনৰ সৈতে মমবাতি লৈ এখন সমদল উলিওৱা হয়। উল্লেখ্য যে গৰৈমাৰীৰ টুক্ৰাপাৰা গাঁৱৰ ৰজব আলীৰ পুত্ৰ আজাহাৰ আলী ২৯ আগষ্টৰ নিশা নিৰুদ্দেশ হয় আৰু ৩১ আগষ্টৰ পুৱা চাম্পুপাৰাৰ কলহী নৈত আজাহাৰ আলীৰ মৃতদেহ উদ্ধাৰ হয়। জানিব পৰামতে গৰৈমাৰী বজাৰত আজি সন্ধিয়া প্ৰয়াত আজাহাৰ আলীৰ আত্মাৰ শান্তিৰ বাবে বন্তি প্ৰজ্বলন কৰি শোক সভা অনুষ্ঠিত কৰাৰ লগতে মমবাতি লৈ মৌন সমদল উলিওৱা হয়। কাৰ্যসূচীত ইউথ ইম্পাৱাৰমেণ্ট ফ'ৰামৰ মুখ্য উপদেষ্টা তথা অধিবক্তা আমান ৱাদুদ, উপদেষ্টা ছাবেল উদ্দিন আহমেদ, গৰৈমাৰীৰ ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নুৰুল ইছলাম, ইউথ ইম্পাৱাৰমেণ্ট ফ'ৰামৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক আব্দুল কৰিম, সমাজকৰ্মী হবিবৰ ৰহমানকে প্ৰমুখ্য কৰি ভালেসংখ্যক সমাজ সচেতন ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

## মাজুলী জিলা ছাত্ৰ সন্থাৰ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, ৮ ছেপ্টেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত, সদৌ মাজুলী জিলা ছাত্ৰ সন্থাই আজি মাজুলী মহাবিদ্যালয়ৰ প্ৰাংগণত স্থানীয় শিল্পী আৰু শতাধিক ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু ভূপেন হাজৰিকা দেৱৰ কালজয়ী গীত “মানুহে মানুহৰ বাবে” একেলগে পৰিৱেশন কৰে। জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ ৰাজখুৱাই আঁত ধৰা অনুষ্ঠানটি ভূপেন হাজৰিকা দেৱৰ প্ৰতিচ্ছবিত বন্তী প্ৰজ্বলন কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া। তাৰ পিছতেই প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা সূৰ্যকুমাৰ ভূঞা আৰু পৱিত্ৰ গোস্বামীয়ে। উক্ত অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিবাহক সদস্য ৰংগৰস মহন্ত, জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়া, জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা অজিত হাজৰিকাকে ধৰি মাজুলীৰ বিভিন্ন প্ৰান্তৰ বিশিষ্ট ব্যক্তি সকল।

## ৰাঙাপানীত প্ৰয়াত মুজাফৰ হুছেইনৰ পৰিয়ালৰ খবৰ ল'লে অগপৰ সাংসদ-নেতৃবৰ্গই

**অসম বাৰ্তা, লেংটিছিঙা, ৮ ছেপ্টেম্বৰ ঃ** আজি বঙাইগাঁও জিলাৰ ৰাঙাপানীৰ প্ৰয়াত মুজাফৰ হুছেইনৰ বাসভৱনত উপস্থিত হৈ পৰিয়ালৰ খবৰ লোৱাৰ লগতে পৰিস্থিতিৰ বুজ ল'লে বৰপেটা লোকসভা সমষ্টিৰ মাননিয় অগপৰ সাংসদ ফণীভূষণ চৌধুৰী। সাংসদ ডাঙৰীয়াৰ লগতে প্ৰাক্তন বিধায়ক শ্ৰীযুত ভূপেন ৰায়, অভয়াপুৰী বিধানসভা সমষ্টিৰ সভাপতি পূৰ্নেন্দু বনিক্য, যুৱ নেতা ছাহিদুল হক, যুৱ পৰিষদৰ সভাপতি জিয়াউৰ ৰহমান মণ্ডল আৰু অঞ্চলৰ বিভিন্ন দিশৰ আঞ্চলিক বিষয়ববীয়া আৰু সমাজসেৱীসকলো উপস্থিত থাকে। সাংসদ ফণীভূষণ চৌধুৰী আৰু অন্যান্য নেতৃত্ববৰ্গে প্ৰয়াত মুজাফৰ হুছেইনৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। লগতে পৰিয়ালজনৰ প্ৰতি আন্তৰিক সমবেদনা জ্ঞাপন কৰি আগলৈও সকলো ধৰণৰ সামাজিক সহায়-সহযোগিতা প্ৰদান কৰাৰ আশ্বাস দিয়ে। কালি কোনোবাই মুজাফৰ হুছেইনক হত্যা কৰাত ৰাঙাপানী অঞ্চলত শোকৰ ছাঁ পৰে। দল-মত-ধৰ্ম নিৰ্বিশেষে সমাজৰ সকলোৱে পৰিয়ালজনৰ ওচৰলৈ গৈ সমবেদনা জ্ঞাপন কৰে।

# পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ শুভাৰম্ভ



**অসম বাৰ্তা, মাকুম, ৮ ছেপ্টেম্বৰ ঃ** অসমৰ বিভিন্ন প্ৰান্তৰ দৰে কাকপথাৰৰ পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত আজি সুধাকণ্ঠ, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ শুভাৰম্ভ অনুষ্ঠানৰ আৰম্ভণি হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ঠানুৰাম মজিন্দাৰ আৰু কাকপথাৰ প্ৰেছ ক্লাবৰ সভাপতি তথা প্ৰাগ নিউজৰ সাংবাদিক ৰাতুল কলিতাই অনুষ্ঠানৰ আৰম্ভণিতে ভূপেন হাজৰিকাৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পিছতে প্ৰাগ নিউজে ভূপেন হাজৰিকাৰ জন্মদিন উপলক্ষে একে সময়তে ৰাজ্যৰ এশ স্থানত একেলগে এশটা কেক কটাৰ কাৰ্যসূচী উপলক্ষ্যে মহাবিদ্যালয়ৰ মুকলি মঞ্চত কেক কাটি গণশিল্পী জনক সশ্ৰদ্ধ স্মৰণ কৰা হয়। এই অনুষ্ঠানত কাকপথাৰ প্ৰেছ ক্লাবৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানৰ পিছত ড° ভূপেন হাজৰিকাৰ জীৱন আৰু ব্যক্তিত্ব বিষয়ক এক বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ঠানুৰাম মজিন্দাৰে আদৰণী ভাষণ আগবঢ়োৱাৰ পাছত মূল বক্তৃতা প্ৰদান কৰে অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান ড° পঞ্চানন হাজৰিকাই। মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক বিতুৰাজ গোহাঁইয়ে আঁত ধৰা অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত বিচাৰকৰ দায়িত্ব পালন কৰে ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড০ ইলা ডেকা আৰু ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপিকা জোম্মি গগৈয়ে। গধূলি মহাবিদ্যালয় চৌহদত এশগছি বন্তি প্ৰজ্বলনেৰে সুধাকণ্ঠলৈ শ্ৰদ্ধা নিবেদন কৰা হয়।

## নগাঁৱত সুধাকণ্ঠৰ জন্মদিন উদ্‌যাপন

**অসম বাৰ্তা, নগাঁও, ৮ ছেপ্টেম্বৰ ঃ** নগাঁৱত সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থা, সাংস্কৃতিক মহাসভা অসম, নগাঁও জিলা সমিতিৰ যুটীয়া উদ্যোগত আৰু ঘাঁহী-মহমৰীয়া আঞ্চলিক হাইস্কুলৰ সহযোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ দিৱসটি আজি ৮ চেপ্তেম্বৰ তাৰিখে ঘাঁহী-মহমৰীয়া আঞ্চলিক হাইস্কুল প্ৰাঙ্গণত দিনযোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। পুৱা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা চাফাই অভিযান মুকলি কৰে বিদ্যালয়ৰ শিক্ষক দ্বীপ বেজবৰুৱাই। গছপুলি ৰোপণ কাৰ্যসূচী মুকলি কৰে উক্ত বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ইন্দ্ৰ বৰাই। ইয়াৰ পাছতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন আৰু শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী মুকলি কৰে বিশিষ্ট সামাজকৰ্মী, অৱসৰপ্ৰাপ্ত বায়ুসেনা বিষয়া পুষ্পেন্দ্ৰ হাজৰিকা, সাংস্কৃতিক মহাসভা অসম, নগাঁও জিলা সমিতিৰ সভাপতি ভৰেন বৰা আৰু বিশিষ্ট সাহিত্যিক, সমাজকৰ্মী খগেন শইকীয়াই। দিনৰ ১১ বজাৰ পৰা বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰবীৰ বৰাই পৰিচালনা কৰা মুকলি সভাখনিৰ আৰম্ভণিতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে সুধাকণ্ঠৰ কালজয়ী গীত “মানুহে মানুহৰ বাবে” গীতটি পৰিৱেশন কৰে। সভাত বিশিষ্ট অতিথি হিচাবে অংশ গ্ৰহণ কৰি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জীৱন-আদৰ্শৰ ওপৰত ভাষণ প্ৰদান কৰে বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ খগেন শইকীয়া, ভৰেন বৰা আৰু পুষ্পেন্দ্ৰ হাজৰিকাই। সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থাৰ প্ৰধান সম্পাদক খগেন চন্দ্ৰ নাথে আদৰণি ভাষণ প্ৰদান কৰা সভাখনিত সমাজকৰ্মী হীৰেণ ডেকা, ধেনুৰাম নাথ, বিদ্যালয়ৰ শিক্ষয়িত্ৰী বন্দনা শইকীয়া, সন্থাৰ কৰ্মচাৰী বাবলীবাণী দেৱ, সন্ধ্যাবাণী দুৱৰাই গীত পৰিবেশন কৰে। জাতীয় সংগীতেৰে সামৰণি মৰা সভাখনত শলাগৰ শৰাই আগবঢ়াই সাংস্কৃতিক মহাসভা অসম, নগাঁও জিলা সমিতিৰ সম্পাদক ভূপেন চন্দ্ৰ নাথে।

# গোলাঘাটত শঙ্খ, তাল, উৰুলী ধ্বনীৰে সুধাকণ্ঠৰ জন্ম শতবৰ্ষ উদ্‌যাপনৰ শুভাৰম্ভণী

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৮ ছেপ্টেম্বৰ ঃ** গোলাঘাটত খোল, তাল, শঙ্খ, উৰুলী ধ্বনীৰে আজি ভাৰত ৰত্ন, সুধাকণ্ঠ ডঃভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদ্‌যাপনৰ শুভাৰম্ভণি কৰা হয়। গোলাঘাটৰ 4H ক্লাবৰ বাকৰিত সমন্বয় গোলাঘাট, উত্তৰ পূৰ্বাঞ্চলীয় সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত আৰু প্ৰবীন শিল্পী মঞ্চৰ সহযোগত আজি বিশ্ব বৰেন্য শিল্পী, ভাৰত ৰত্ন ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ উদযাপনৰ শুভাৰম্ভণি অনুষ্ঠান 4H ক্লাবৰ বাকৰিত অনুষ্ঠিত হয়। সমন্বয় গোলাঘাট, উত্তৰ পূৰ্বাঞ্চলীয় সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত সুধাকণ্ঠৰ জন্ম শতবৰ্ষ উদযাপনৰ কাৰ্যসূচী বৰ্ষ জুৰি নিৰূপণ কৰা হৈছে। আজি শুভাৰম্ভণি অনুষ্ঠানত খোল, তাল, শঙ্খ, উৰুলীৰ মাজেৰে সমন্বয় গোলাঘাটৰ সভাপতি ড° জয়ন্ত বাৰুকিয়ালে আৰু উত্তৰ পূৰ্বাঞ্চলীয় সাংস্কৃতিক গোষ্ঠিৰ সভাপতি কুমুদ শইকীয়াই পতাকা উত্তোলনেৰে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদ্‌যাপনৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পিছতে কণ্ঠশিল্পী জেচৰিণ আহমেদে মহাপুৰুষ গৰাকীৰ ৰচিত বৰগীত পাৰে পৰি হৰি পৰিবেশন কৰে আৰু বিশিষ্ট শিল্পী দুৰ্গাধৰ নেওগ আৰু জুপিতৰা তামোলীয়ে এটিকৈ ভূপেন হাজৰিকাৰ গীত পৰিবেশন কৰে। ইয়াৰ পিছতে অনুষ্ঠানত উপস্থিত সকলোৱে সমস্বৰে মানুহে মানুহৰ বাবে গীত পৰিবেশন কৰে। এই অনুষ্ঠানত জন্ম দিৱস উপলক্ষে প্ৰাগ নিউজৰ সাংবাদদাতা গিৰিণ বৰাৰ তত্বাৱধানত প্ৰাগ নিউজৰ হৈ কেক কাটি সকলোকে অপ্যায়ন কৰে। শতবৰ্ষ উদ্‌যাপন সমিতিৰ অন্যতম সম্পাদক দীপমনি খাটনীয়াৰে শলাগ জ্ঞাপন কৰা অনুষ্ঠানৰ আতঁ ধৰে বানি বৰাই। অন্যহাতে শতবৰ্ষ উদযাপন সমিতিৰ সভাপতি শান্তনু গগৈ, সম্পাদক ক্ৰমে ড° যদুমনি দাস, দীপমনি খাটনীয়াৰ আৰু জয়ন্ত শইকীয়াই অহা ২৫ আৰু ২৬ অক্টোবৰত হবলগীয়া বক্তৃতা আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ উপৰিও বছৰত উদযাপন কৰিবলগীয়া সকলো কাৰ্যসূচীতে ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে।

## দহ হাজাৰ চৰাই বাঁহ সংস্থাপনৰ ব্যৱস্থা স্বেচ্ছাসেৱী অনুষ্ঠানৰ

# জিলা আয়ুক্তই গছত উঠি বান্ধিলে চৰাই বাঁহ

**অসম বাৰ্তা, নগাঁও, ৮ ছেপ্টেম্বৰ ঃ** প্ৰকৃতিৰ সৌন্দৰ্য্যতা তথা সুস্থিতি বাহাল ৰখাত আমাৰ পক্ষীবোৰে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কিন্তু জীৱশ্ৰেষ্ঠ মানুহৰ বিভিন্ন কাৰ্য্যকলাপৰ বাবে পক্ষীবোৰৰ স্বাভাৱিক বাসস্থান ধ্বংস হৈছে আৰু প্ৰকৃতিকগত ভাবে নিজৰ বাহ সাজি উলিওৱা কামটো কঠিন হৈ পৰিছে। এনে পৰিৱেশত পক্ষীবোৰৰ বাবে আমাৰ মানৱ সমাজৰ চিন্তা আৰু ভূমিকা সুদূৰপ্ৰসাৰী হোৱা উচিৎ। যদি পক্ষীৰ বাবে কৃত্ৰিম বাহ সংস্থাপনৰ ব্যৱস্থা কৰিব পৰা যায়, তাত পক্ষীয়ে সুৰক্ষিতভাৱে বাস কৰা, কণী দিয়াৰ লগতে পোৱালি জগাব পাৰিব। ইয়াৰ দ্বাৰা চৰাইৰ



সংখ্যা বৃদ্ধি পাব, খেতি-পথাৰৰ কীট-পতংগ নিয়ন্ত্ৰণ হ'ব আৰু প্ৰাকৃতিক ভাৰসাম্য বৰ্তি ৰব। ইয়াৰোপৰি চৰাইৰ মধুৰ কোলাহলে আমাৰ পৰিৱেশত এক সৌন্দৰ্য্যৰ লহৰ সৃষ্টি কৰিব। তেনে এক মহৎ কাৰ্য্য আগত ৰাখি জিলা প্ৰশাসনৰ আহ্বানত “অনুসন্ধান উন্নয়ন সমিতি” নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ সহযোগত প্ৰকৃতিৰ সৈতে সকলোকে সংপৃক্ত হোৱাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনায়, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি, আজি ইং ৭ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে নগাঁও জিলা আয়ুক্তৰ চৰকাৰী বাসভৱনৰ প্ৰাংগণত সুন্দৰ প্ৰাকৃতিক পৰিবেশত থকা গছ সমূহত জিলা আয়ুক্ত শ্ৰীযুত দেৱাশিস শৰ্মা, ভাঃপ্ৰঃসেঃ মহোদয়ে নিজেই বগাই কেইবাটাও চৰাইৰ কৃত্ৰিম বাহ সংস্থাপন কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন